নভেম্বৰ 2002 Rs. 10/-

চান্দমামা




চিন্তুৰ পছন্দ
মই মাথোঁ এইটো চাবোনেই বিচাৰো !
অতি উত্তম পছন্দ, মেদাম । মাইচোৰ চন্দাল উড বেবি চাবোন চন্দন আৰু বাদাম তেলেৰে সমৃদ্ধ । ছালৰ কাৰণে এই চাবোন খুব ভাল ।
বুদ্ধিমান শিশুৱে সদায় মাইচোৰ চন্দল বেবি চাবোন পছন্দ কৰে ।
মহীশূৰৰ চন্দনে যোৱা ৮০ বছৰৰো অধিক কাল তোমালোকৰ ঘৰলৈ চন্দনৰ সুগন্ধ কঢ়িয়াই লৈ আহিছে ।
Mysore Sandal
Baby
Soap
Almond oil moisturiser and antiseptic soap.

HERO
PIRANHA
ACTIVE
CADET HX
YANKEE
ROBO COP
Heroes start early.
Ride, race, take a tumble or even take a fall.
Because it's never too early to be a hero.
HERO CYCLES

Discover
Andhra Pradesh
THE KOHINOOR OF INDIA

বোৰা-পাহাৰৰ এক আকৰ্ষণ

অন্ধ্ৰ প্ৰদেশখন প্ৰকৃতি আইৰ অতি মৰমৰ ৰাজ্য, কাৰণ এই ৰাজ্যখনক প্ৰকৃতিয়ে দিছে দেশৰ ভিতৰত সকলোতকৈ দীঘল উপকূলীয় ৰেখা, ধুনীয়া অৰণ্য আৰু পাহাৰ ।

অন্ধ্ৰ প্ৰদেশৰ কাৰ্ণুল জিলাৰ বেলাম গুহাবোৰ দেশৰ ভিতৰতে সমতল অঞ্চলৰ দীঘল গহ্বৰ প্ৰণালী, বোৰা পাহাৰৰ গুহাবোৰো অতি প্ৰাচীন । বিজিয়ানগৰম জিলাৰ পূৰ্বঘাট অঞ্চলত অৱস্থিত বোৰা এখন গাওঁ । এই গাওঁখন বিশাখাপটনমৰ পৰা আৰাকু উপত্যকালৈ যোৱা পথৰ পৰা ৬ কি. মি. দূৰত

এই চূণশিলৰ গুহাবোৰ ১৫০ ফুটতকৈ অধিক গভীৰ । গোস্থানী নদী ইয়াৰে কোনোবা এটা গুহাৰ পৰা উৎপত্তি হৈ পাহাৰৰ তললৈ নামি আহিছে আৰু ভীমুনিপটনমত গৈ সাগৰত পৰিছে । এই গুহাবোৰত এটা শিৱলিঙ্গ আছে আৰু ইয়াৰ আকৃতি এনে ধৰণৰ যেন এটা গাই গৰু লিঙ্গটোৰ ওপৰত থিয় হৈ আছে । নদীটো গাইজনীৰ ওহাৰৰ পৰাই উৎপত্তি হোৱা বুলি মানুহে বিশ্বাস কৰে, সেয়েহে নদীটোৰ নাম হৈছে গোস্থানী । অন্ধ্ৰ প্ৰদেশ পৰ্যটন বিভাগে এই গুহাবোৰ আলোকসজ্জিত কৰি তুলিছে যাতে পৰ্যটকসকলে গভীৰলৈ গৈ তাৰ ভিতৰত উদ্ভৱ হোৱা ষ্টেলাকটাইটচ আৰু ষ্টালাগমাইট চাব পাৰে । যেতিয়া পানী থকা কাৰ্বন ডাই-অক্সাইডে চূণ শিলবোৰ গলাই দিয়ে তেতিয়া গুহাৰ ওপৰভাগৰ পৰা সৰিপৰা পানীবোৰ গোটমাৰি বৰফৰ সৃষ্টি হয়, তাকে ষ্টেলাকটাইটচ বোলে । এই চূণশিলৰ গুহাবোৰ হাজাৰ হাজাৰ বছৰ পুৰণি আৰু হাজাৰ হাজাৰ বছৰ আগতে ইয়াত মানুহ বাস কৰিছিল বুলি বিশ্বাস কৰা হয় ।

যিসকলে আৰাকু উপত্যকালৈ যাব, তেওঁলোকে নিশ্চয় টাইডাৰ জাঙ্গল কেম্পত আৰু বোৰা গুহাত এবাৰ ৰব, য'ত তেওঁলোকে হাজাৰ হাজাৰ বছৰ পুৰণি বোৰা গুহাৰ গোপন তথ্য আৱিষ্কাৰ কৰিব পাৰিব ।

তালৈ কেনেকৈ যাবঃ বোৰা গুহালৈ বিশাখাপটনমৰ পৰা ৯০ ক. মি. আৰু আৰাকুৰ পৰা ১৫ কি. মি. দূৰত্ব । ভাইজাগৰ পৰা ইয়ালৈকে ৰেল অথবা পথ পৰিবহনেৰেও যাব পাৰি । ভাইজাগৰ পৰা আৰাকুলৈ ৰেলেৰে যাওতে মাজতে বোৰা গুহাত নামিব পাৰি ।

বোৰা গুহা চাবলৈ নাপাহৰিবা !



Tourism & Culture Department,
Government of Andhra Pradesh,
3rd Floor, 'A' Block, Secretariat,
Hyderabad - 500 022, AP. India.
Ph:+91-40-3456717, 3450079,
3450991, 3450170;
Fax:+91-40-3454966,3450068.

Central Reservation Offices of APTDC at:Visakhapatnam: LIC Building,Daba Garden, Ph:0891-746446,Fax:713135; **Hyderabad:** Opp. BRKR Bhavan, Tank Bund Road,Ph: 040-3453036, 3450165 Fax: 040-3453086; **Secunderabad:** Yatrinivas Complex, S.P. Road, Ph: 040-7893100, 7816375; **Tirupati:** T.P. Area, Beside Venkateswara Bus Station, Ph: 08574-55385, Telefax: 08574-52062; Mobile: 98480-07033 **Tirumala:** 08574-70055, 70589; **Nellore:** H.NO. 24-1/1613, 1st floor, Opp. Kasturba Kalakshetram, Police Office Road, Dargha Mitta. Ph: 0861-306089; **Vijayawada:** Hotel Ilapuram Complex, Gandhi Nagar, Ph: 0866-570255, Information & Reservation Counter at APSRTC, Ph:0866-523966;

APTDC Divisional Offices at : Kurnool: C/o 6, C-Camp, Nandyal Road, Telefax: 08518-70104; **Nagarjunasagar:** 08680-77364, 76540; **Srisailam:** 08524-88311; **Warangal:** 08712-459201, 446606; **Chennai:** +91(44) 5381213; **Bangalore:** +91(80) 2383361, 2383362; Fax:+91(80) 2383363

Email: aptourism@hotmail.com / aptourism@rediffmail.com / info@aptourism.com.
Visit us at: **www.aptourism.com** or **www.indiaoverland.com** For Round the Clock Tourist Information on A.P.
Dial: **1901-334033 from Hyderabad / Secunderabad & 0901-334033 from other places** in India.

এই সংখ্যাত আছে

বৰ্ষ : ২৯ নৱেম্বৰ২০০২ সংখ্যা - ১১

ভাৰতৰ পৌৰাণিক আখ্যান ২৫

ভুল প্ৰজাৰহে (বেতাল কাহিনী) ১৯

মায়া সৰোবৰ ১১

গণেশ ৪৫

এই মাহৰ বিশেষ আকৰ্ষণ

★ ইণ্ডিয়াস্কোপ ...৯★ ভাৰতৰ কম পৰিচিত ঠাই ...১০ ★ মায়া সৰোবৰ-১১... ১৭ ★ সন্তোষৰ ৰহস্য ...১৮ ★ ভুল প্ৰজাৰহে (বেতাল কাহিনী) ...১৯ ★ ভাৰতৰ পৌৰাণিক উপাখ্যান-৭ ... ২৪ ★ পৃথিৱীখনেই এখন মঞ্চ...২৭ ★ মাটিয়ে আকৌ কেনেকৈ হাঁহিলে ...৩০ ★ অসন্তোষেই দুখৰ কাৰণ...৩২ ★ কথমপি ৰক্ষা...৩৪ ★ যেনে কুকুৰ তেনে টাঙোন ...৩৬ ★চফ্‌টিৰ অভিযান ...৩৮ ★ মহাকাশত ৰোমাঞ্চকৰ এটা মাহ ...৪০ ★ সংবাদ শিৰোনামাত শিশু...৪৩ ★ ভাৰতৰ বিষয়ে জানি লোৱা ... ৪৪ ★ গণেশ ... ৪৫ ★ উপযুক্ত যোবা ... ৫১ ★ ঘৰবে চোৰ... ৫৫ ★ স্বৰ্গপ্ৰাপ্তি ...৫৮ ★ অজেয় গৰুড় ... ৬০ ★ খেলিমেলি ধেমালি ... ৬৪ ★ ফটো নামকৰণ প্ৰতিযোগিতা ... ৬৬

SUBSCRIPTION

For USA and Canada
Single copy $2
Annual subscription $20
Remittances in favour of Chandamama India Ltd.
to
Subscription Division
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony,
Ekkatuthangal, Chennai - 600 097
E-mail : subscription@chandamama.org

বৰঙণি

বিমান ডাকযোগে পৃথিৱীৰ সকলো দেশলৈ বাৰটা সংখ্যা ৯০০ টকা
সাধাৰণ ডাকত ভাৰতৰ ভিতৰত বাৰটা সংখ্যা ১২০ টকা
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফ্‌ট্ বা মণিঅৰ্ডাৰ যোগে 'চান্দমামা ইণ্ডিয়া লিমিটেড'ৰ নামত পঠাব লাগিব

এই আলোচনীখনত ঠাই সংৰক্ষিত কৰাৰ বাবে যোগাযোগ কৰক

চেন্নাই
ফোন : ০৪৪-২৩৪৭৩৮৪, ২৩৪৭৩৯৯
e-mail : advertisements @ chandamama.org

দিল্লী
মিচ মোনা ভাটীয়া
ফোন : ০১১-৬৫১৫১১১ / ৬৫৬৫৫১৩ / ৬৫৬৫৫১৬

মুম্বাই
মিঃ শকীল মোল্লা
মোবাইল : ৯৮২০৩-০২৮৮০
ফোন : ০২২-২৬৬১৫৯৯ / ২৬৬১৯৪৬ / ২৬৫৩০৫৭

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

সংস্থাপক
বি. নাগি ৰেড্ডি আৰু চক্ৰপাণি

নাই কোনো চমু পথ ; নাই অন্য পথ

কিছুমান ধৰ্মস্থানত পুৰোহিতে যেতিয়া ধৰ্মগ্ৰন্থৰ কোনো অধ্যায় পাঠ কৰি থাকে তেতিয়া সম্পূৰ্ণ নীৰৱতা পালন কৰাতো এটা নিয়ম । এদিনাখন পুৰোহিতে যেতিয়া ধৰ্মগ্ৰন্থ পাঠ কৰি আছিল সেই সময়ত এজন ভক্তই তেওঁৰ ওচৰতে থকা বন্ধু এজনক অতি নিম্নস্বৰে কৈছিল, “মই ভাবো, পুৰোহিতজনে এটা ভুল অধ্যায় পাঠ কৰিছে ।”

“ইয়াত যে নীৰৱতা পালন কৰিব লাগে কথাটো পাহৰি গ'লা নেকি ?” দুয়োৰে পিছফালে বহি থকা মানুহ এজনে সোঁৱৰাই দিছিল । তৎক্ষণাত চতুৰ্থ আৰু পঞ্চম ব্যক্তিয়েও সেই কথাত যোগদান কৰিছিল । তেওঁলোকে অতি নিম্নস্বৰেই কথা পাতিছিল । তেতিয়া পুৰোহিতজনে শ্ৰোতাসকলৰ ফালে এবাৰ ঘোপাকৈ চাইছিল । ষষ্ঠ ব্যক্তি এজনে কৈছিল, “মই কিন্তু মনে মনে আছো !”

আজিৰ বিশ্বত, বিশেষকৈ আমাৰ ভাৰতত এইটো এক প্ৰতীকস্বৰূপ । ‘অইন সকলোৱে দোষী, মইহে নহয়,” এইটোৱে হ'ল আমাৰ দৃষ্টিভঙ্গী । যদি এনে ধৰণৰ মনোভাব আমাৰ মাজত বৰ্তি থাকে তেনেহলে সন্ত্ৰাসবাদকে ধৰি সকালো ধৰণৰ হিংসাই মূৰ দাঙি উঠিব । যদি আমাৰ দেশৰ মানুহবোৰে মানসিকভাবে সংযত হয় আৰু আমি দায়িত্বশীলভাবে আচৰণ কৰো তেনেহলে আমাৰ দেশৰ শত্ৰুবোৰে এতিয়া যিদৰে অনিষ্ট কৰিছে সেইদৰে অতি সহজতে অনিষ্ট কৰিব নোৱাৰিব ।

তেনেহলে আমি কি কৰা উচিত হব ? এই ক্ষেত্ৰত অতি কাৰ্য্যকৰী পদক্ষেপটোৱে অবোধগম্য। আমি প্ৰত্যেকে সংযমপূৰ্ণ আচৰণ কৰিব লাগিব । অৰাজকতা বা অনুশাসনহীনতাৰ বতাহত আমি উৰি যাব নালাগিব । আমাৰ নৈতিক বিচাৰ বিবেচনাৰে আমি দৃঢ়ভাবে থিয় হৈ থাকিব লাগিব । ইয়াৰ কোনো চমু পথ নাই ; দৰাচলতে, ইয়াৰ অন্য পথো নাই ।

দীপাৱলীৰ পোহৰে যেনেদৰে চৌদিশৰ অন্ধকাৰ দূৰ কৰে, ঠিক সেইদৰে আহা আমিও আমাৰ মনৰ বেয়া চিন্তাবোৰ দূৰ কৰি মনবোৰ পোহৰাই তোলো ।

সম্পাদক : বিশ্বম

Visit us at : http://www.chandamama.org

হিৰোজ অফ ইণ্ডিয়া কুইজত যোগদান কৰা আৰু অভূতপূৰ্ব পুৰস্কাৰ লাভ কৰা

হিৰোজ অফ ইণ্ডিয়া - ১৪

ইয়াতে আমাৰ দেশৰ কেইজনমান সমাজ সংস্কাৰকৰ কথা উল্লেখ কৰা হ'ল। তুমি তেওঁলোকৰ বিষয়ে জানানে?

আটাইবোৰ শুদ্ধ উত্তৰ দিওতাৰ ভিতৰত তিনিজনক বাইচাইকেল পুৰস্কাৰ দিয়া হব। *

1. সতীদাহ প্ৰথা বন্ধ কৰাৰ কাৰণে ১৮৩০ চনত মই ইংলেণ্ডত এক প্ৰস্তাৱ উত্থাপন কৰিছিলো। কলিকতাত মই প্ৰথম ইণ্ডিয়ান চায়েন্স ইনষ্টিটিউট স্থাপন কৰিছিলো। মই কোন কোৱাচোন?

2. 'মানুহৰ বাবে এক জাতি, এক ধৰ্ম, এক ভগবান'ৰ কথা মই প্ৰচাৰ কৰিছিলো। মই কেৰালাত এটা মন্দিৰ নিৰ্মাণ কৰি সকলোৰে কাৰণে খুলি দিছিলো। মোৰ নাম কি?

3. ১৮৮২ চনত মই গো সুৰক্ষা সমিতি গঠন কৰিছিলো। মই মূৰ্ত্তিপূজা আৰু পশু বলি প্ৰথাৰ বিৰোধিতা কৰিছিলো। তুমি মোৰ নাম জানানে?

4. মই অসাক্ষৰতাৰ বিৰুদ্ধে আৰু দুখীয়া আৰু মহিলাসকলৰ উন্নয়নৰ কাৰণে যুঁজিছিলো। মোক ভাৰতীয় সংবিধানৰ ৰূপকাৰ বুলি কোৱা হয়। মোৰ নাম কি কোৱাচোন?

5. মই কুষ্ঠ ৰোগীৰ কাৰণে আৰু অন্যান্য প্ৰতিবন্ধী মানুহৰ কাৰণে গাঁৱত আনন্দন চিকিৎসালয় পাতিছিলো। ১৯৯৯ চনত মোক গান্ধী শান্তি বঁটাৰে পুৰস্কৃত কৰা হৈছিল। মই কোন বাৰু?

প্ৰতিটো প্ৰশ্নৰ তলত থকা খালী ঠাইত স্পষ্টকৈ উত্তৰ লিখিবা। এই পাঁচজনৰ ভিতৰত তোমাৰ ভাল লগা হিৰো কোনজন আৰু কিয় ভাল লাগে? মোৰ ভাল লগা জাতীয় হিৰো হ'ল ... এই বিষয়ে ১০টা শব্দ লিখা।

....

....

প্ৰতিযোগীৰ নাম...

বয়স.............................. শ্ৰেণী.............................

ঠিকনা...

পিন.............................. ফোন.............................

প্ৰতিযোগীৰ চহী...

দেউতাক/মাকৰ চহী..

এই পৃষ্ঠাটো ফালি তলৰ ঠিকনালৈ পঠাবা

Heroes of India Quiz - 14
Chandamama India limited
No 82, Defence Officers Colony
Ekkatuthangal, Chennai-600097.

২০০২ চনৰ ৫ ডিচেম্বৰৰ আগতে পোৱাকৈ উত্তৰ পঠাবা

নিয়মাৱলী:

১.এই প্ৰতিযোগিতা ৮-১৪ বছৰ বয়সৰ শিশুৰ বাবেহে।
২.সকলো ভাষাৰ প্ৰতিযোগীৰ ভিতৰৰ পৰা ৩ জন বিজয়ী প্ৰতিযোগী বাচনি কৰা হব। বিজয়ী প্ৰতিযোগীয়ে উপযুক্ত চাইজৰ বাইচাইকেল পাব। যদি শুদ্ধ উত্তৰ দিয়া প্ৰতিযোগীৰ সংখ্যা বেচি হয়, তেতিয়াহলে মোৰ ভাল লগা হিৰোৰ বৰ্ণনাৰ ওপৰত নিৰ্ভৰ কৰি বিজয়ী প্ৰতিযোগী বাচনি কৰা হব।
৩.বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত।
৪.এই সম্পৰ্কে কোনো চিঠি পত্ৰ আদান প্ৰদান কৰা নহব।
৫.সকলো বিজয়ী প্ৰতিযোগীকে ডাকযোগে জনোৱা হব।

তোমালৈ পুৰস্কাৰ আনিছে

HERO CYCLES

পদব্ৰজে তীৰ্থযাত্ৰা

তুমি কেতিয়াবা পদব্ৰজে তীৰ্থযাত্ৰাত গৈছানে ? যদি গৈছা, সম্ভবতঃ মহাৰাষ্ট্ৰৰ ভৰকৰিচত যোগদান কৰিব পাৰিবা । তেওঁলোক পান্ধাৰপুৰৰ প্ৰধান দেৱত ভিট্টালৰ ভক্ত । তেওঁলোকৰ বাৰ্ষিক তীৰ্থযাত্ৰাক কোৱা হয় পান্ধাৰপুৰ যাত্ৰা, যিটো যোৱা ৭০০ বছৰ ধৰি চলি আহিছে । এই যাত্ৰা আৰম্ভ হয় ইন্দ্ৰানী নদীৰ পাৰৰ অলিন্দিৰ পৰা আৰু এইটো চলে চন্দ্ৰভাগা নদীৰ পাৰত থকা পান্ধাৰপুৰ মন্দিৰলৈ । এই যাত্ৰাত তীৰ্থযাত্ৰী সকলে তেওঁলোকৰ গন্তব্য স্থান পাবলৈ এমাহ সময় লাগে । যাত্ৰাৰ পথটোক কোৱা হয় 'মহামাৰ্গ'। এই তীৰ্থযাত্ৰা সাধাৰণতে আহাৰ মাহত কৰা হয় ।

দলবান্ধি খোজকাঢ়ি যোৱা তীৰ্থযাত্ৰীসকলক দিন্দিচ বুলি কোৱা হয় । তেওঁলোকে বাটত ভজন গাই গৈ থাকে । মহিলা তীৰ্থযাত্ৰীসকলে তুলসীৰ পাতেৰে সৈতে চাৰিকোণীয়া পিতলৰ পাত্ৰ এটা মূৰত লৈ গৈ থাকে । তেওঁলোকৰ বস্তুবাহিনী থকা ট্ৰাকবোৰ তেওঁলোকৰ লগে লগে গৈ থাকে । এই পথচোৱাৰ দাঁতিত বাসকৰা মানুহবোৰে তীৰ্থযাত্ৰীসকলক বিভিন্ন ধৰণে সহায় কৰে ।

নিশা মাছধৰা

নিকোবৰ দ্বীপপুঞ্জৰ জনজাতিবোৰে বিভিন্ন পদ্ধতিৰে মাছ ধৰে । এক আচৰিত পদ্ধতি হ'ল ৰাতি মাছ ধৰা । ভাটাৰ সময়ত সাগৰৰ পানীবোৰ বহুদূৰলৈ নামি যায় । তেতিয়া পানীৰ তলত থকা কোৰাল বালিৰ চৰবোৰ ওলাই পৰে । সেইসময়ত সৰু সৰু মাছবোৰ বালিৰ চৰত অথবা তৰাং পানীত থাকি যায় । তেতিয়া স্থানীয় জনজাতিবোৰে টৰ্চ অথবা জোঁৰ লৈ আহি সেই মাছবোৰ ধৰে । পুৰুষ, মহিলা আৰু সৰু ল'ৰা ছোৱালী সকলোৱে নিশাৰ এই মাছধৰা কাৰ্য্যত যোগ দিয়ে ।

পিছাৱৰম

ইয়াৰ পিছৰ বাৰ তুমি তামিলনাডু ভ্ৰমণলৈ আহিলে তোমাৰ ভ্ৰমণসূচীত পিছাৱৰম নামটো অন্তৰ্ভূক্ত কৰিবা। বিভিন্ন পৰ্যটন প্ৰাচুৰ্যৰে ভৰা এইখন এখন ধুনীয়া ঠাই।

পছাৱৰম অৰণ্যত অতি দুৰ্লভ প্ৰজাতিৰ মেংগ্ৰোভ দেখিবলৈ পোৱা যায়। মেংগ্ৰোভ লতাবোৰ স্থায়ীভাৱে পানীৰ মাজত শিপামেলি আছে। পিছাৱৰমৰ মেংগ্ৰোভবোৰক বিশ্বৰ ভিতৰতে স্বাস্থ্যকৰ মেংগ্ৰোভ বুলি কোৱা হয়। ২,৮০০ একৰৰ অৰণ্য অঞ্চলত কেচীয়াকৈ থকাস্থিৰ জলভাগে বহুতো দ্বীপৰ সৃষ্টি কৰিছে। বালিৰ এক প্ৰতিবন্ধকতাই অৰণ্যখনক সাগৰৰ পৰা পৃথক কৰি ৰাখিছে, যাৰ কাৰণে ঠাইখন দেখিবলৈ আৰু বেছি সুন্দৰ দেখি। স্থিৰজল অঞ্চল ভেল্লাৰ আৰু কোলেৰুণৰ দ্বাৰা আন্তঃসংযোজিত হোৱা কাৰণে ৰোয়িং, কেয়াকিং, কেনোয়িং আদি জলক্ৰিড়াৰ বাবে অতি সুবিধাজনক ঠাই।

পানীৰে ভৰা এক ব্যপক অঞ্চল সেউজীয়া গছ-গছনিৰে আবৃত হৈ থকা কাৰণে প্ৰকৃতি প্ৰেমীৰ কাৰণে ইয়াক স্বৰ্গ বুলিব পাৰি। এভিচেনিয়া আৰু বিজোফোৰাৰ নিচিনা দুৰ্লভ প্ৰজাতিৰ উদ্ভিদ ইয়াত পোৱা যায়।

পিছৰবম ভ্ৰমণ কৰিবলৈ আহিলে কেমেৰা আৰু বাইনোকুলাৰ আনিবলৈ নাপাহৰিবা। চৰাই-চিৰিকতি চোৱাৰ কাৰণে এইখন অতি উত্তম ঠাই। ইয়াত বিভিন্ন প্ৰজাতিৰ চৰাই, যেনে-ওৱাটাৰস্নিপ, এৰগেট, পেলিকান, বগলী, খন্তীয়া বগলী, পানী কাউৰী, সাৰেং আদি চৰাই দেখিবলৈ পোৱা যায়।

তামিলনাডু পৰ্যটন বিভাগে পৰ্যটকৰ কাৰণে ইয়াত নৌকা বিহাৰৰ ব্যৱস্থা ৰাখিছে।

তালৈ-তুমি কেনেকৈ যাবা

পিছৰৰম, নটৰাজ নৃত্যৰ স্থান চিদাম্বৰমৰ পৰা ১৬ কি. মি. দূৰত অৱস্থিত। চেন্নাই, মাদুৰাই আৰু টিৰুচিৰ পৰা চিদাম্বৰমলৈ ভাল ৰেল যোগাযোগ ব্যৱস্থা আছে। প্ৰধান চহৰবোৰৰ পৰা ইয়ালৈ পথ যোগাযোগৰ ব্যৱস্থাও আছে। টিৰুচি ইয়াৰ নিচেই ওচৰৰ বিমান বন্দৰ। তামিলনাডু পৰ্যটন উন্নয়ন নিগমে পৰ্যটক সকলৰ কাৰণে ইয়াত থকা খোৱাৰ ব্যৱস্থা ৰাখিছে। ইয়াৰ পৰা বাছ, টেক্সি, অটোৰিক্সাও চলে।



মায়া সৰোবৰ

8

(জয়শীল আৰু সিদ্ধসাধকে পানীৰ সোঁতৰ পৰা কোনোমতে নিজকে ৰক্ষা কৰিলে। গছৰ ডালত ওলমি থকা এটা বাওনাকো তেওঁলোকে বচালে। সেই সময়তে ভেড়াৰ ৰথত উঠি বাওনাসকলৰ ৰাণী আহি তাত উপস্থিত হ'ল। ৰাণীয়ে তেওঁলোকৰ শত্ৰুসকলৰ বিষয়ে জয়শীলহঁতৰ আগত কৈ আছিল। এনেতে এক ভয়ঙ্কৰ জন্তুয়ে তেওঁলোকৰ ফালে এটা ডাঙৰ শিল দলিয়াই দিলে।)

- ইয়াৰ পাছত-

জয়শীল আৰু সিদ্ধসাধকে আচৰিত হৈ সেই ভয়ঙ্কৰ জন্তুটোৰ ফালে চালে। লগতে দেখিবলৈ পালে সেই জন্তুটোৰ ওচৰত এক বিশাল আকৃতিৰ মানুহ থিয় হৈ আছে। জয়শীলে অনুমান কৰিলে ইয়াৰ আগতে তেওঁ সেই মানুহজনক কৰবাত দেখিছে। এনেতে ভয়ঙ্কৰ জন্তুটোৱে দলিয়াই দিয়া শিলটো আহি তেওঁ থিয়হৈ থকা ঠাইৰ অলপ দূৰত পৰিল।

ভেড়াৰ বাহনত উঠি অহা বাওনাসকলে ভয়তে থৰথৰকৈ কঁপিবলৈ ধৰিলে। বাওনাৰ ৰাণীয়ে জয়শীল আৰু সিদ্ধসাধকক কলে, "মহোদয়, যিজন বলিষ্ঠ ব্যক্তিয়ে এই জন্তুটোক পোহনীয়া কৰি লৈছে, যোৱা দহ-পোন্ধৰ দিনৰ পৰা সি ক্ৰোধিত হৈ আছে। সিহঁতবোৰ আমাতকৈ নীচ জাতৰ। কিন্তু সিহঁতে আমাক গোলাম কৰি ৰাখিব বিচাৰে। এই জন্তুটোৰ সহায়ত সিহঁতে



কলে, "তোমালোকৰ মানুহবোৰে চিকাৰ কৰাৰ কাৰণে যি বাণ ব্যৱহাৰ কৰে তাৰে এপাত বাণ তৎক্ষণাত লৈ অহাৰ ব্যৱস্থা কৰা।"

জয়শীলে যেতিয়াই বাণৰ কথা উলিয়ালে বাওনাসকলৰ সেনাপতিয়ে ভয় খাই গ'ল আৰু ৰাণীৰ ফালে চাবলৈ ধৰিলে।

সেনাপতিয়ে ৰাণীক কলে, "মহাৰাণী, আমাৰ প্ৰথা অনুসাৰে আমি বাণবোৰ স্পৰ্শ কৰিব নোৱাৰো। সেইবোৰ আমি ব্যৱহাৰ কৰিব নোৱাৰো। কিন্তু হাবিৰ মাজত মই যি ধনু-বাণ পাইছো, সেইবোৰ মই ঘৰত ভালদৰে ৰাখি থৈছো।"

বাওনাৰ ৰাণীয়ে অসন্তুষ্ট হৈ কিবা কব বিচাৰিছিল, কিন্তু জয়শীলে তেওঁক শান্ত হবলৈ দি কলে, "ৰাণী, সেই বাণ যদি তৎক্ষণাত লৈ অহাৰ ব্যৱস্থা কৰিব পাৰা তেনেহলে সেই নৰবানৰৰ হিংসাৰ কবলৰ পৰা তোমালোকক মুক্ত কৰিব পাৰো। তাৰ পাছত যেতিয়া তাৰ সৈতে মোৰ সন্মুখা-সন্মুখী যুদ্ধ হব, ইয়াৰ কাৰণে আৱশ্যকীয় বাণ মই নিজেই তৈয়াৰ কৰি লম।

ৰাণীয়ে সেনাপতিৰ ফালে দৃষ্টি দিয়াৰ লগে লগে সেনাপতিয়ে নিজৰ ঘৰত ৰখা বাণ আনিবলৈ তৎক্ষণাত ওলাই গ'ল।

এনেতে নৰবানৰ জন্তুটোৱে আৰু এটা শিল দাঙি ললে। তাৰ কঁকালত বান্ধি ৰখা শিকলিডাল যিজন মানুহে ধৰি আছিল সি জোৰেৰে চিঞৰিবলৈ ধৰিলে আৰু তৰোৱালৰ আগৰে নৰবানৰৰ পিঠিত খুচিবলৈ ধৰিলে।

তাৰ চিঞৰ শুনি জয়শীলে এটা সুহুৰি

আমাৰ ওপৰতে যিকোনো সময়তে আক্ৰমণ কৰিব পাৰে।"

ৰাণীৰ অসহায় অৱস্থা দেখি জয়শীল আৰু সিদ্ধসাধকৰ তেওঁৰ প্ৰতি দয়া উপজিল। তেওঁলোকে বুজিব পাৰিলে এই বাওনাসকল অত্যন্ত সাহসী, কিন্তু ভয়ঙ্কৰ জন্তুটোৰ কাৰণে ভয়তে কঁপি থাকে।

যিজন মানুহ জন্তুটোৰ পিছত আছিল সি তৰোৱালৰ আগটোৰে জন্তুটোক খুচি দি কিবা আদেশ দিলে। জন্তুটোৱে জঁপমাৰি গৈ ওচৰতে থকা এটা ডাঙৰ শিল দাঙি লবলৈ চেষ্টা কৰিবলৈ ধৰিলে। "সাধক, সি আকৌ আমাৰ ফালে শিল দলিয়াব যেন লাগিছে। কিন্তু সেই মূৰ্খটোৱে নাজানে যে দিনত এনেদৰে শিল দলিয়ালে অতি সহজে নিজক ৰক্ষা কৰিব পাৰি।"

তাৰপাছত তেওঁ বাওনাসকলৰ ৰাণীক

মাৰি কলে, "সিদ্ধসাধক, এতিয়াহে মই জনিব পাৰিছো সেইজন কোন মানুহ। সেইজন আমাৰ অমৰাৱতী নগৰৰে মানুহ। ইয়াৰ কাৰণেই মই মোৰ দেশ ত্যাগ কৰিব লগা হৈছে। বহুদিন আগতে সি আমাৰ ৰজা ৰুদ্ৰসেনৰ অশ্বাৰোহী বাহিনীৰ চৰ্দাৰ আছিল। ইয়াৰ নাম হ'ল কৃপাণজিত।"

এনেতে বাওনাৰ সেনাপতিয়ে বাণ লৈ আহিল। তেওঁ বাণবোৰ জয়শীলৰ সম্মুখত ৰাখিলে। জয়শীলে সেইবোৰ পৰীক্ষা কৰি চালে। বাণবোৰ খুব মজবুত আছিল। তাত প্ৰায় এশ বাণ আছিল।

সিদ্ধসাধকেও বাণবোৰ হাতত লৈ পৰীক্ষা কৰি চালে আৰু সন্তুষ্ট হৈ কলে, "জয়শীল, তুমি কৃপাণজিৎ আৰু নৰবানৰক অস্ত্ৰেৰে চিকাৰ কৰিব খুজিছা নেকি?"

জয়শীলে হাঁহি মাৰি কলে, "সাধক, আমি সিহঁতক বহুত দূৰত আছো। ইয়াৰ পৰা বাণ মাৰি সিহঁতক বধ কৰাতো ইমান সহজ নহয়। এয়াতো সাধাৰণ বাণ। ব্ৰহ্মাস্ত্ৰ তথা নাগাস্ত্ৰও ইয়াৰ বাবে যথেষ্ট নহয়।"

তেতিয়া বাওনাসকলৰ ৰাণীয়ে সেনাপতিৰ ফালে চালে, যেন তেওঁ জানিব বিচাৰিছে এই বিষয়ত তোমাৰ মতামত কি। ভেড়াৰ ওপৰত বহি থকা সেনাপতিয়ে হাতত থকা যাঠীপাত দাঙি লৈ কলে, "মহাশয়, সেই দুষ্ট দুজনৰ ফালে বাণ নিক্ষেপ কৰক। আপোনাৰ বাণ সিহঁতৰ গাত লাগিলেই সিহঁতে ভয় খাই যাব। তেতিয়া আমি সিহঁতৰ ওপৰত আক্ৰমণ কৰি পাহাৰৰ তললৈকে সিহঁতক খেদি লৈ যাম।

সম্ভৱ হলে সিহঁতৰ গাঁৰলৈ খেদি লৈ গৈ তাত জুই লগাই দিম।

সিদ্ধসাধকেও হাতত থকা শূলপাত তুলি লৈ কলে, "জয়শীল, এয়াই উপযুক্ত সুযোগ। বাণ নিক্ষেপ কৰা। নৰবানৰ-টোৱেও শিকলি চিঙি সেই মানুহজনক ধৰিব বিচাৰিছে।"

জয়শীলে ধনুত বাণ জুৰি লৈ সিহঁতলৈ লক্ষ্য কৰি বাণ এৰিলে। বাণপাত জোৰেৰে গৈ নৰবানৰৰ কঁকালত গৈ লাগিল। লগে লগে সি হাহাকাৰ কৰি উঠিল আৰু এজন বাওনাক ধৰি লৈ পাহাৰৰ তললৈ দলিয়াই দিলে। বাওনাটোৱে শূন্যতে চিঞৰ মাৰি উঠিল। ইয়াকে দেখি সেনাপতিয়ে অনুচৰবোৰক সাৱধান কৰি দিলে। ভেড়াৰ ওপৰত উঠি থকা আৰু স্থূল সৈন্যৰ চিপাহীবোৰে চিঞৰি চিঞৰি যাঠীবোৰ

ওপৰলৈ তুলি লৈ পাহাৰৰ ওপৰলৈ উঠি আহিবলৈ ধৰিলে।

বাওনা সৈনিকবোৰ আৰু তেওঁলোকৰ সেনাপতি পাহাৰৰ ওপৰলৈ উঠি অহা দেখি, সিহঁতৰ সন্মুখীন হবলৈ কৃপাণজিতে তাৰ পক্ষৰ মানুহবোৰক উচতাই দিবলৈ ধৰিলে। তাৰ কাৰ্য্য দেখি জয়শীলে কলে, "সাধক, এতিয়া আমি ৰাণীৰ সৈন্যসকলক সহায় কৰিবই লাগিব । কৃপাণজিতক দেখিছা নে নাই ? সি জঙ্গলী মানুহৰ ভেশ ধৰি আছে । তথাপিতো মই তাক চিনি পাইছো । সিও মোক চিনিব পাৰিছে কিজানি ।"

তেতিয়া সিদ্ধসাধকে বাওনাসকলৰ ৰাণীক কলে, "ৰাণী, তুমি ইয়াতে থকাই উচিত হব । আমি দুয়ো তোমাৰ সৈনিকসকলৰ লগত যাম আৰু তোমাৰ শত্ৰুসকলক নিধন কৰি আহিম ।"

তাৰ পাছত জয়শীল আৰু সিদ্ধসাধকে পাহাৰৰ ওচৰলৈ বেগাই উঠি যাবলৈ ধৰিলে। তেওঁলোকে সেনাপতিক কলে, "সেনাপতি, তোমাৰ সৈন্যবোৰক অলপ ৰবলৈ কোৱা । নহলে নৰবানৰে তোমালোকৰ ওপৰত পুনৰ ডাঙৰ শিল দলিয়াব পাৰে ।"

তেতিয়া সেনাপতিয়ে কলে, "আপুনি সেই ভয়ঙ্কৰ জন্তুটো আৰু তাৰ লগত থকা বলবান ব্যক্তিজনৰ হাতৰ পৰা আমাক ৰক্ষা কৰক । সিহঁতে যাতে আমাৰ কোনো ক্ষতি কৰিব নোৱাৰে তাৰ প্ৰতি দৃষ্টি ৰাখিব । আমি সেই দুষ্ট আৰু তাৰ অনুচৰক যঠীৰে খুচি পাহাৰৰ তললৈ পেলাই দিম ।"

এনেতে নৰবানৰটোৱে এটা ডাঙৰ শিল দাঙি লৈ দলিয়াই দিবলৈ উদ্যত হৈছিল । তেতিয়া সিদ্ধসাধকে খঙেৰে কলে, "ছিঃ, ছিঃ, এই বানৰটোৰ শিল দলিওৱাৰ বাহিৰে একো কাম নাই যেন পাইছো । এই শূলেৰে হানি তাক ক্ষত-বিক্ষত কৰি দিব পাৰো ।" এইবুলি কৈ তেওঁ নৰবানৰটোৰ ফালে বেগাই আগবাঢ়ি গ'ল । জয়শীলে অনুমান কৰিলে সিদ্ধসাধকে এইদৰে আগবাঢ়ি গৈ নিজকে বিপদতহে পেলাব খুজিছে । তেওঁ সাধকক ৰখিবলৈ কলে আৰু বানৰক উদ্দেশ্য কৰি নিজেই বাণ চলালে । বাণপাত লক্ষ্যভ্ৰষ্ট হৈ কৃপাণজিতে ধৰি থকা শিকলিডালত গৈ লাগিল । লগে লগে কৃপাণজিতে শত্ৰুৰ ফালে মূৰ দাঙি চালে আৰু জয়শীলক চিনিব পাৰিলে ।

কৃপাণজিতে দ্বিতীয়জন ব্যক্তি চৰ্দাৰ কোণ্ডাক কলে, "চোৱা, শত্ৰুৰ ওপৰত আক্ৰমণ কৰা সময় এইটো নহয় । আমি

এতিয়াই ইয়াৰ পৰা গুচি যোৱাতো উচিত হব ।” এইবুলি কৈ সি নৰবানৰক পাহাৰৰ তললৈ লৈ যোৱাৰ চেষ্টা কৰিলে ।

চৰ্দাৰ গডেকোণ্ডাই জয়শীল আৰু সিদ্ধসাধকৰ ফালে এবাৰ চাই কলে, “মহোদয়, মই আপোনাৰ আদেশ পালন কৰিম । আপুনি বহুত ডাঙৰ যোদ্ধা আৰু বীৰ । আপুনি আৰু নৰবানৰে যদি ধনুৰ্দ্ধৰী আৰু শূলধাৰীজনক বধ কৰিব পাৰে বৰ ভাল হব । এইটো আপোনাৰ দ্বাৰা সম্ভৱ নহবনে? তেতিয়াহলে আমি সকলোৱে দুষ্ট ৰাণীৰ সকলো সৈন্যকে যাঠীৰে খুচি মাৰিব পাৰিম ।”

তাৰ কথাৰ ওপৰত কৃপাণজিতে কোনো গুৰুত্বই নিদিলে । সি নৰবানৰক ভালদৰে ধৰি জোৰ কৰি পাহাৰৰ তললৈ লৈ যাবলৈ ধৰিলে । তাৰ পাছত কৃপাণজিতে অসন্তুষ্ট হৈ চৰ্দাৰ গডেকোণ্ডাক কলে, “তুমি মোক শেন চৰাই বুলি ভাবিছা নেকি, যে মই উৰা মাৰি গৈ শত্ৰুৰ ওপৰত জঁপিয়াই পৰিম । সিহঁতক বধ কৰাৰ আৰু এটা উপায় আছে। প্ৰথমতে সকলোৱে গৈ গাঁৱত উপস্থি হোৱাই ভাল হব । মোৰ কথা শুনা ।”

চৰ্দাৰ গডেকোণ্ডাই তৎক্ষণাত তাৰ অনুচৰবোৰক আদেশ দিলে, সকলোৱে যেন গাঁৱত গৈ একলগ হয় । তাৰপাছত সিহঁতে পাহাৰৰ তললৈ নামি যাবলৈ ধৰিলে। শত্ৰুসকল পলাবলৈ ধৰা দেখি বাওনাৰ সেনাপতিৰ আগত জয়শীলে কলে, “সেনাপতি, এইটো তোমালোকৰ বাবে খুব ভাল সুযোগ । সিহঁতক খেদি যোৱা, সিহঁতৰ ওপৰত যাঠী নিক্ষেপ কৰা, পাহাৰৰ ওপৰৰ পৰা ডাঙৰ শিল বগৰাই দি যিমান পাৰা সিমানক বধ কৰা ।”

সেনাপতিয়ে সৈন্যসকলক উদ্দেশ্য কৰি কলে, “হে গডেকাৰাণীৰ বীৰ সৈনিক-সকল, বাঘ আৰু সিংহৰ দৰে শত্ৰুক আক্ৰমণ কৰা। শত্ৰুসকলক যাঠীৰে খুচি বধ কৰা । সেই ভয়ঙ্কৰ জন্তুও পলাবলৈ ধৰিছে। এতিয়া আমি সিহঁতক ভয় কৰাৰ কোনো আৱশ্যক নাই ।

সেনাপতিৰ কথা শুনি সৈন্যবোৰ উৎসাহিত হৈ আগবাঢ়িবলৈ ধৰিলে । কিছুমান শত্ৰু সৈন্যক ধৰি বন্দী কৰিলে । তাৰ পাছত ৰাণীৰ সৈন্যই যাঠীৰে খুচি সিহঁতক তললৈ পেলাই দিলে ।

ইয়াকে দেখি সিদ্ধসাধকেও “জয় মা কালী” বুলি চিঞৰ মাৰি উঠি জয়শীলক কলে, “কি চাই আছা? ব'লা,



বাওনাসকলৰ গাঁৱলৈ যাওঁ । পাহাৰৰ তলত আমি যে দেখিছো, সেইখনেই সিহঁতৰ গাওঁ। তালৈ গৈ কৃপাণজিত, গডেকোঙা আৰু সিহঁতৰ অনুচৰবোৰক এপালি দিওগৈ।”

সিদ্ধসাধকৰ কথা শুনি জয়শীলে হাঁহি মাৰি কলে, “সাধক, আমি সিহঁতক বধ কৰাৰ কোনো প্ৰয়োজন নাই । সিহঁত আমাৰ শত্ৰু নহয় । সম্ভৱ হলে দুয়ো দলৰ মাজত মিত্ৰতা স্থাপন কৰাৰ হে চেষ্টা কৰিম ।”

“কৃপাণজিৎ আমাৰ শত্ৰু । তাক আমি এৰি দিম নেকি ? তাৰ পোহনীয়া জন্তুটোক এৰি দিয়াতো উচিত হবনে ? তাৰ সহায়তে সি সেই অঞ্চলৰ ৰজা হৈছে ।” সিদ্ধসাধকে কলে ।

জয়শীলে ইয়াৰ উত্তৰ দিব খুজিছিল, এনেতে বাওনাৰ সেনাপতি আহি কলে, “মহাশয়, শত্ৰুয়ে তৰানৰা চিঙি পলাই গৈছে। সিহঁতৰ কিছুমান সৈনিকক আমি বধ কৰিছো। এতিয়া আমি কি কৰিম আদেশ দিয়ক ?” তেতিয়া জয়শীলে কলে, “সেনাপতি, এতিয়া কোনো চিঞৰবাখৰ নকৰাকৈ পাহাৰৰ পৰা নামি ৰাণীৰ ওচৰলৈ যোৱা । আমি দুজনেও অতি সোনকালে তাত গৈ উপস্থিত হম ।”

সেনাপতিয়ে সকলো সৈনিককে ৰাণীৰ ওচৰত গৈ উপস্থিত হবলৈ আদেশ দিলে । জয়শীল আৰু সিদ্ধসাধকক পথ দেখুৱাই লৈ যাবৰ কাৰণে মাথোঁ এজন সৈনিক তাত ৰ'ল। বাকী সৈনিকসকলে আনন্দমনে পাহাৰৰ পৰা নামি আহিবলৈ ধৰিলে ।

সিদ্ধসাধকে কিছু সময় গডেকোঙাৰ গাওঁখনৰ ফালে চাই থাকিল । তাৰ পাছত জয়শীলক কলে, “জয়শীল, এই বাওনাসকলৰ বিবাদৰ মাজত সোমাই আমি ভুল কৰি কৰিছো । এতিয়া আমি কি কৰিম কোৱা ? আমাৰ লক্ষ্য কি ?”

“সাধক, ধৈৰ্য্য ধৰা । আমি জানি-বুজি তো ইয়ালৈ অহা নাই । এই সকলোবোৰৰে মূল হ'ল ঘঁৰিয়ালৰ ৰূপ ধাৰণকাৰী সেই মকৰকেতু । আমি আহিছিলো কনকাক্ষ ৰজাৰ হেৰোৱা পুত্ৰ-কন্যাক উদ্ধাৰ কৰি লৈ যাবলৈ । ইয়ালৈ আহি এই অৰণ্যবাসীসকলৰ কাজিয়াৰ মাজত সোমাই পৰিলো । এই কথাতো মোৰো আচৰিত লাগিছে । সি যিয়েই নহওক, ইয়াৰ পৰা যোৱাৰ আগতে আমি কৃপাণজিতক বধ কৰিব লাগিব ।” জয়শীলে কলে ।

“যদি মহাকালীৰ কৃপা হয় তেনেহলে

তাৰ লগে লগে সেই নৰবানৰকো বধ কৰি তাৰ ছাল কাঢ়িম । এনে এক বিচিত্ৰ জন্তুৰ ছালৰ ওপৰত বহি যদি ধ্যান কৰিব পাৰো, তেনেহলে এই জন্মত নহলেও অহা জনমত শ্ৰেষ্ঠ যোগী হব পাৰিম । এতিয়া বলা, খুব ভোক লাগিছে । বাওনাৰ ৰাণীৰ ঘৰলৈকে যাওঁ ।" তাৰ পাছত তেওঁলোক দুয়ো যাবলৈকে ওলাল ।

জয়শীল আৰু সিদ্ধসাধকে পাহাৰৰ ওপৰত যেতিয়া এইবোৰ কথা কৈ আছিল, সেই সময়ত গছৰ পিছফালে গডেকোণ্ডা আৰু কৃপাণজিতৰ মাজত কিবা তৰ্ক লাগিছিল । তাৰপাছত ইজনে সিজনক গালি দিছিল । দুয়ো ইজনে সিজনক দোষাৰোপ কৰিছিল যে তোমাৰ কাৰণেহে এইবোৰ হ'ল।

চৰ্দাৰ গডেকোণ্ডাই কৃপাণজিতক নিন্দা কৰি কলে, "আপুনি দেখাতহে হৃষ্ট-পুষ্ট, বিশাল আকাৰৰ কিন্তু অকণমানো সাহস নাই। আপুনি কাপুৰুষ । শত্ৰুৰ ভয়ত আপুনিহে মোতকৈ আগতে পলাইছে । যি নৰবানৰৰ শক্তিক আপুনি প্ৰশংসা কৰি পাৰ পোৱা নাছিল, সেই পোহনীয়া নৰবানৰে আপোনাক মাৰিব বিচাৰিছিল ।"

গডেকোণ্ডাৰ কথা শুনি কৃপাণজিতে দাঁত কৰচি কলে, "হেই অন্ধ কোণ্ডা, মই শত্ৰুৰ ভয়ত পলোৱা নাই । আমাৰ কাৰণে সময়তো ঠিক নাছিল, সেয়েহে গুচি আহিছিলো । মোৰ ওপৰত বাণ নিক্ষেপ কৰা জয়শীল নামৰ সেই ঘোৰ শত্ৰুটোক যদি কালিলৈ সূৰ্য্যোদয়ৰ আগতে মাৰিব নোৱাৰো, তেনেহলে মোৰ নাম কৃপাণজিত নহয় । এতিয়া আহো নৰবানৰৰ কথালৈ । বান্দৰৰ দৰে মোৰ কথাই কথাই তাক নচুৱাইহে এৰিম । চোৱা, ইয়াৰ প্ৰমাণ ।" তাৰ পিছত কৃপাণজিতে গডেকোণ্ডাক দেখুৱাই নৰবানৰক কিবা কলে ।

লগে লগে নৰবানৰে গডেকোণ্ডাক থাপমাৰি ধৰি উঠাই ললে আৰু জোৰেৰে চিঞৰিবলৈ ধৰিলে । নিজৰ গৰাকীৰ জীৱন বিপদাপন্ন হোৱা দেখি, গডেকোণ্ডাৰ অনুচৰসকলে জয়ধ্বনি দি যঠীবোৰ দাঙিলৈ নৰবানৰ আৰু কৃপাণজিতৰ ফালে আগবাঢ়ি যাবলৈ ধৰিলে । **(আগলৈ)**



সন্তোষৰ ৰহস্য

শিৱই কৃষ্ণগিৰিৰ জমিদাৰৰ অধীনত কাম কৰে । তেওঁৰ মুখত সদায় হাঁহি লাগিয়েথাকে। তেওঁ সদা সন্তুষ্ট । সেই জমিদাৰৰ অধীনত কাম কৰা অন্য কৰ্মচাৰীবোৰে ভাবি নাপায়, শিৱৰ চাকৰিটোও সৰু দৰমহাও কম পায়, তথাপি ইমান সুচাৰুৰূপে তেওঁ ঘৰ কেনেকৈ চলায় । তেওঁৰ লগতে কাম কৰা মাধৱে শিৱক দেখি আচৰিত হয় । শিৱতকৈ তেওঁৰ চাকৰিও ডাঙৰ, টকাও বেচি পায় তথাপি মাহৰ শেষত ধাৰ লব লগা হয় ।

এদিন জিৰণীৰ সময়ত মাধৱে শিৱক ইয়াৰ কাৰণ সুধিলে । শিৱই হাঁহি মাৰি কলে, "এইটো তেনেই সহজ । মই যি দৰমহা পাওঁ তাৰে চাৰিভাগ কৰো । তাৰে এভাগেৰে ধাৰ মাৰো, এভাগ নিজৰ কাৰণে ৰাখো, এভাগ পূণ্য কামত খৰছ কৰো আৰু চতুৰ্থ ভাগ ধাৰলৈ দিওঁ ।"

তুমি ইমান কম দৰমহা পোৱা । তথাপি ধাৰলৈ দিয়া এয়া কেনেকৈ সম্ভৱ । ভালদৰে বুজাই কোৱাছোন । মাধৱে শিৱক সুধিলে ।

তেনেহলে শুনা, "প্ৰথম ভাগেৰে ধাৰ সুজা মানে মোৰ জন্মদাঁতা পিতা-মাতাৰ কাৰণে খৰছ কৰো । দ্বিতীয় ভাগ নিজৰ কাৰণে মানে মোৰ আৰু মোৰ পত্নীৰ বাবে খৰছ কৰো । তৃতীয় ভাগ ভাই-ভণীৰ কাৰণে খৰছ কৰো । এতিয়া থাকিল চতুৰ্থ ভাগ, যিভাগ ধাৰলৈ দিওঁ। সেইভাগ মই ল'ৰা-ছোৱালীৰ পঢ়া-শুনাৰ কাৰণে খৰছ কৰো । কাৰণ সিহঁতে ডাঙৰ মানুহ হৈ আমাক বৃদ্ধ কালত চোৱা চিতা কৰিব। সেয়েহে সিহঁতৰ কাৰণে খৰছ কৰা মানেই ধাৰলৈ দিয়া নহলনে ?" শিৱই কলে ।

মাধৱে এতিয়াহে বুজিব পাৰিলে কম দৰমহা পাইয়ো শিৱই কেনেদৰে মহা আনন্দে থাকে।

- মঞ্জু ভাৰতী



ভুল প্ৰজাৰহে

দৃঢ়প্ৰতিজ্ঞা ৰজা বিক্ৰমাদিত্য পুনৰ গছজোপাৰ ওচৰলৈ গ'ল । গছৰ পৰা মৰাশটো নমাই আনি কান্ধত পেলাই লৈ মৌনভাবে শ্মশানৰ ফালে যাবলৈ ধৰিলে । তেতিয়া শটোৰ ভিতৰত থকা বেতালে মাত লগালে, "ৰাজন, মই ইমান বুজোৱাৰ পিছতো সেই একেটা কামতে লাগি আছা । মই সুধিব বিচাৰিছো, কেতিয়াবা বাৰু কৃতকাৰ্য্য হৈছানে ? এই পৰিশ্ৰমৰ দ্বাৰা কিবা লাভ হৈছেনে ? তোমাৰ জেদ দিনে দিনে বাঢ়িহে গৈছে । ৰাজ্যৰ শাসন কাৰ্য্য এৰি ইয়াতে ব্যৰ্থ চেষ্টা কৰি সময় কটাইছা । এইটো স্বীকাৰ কৰো যে, তুমি অদ্ভূত সাহসী আৰু তোমাৰ অসীম সহ্য শক্তি আছে, পিছে কি লাভ । ইয়াৰ পৰা তুমি কি পাবা ? তুমি যিহৰ কাৰণে ইমান কঠোৰ পৰিশ্ৰম কৰিছা তাৰনো উদ্দেশ্য কি মই সেইটো বুজিব পৰা নাই ।

F-3 Assame



বহুদিন আগতে বিক্ৰম সিংহ নামৰ এজন ৰজা আছিল । তেওঁ নিজৰ ৰাজ্যভাৰ কোনো দক্ষ শাসকৰ হাতত অৰ্পণ কৰিব বিচাৰিছিল । পিছে তেওঁ তাত বিফল হৈছিল । মোৰ অনুমান হয় তুমিও তেওঁৰ দৰে অসফল হব । পথৰ ভাগৰ দূৰ কৰিবলৈ তুমি বিক্ৰম সিংহৰ কাহিনী শুনি গৈ থাকা ।" ইয়াৰ পিছত বেতালে কাহিনী কবলৈ আৰম্ভ কৰিলে ।

বিশালদেশত বিক্ৰম সিংহ নামৰ এজন ৰজা আছিল । তেওঁৰ কোনো সন্তান-সন্ততি নাছিল। নিজৰ প্ৰজাবোৰক তেওঁ সন্তান বুলি ভাবিছিল । তেওঁ যে সন্তানহীন এই কথা তেওঁৰ মনলৈ নাহিছিল । কিন্তু প্ৰজাসকলৰ মনত এই লৈ চিন্তা হৈছিল, বিক্ৰম সিংহৰ পিছত কোন ৰজা হব আৰু সেই ৰজাজন বা কেনেকুৱা হয় । এদিন কেইজনমান গণ্যমান্য নাগৰিকে ৰজাক লগ ধৰি কলে, "মহাৰাজ, আপুনি এজন যোগ্য ল'ৰাক তোলনীয়া ৰাজকুমাৰ কৰি লওক আৰু এতিয়াৰ পৰাই উপযুক্ত শিক্ষা দিয়ক । তেতিয়াহে সময়ত গৈ আপোনাৰ দৰে এজন উত্তম ৰজা হব পাৰিব।"

এই কথা শুনি ৰজা বিক্ৰম সিংহই ভাবিলে, এই ৰাজ্যৰ ৰজা, মোৰেই সন্তানেই যে হব লাগিব তাৰতো কোনো মানে নাই । কাৰোবাক উপযুক্ত শিক্ষা দিও যোগ্য ৰজা কৰি গঢ়ি তুলিব পাৰি । তেওঁ নিজৰ মনৰ কথা ৰাণীৰ আগত কলে । ৰাণীয়েও ৰজাৰ কথাত সমৰ্থন জনালে। তাৰ পাছত দুয়ো আলোচনা কৰি সিদ্ধান্ত কৰিলে যে ইয়াৰ কাৰণে কোনো উপযুক্ত যুৱক এজনক নিৰ্বাচিত কৰিব লাগে । এনে যুৱক বিচাৰি ৰাজ্যত ঘোষণা পত্ৰ জাৰি কৰা হ'ল । ঘোষণা মতে ৰাজধানীত বহুতো যুৱক আহি উপস্থিত হ'ল । ৰজাই নিজে তেওঁলোকৰ পৰীক্ষা ললে । অৱশেষত সুশীল আৰু কুশল নামৰ দুজন যুৱকক নিৰ্বাচিত কৰা হ'ল ।

দুয়োৰে মাজত এজনকহে নিৰ্বাচিত কৰিব লাগে । এইটো কাম ৰজাৰ বাবে খুবেই কঠিন। তেতিয়া ৰজাই দুয়োকে কলে, "তোমালোক দুয়ো সকলো বিষয়তে সমান । কিন্তু তোমালোকৰ ভিতৰত কোনোবা এজনেহে মাথোঁ এই বিশাল সাম্ৰাজ্যৰ ৰজা হব পাৰিবা । ৰজা হোৱাতো তেনেই সাধাৰণ কথা নহয় । ৰজা ভগবানৰ সমান । তোমালোক দুয়ো সকলো বিদ্যাতে পাৰ্গত । মানৱৰ দ্বাৰা সম্ভব সকলো বিদ্যাই তোমালোকে শিকিছা । এতিয়া দৈৱশক্তি প্ৰাপ্ত বিদ্যা শিকি আহাগৈ । এবছৰৰ পিছত তোমালোক দুয়োৰে ভিতৰত যিজনেই ভগবানৰ কৃপা অধিক লাভ কৰিব পাৰিবা তেওঁকেই এই ৰাজ্যৰ ৰজা পতা হব । এতিয়া তোমালোক যাব

পাৰা ।" সুশীল আৰু কুশলে ওচৰতে থকা অৰণ্যলৈ গৈ গভীৰ তপস্যাত মগ্ন হ'ল । এবছৰ পূৰ্ণ হোৱাৰ আগতে ভগবানে সুশীলক দেখা দি কি বৰ লাগে খুজিবলৈ কলে ।

"মোৰ দেশত যাতে প্ৰজাই সুখেৰে বাস কৰিব পাৰে তাকে বৰ দিয়ক," সুশীলে কলে।

ভগবানে সুপ্ৰসন্ন হৈ কলে, "বাচা, তোমাৰ মেধা শক্তি অদ্ভুত হব । সেই শক্তিৰ বলতে তুমি সকলো সমস্যাই সমাধান কৰিব পাৰিবা । প্ৰকৃতিয়ে ঋতু ধৰ্ম পালন কৰে । যিকোনো ধৰণৰ ৰোগ ভাল কৰিব পৰা বৈদ্য তোমাৰ ৰাজ্যত থাকিব । তুমি আগতে ৰজা হব লাগিব । তেতিয়াহে মোৰ বৰ ফলৱতী হব ।"

তাৰপাছত ভগবানে কুশলৰ আগত দেখা দিলে । তেতিয়া কুশলে কলে, "প্ৰভু, মোৰ প্ৰজাই যেন মোৰ কঠোৰ শাসন মানি চলে । যিয়ে মোৰ বিৰোধিতা কৰে তাক পৰাস্ত কৰিব পৰা শক্তি মোক দিয়ক । যিয়ে মোক বিশ্বাস কৰে, সি যেন সদায় আনন্দতে থাকিব পাৰে ।"

"তথাস্তু ! কিন্তু মই দিয়া বৰ তেতিয়াহে ফলৱতী হব, যেতিয়া তুমি ৰজা হবা । মোৰ এই বৰ তোমাৰ তথা তোমাৰ দেশৰ ভিতৰতহে সীমিত থাকিব ।" এইবুলি কৈ ভগবান অদৃশ্য হৈ গ'ল ।

সুশীল আৰু কুশলে ৰাজধানীলৈ উলতি আহি ৰজা বিক্ৰম সিংহক দেখা কৰিলে । তেওঁলোক দুয়ো কি দৈৱশক্তি লাভ কৰিলে তাৰে কথা কলে। গোটেই কথা শুনাৰ পিছত ৰজাই কলে, "যিকোনো দেশৰ ৰজাই প্ৰজাক নিজৰ সন্তান হিচাবে পালন কৰিব লাগে । শত্ৰুক পৰাস্ত কৰিব পৰা শক্তি ৰজাৰ থাকিব লাগে । কিন্তু তোমালোক দুয়োৰে আধা আধা লক্ষণহে



সুশীল এজন ভাল ল'ৰা, কিন্তু কুশল ভাল নহয়। নিজৰ বিচাৰ বুদ্ধিমতে তেওঁলোকে বৰ খুজিছিল। তেওঁলোকৰ তপস্যাত সন্তুষ্ট হৈ মই তেওঁলোকক বৰ দিছো।"

তেতিয়া বিক্ৰম সিংহই সুধিলে, "হে প্ৰভু, সাধু ব্যক্তিৰ ইচ্ছা পূৰণ কৰাতো খুব ভাল কথা, কিন্তু দুষ্ট কুশলৰ ইচ্ছা কিয় পূৰণ কৰিলে ?"

"মোৰ কাৰণে তেওঁৰ ভক্তি আৰু নিষ্ঠাই প্ৰধান, তেওঁৰ ভাল-বেয়াৰ লগত মোৰ কোনো সম্পৰ্ক নাই। তেওঁলোকৰ ভিতৰত কোন ৰজা হব, সেই বিচাৰ প্ৰজাৰ ওপৰত এৰি দিয়া। তেওঁলোকেহে এই সমস্যা সমাধান কৰিব পাৰিব। প্ৰজাৰ মাজতো ভাল আৰু বেয়া লোক আছে। তোমাৰ বিশাল দেশখন দুভাগ কৰি দিয়া। তাৰে এভাগৰ ৰজা সুশীলক পাতা আৰু আনভাগৰ ৰজা কুশলক পাতা। প্ৰজাসকলে যাকে ভাল পায় ইচ্ছা অনুসৰি তেওঁৰ ৰাজ্যত থাকিব। এতিয়া তোমাৰ সমস্যাৰ সমাধান হ'লনে ? এতিয়া আহো প্ৰজাৰ কথালৈ। তেওঁলোকে জানি বুজিয়ে ৰজা পাতিছে। তেওঁলোকে নিজৰ সিদ্ধান্তৰ ফল ভোগ কৰিব। এতিয়া চিন্তা মুক্ত হৈ যোৱা।"

বিক্ৰম সিংহই ভাবিলে এনে কোননো মানুহ আছে যিয়ে বেয়া মানুহ এজনক নিজৰ ৰজা পাতিব। ভগবানৰ উপদেশ মতে বিক্ৰম সিংহ ৰাজধানীলৈ উলতি আহি সুশীল আৰু কুশলক ৰজা হিচাবে ঘোষণা কৰিলে। বেচিভাগ প্ৰজাই সুশীলৰ অধিনলৈ আহিল, কম সংখ্যকহে কুশলৰ অধিনত থাকিল। জনসংখ্যা অনুসাৰে ৰাজ্যৰ ডাঙৰ ভাগটো সুশীলে পালে আৰু কুশলে পালে সৰু ভাগটো।

কাহিনী শেষ হোৱাৰ পাছত বেতালে ৰজাক

আছো। তোমালোকৰ ভিতৰত এজনেহে ৰজা হব পাৰিবা আৰু আনজন সেনাপতি হব লাগিব। কিন্তু এই দৈৱশক্তি তেতিয়াহে কামত আহিব যেতিয়া তুমি ৰজা হবা। তোমালোক দুয়োৱে শক্তি একেলগে যে দেশৰ কামত লাগিব সেইটোও হব নোৱাৰে। গতিকে তোমালোকে প্ৰজাসকলৰ মাজত মিলি যোৱা। তেওঁলোকৰ মাজত ঘূৰা-ফুৰা কৰা। তোমালোকে প্ৰজাৰ কাৰণে কি কি কৰিব পাৰিবা সেই কথা প্ৰজাসকলক কোৱা। এইদৰে প্ৰজাৰ প্ৰিয়পাত্ৰ হৈ উঠা।"

ৰজাৰ নিৰ্দেশ অনুসাৰে সুশীল আৰু কুশল প্ৰজাসকলৰ মাজলৈ গ'ল। ৰজা বিক্ৰম সিংহয়ো মন্ত্ৰীৰ হাতত ৰাজ্য ভাৰ অৰ্পণ কৰি বনলৈ গুচি গ'ল। তিনিমাহ ধৰি ৰজাই গভীৰ তপস্যাত নিমগ্ন হৈ থাকিল। তেতিয়া ভগবান আহি তেওঁৰ সম্মুখত দেখা দিলে। ভগবানে ৰজাৰ দুখৰ কথা জানিছিল, সেয়েহে তেওঁ ৰজাক কলে, "বাচা,

সুধিলে, "ৰাজন, বিক্ৰম সিংহই যি সিদ্ধান্ত লৈছে, প্ৰধানতঃ তাত মোৰ দুটা সন্দেহ আছে। বিক্ৰম সিংহই প্ৰজাক নিজৰ সন্তান হিচাবে জ্ঞান কৰিছিল। প্ৰজাসকলৰ উপকাৰ সাধনৰ কাৰণে তপস্যা কৰি সুশীলে ভগবানৰ পৰা যি বৰ লাভ কৰিছিল তাৰ আধাৰত তেওঁকহে ৰজা পতা উচিত আছিল । কিন্তু মহাৰাজে সেইটো নকৰিলে। এই ক্ষেত্ৰত ৰজাৰ ব্যৱহাৰ আচৰিত যেন লগা নাইনে ? এতিয়া আহো ভগবানৰ বৰদানৰ কথালৈ । বৰ লাভ কৰিবলৈ হলে লাগিব নিষ্ঠাপূৰ্ণ তপস্যা, গুণৰ কোনো আৱশ্যক নাই। ভগবানৰ এই কথাটো বাৰু সঁচা নে ? মোৰ এই প্ৰশ্নৰ উত্তৰ জানিও যদি তুমি মনে মনে থাকা তেনেহলে তোমাৰ মূৰটো টুকুৰা-টুকুৰ হৈ যাব।"

তেতিয়া ৰজা বিক্ৰমে কলে, "যিকোনো দেশৰ প্ৰজাই সুখ শান্তিৰে ভৰা পৰিৱেশত বাস কৰিবলৈ বিচাৰে । ৰজাৰ লক্ষ্য হোৱা উচিত প্ৰজাৰ সেৱা কৰা । তাৰোপৰি দেশৰ শত্ৰুক নাশ কৰাৰ শক্তিও ৰজাৰ মাজত থকা উচিত। সুশীল আৰু কুশলৰ মাজত এই গুণ আধা আধা আছে। যদি সুশীলক ৰজা পতা যায় তেতিয়াহলে কুশলে ৰজা হব নোৱাৰাৰ খঙতে দুৰ্বুদ্ধিৰ বশ হৈ সুশীলক হত্যা কৰিব পাৰে । সেয়েহে ৰজাই ভগবানৰ পৰামৰ্শ মতে কাম কৰিছে । এতিয়া আহো বৰ দিয়াৰ কথালৈ । ভগবানে এই বিষয়ে যি কৈছে সেয়া আখৰে আখৰে সঁচা। দুষ্টলোকে যিমানেই কঠোৰ নিয়মৰ মাজত থাকি তপস্যা নকৰক কিয়, তাৰ ফল তেওঁ বেয়া কাৰ্য্যতে ব্যৱহাৰ কৰে ? যিকোনো পৰিস্থিতিতে তেওঁ ইয়াৰ সৎ ব্যৱহাৰ নকৰে। দুষ্ট স্বভাৱৰ লোকে বেয়া বৰহে বিচাৰে । শেষত ইয়েই তেওঁৰ সৰ্বনাশ মাতি আনে। পুৰাণতো ইয়াকেই সত্য বুলি কৈছে। এনে দুষ্ট লোকৰ পৰা প্ৰজাক ৰক্ষা কৰা সেই দেশৰ শাসকৰ হে কৰ্ত্তব্য । সেই কাৰণে ভগবানে বিক্ৰম সিংহক পৰামৰ্শ দিছে যে তেওঁ যেন ইয়াৰ সিদ্ধান্ত প্ৰজাৰ ওপৰত এৰি দিয়ে । অধিক সংখ্যক ভাল প্ৰজাই সুশীলক তেওঁলোকৰ ৰজা হিচাবে নিৰ্বাচিত কৰিলে আৰু কম সংখ্যক বেয়া প্ৰজাই কুশলক তেওঁলোকৰ ৰজা হিচাবে পছন্দ কৰিলে । মানুহৰ স্বভাৱত ভাল বেয়া দুয়োটাই আছে । সেই অনুসাৰেই সুখ-দুখ লাভ কৰে । ভগবান প্ৰদত্ত বৰ কঠোৰ নহয়। সেয়া সদায় ন্যায়সম্মত ।"

ৰজাৰ মৌনতা ভঙ্গ কৰাত সফল হৈ বেতালে শটোৰে সৈতে অদৃশ্য হৈ গ'ল আৰু গছৰ ডালত গৈ ওলমি থাকিল।

সুচিত্ৰাৰ ৰচনাৰ আধাৰত

যেতিয়া দেৱতাসকল বুঢ়া হৈছিল

দুৰ্বাসা এজন খঙাল মুনি হিচাবে সকলোৰে মাজত পৰিচিত । কাৰোবাৰ ওপৰত তেওঁৰ খং উঠিলে বা কিবা কথাত বিৰক্ত হলে লগে লগে তেওঁ অভিশাপ দিছিল। তপস্বী হিসাবে তেওঁৰ ইমানেই শক্তি আছিল যে সেই শাপ অথলে নগৈছিল, মুনিয়ে নিজেও আনকি সেই শাপ ৰহিত কৰিব নোৱাৰিছিল । অৱশ্যে তেওঁ ইয়াক পৰিবৰ্তন কৰিব পাৰিছিল অথবা ইয়াৰ প্ৰভাৱ কিছু কমাব পাৰিছিল । মন কৰিব লগীয়া কথা হ'ল কেতিয়াবা সেই শাপেই শেষত বৰ হৈছিল গৈ ।

সকলো দেৱ-দেৱীকে যদিও আমি ভগবান বুলি কও সকলো দেৱতা কিন্তু সমান শক্তিৰ নহয় । বিষ্ণু, শিৱ আৰু ব্ৰহ্মা হল প্ৰধান দেৱতা । বিষ্ণুৰ আকৌ বহুতো অৱতাৰ আছে, যেনে- ৰাম আৰু কৃষ্ণ । কিছুমান দেৱতা আছে যিসকল সুখী, শক্তিশালী আৰু দয়ালু । বিষ্ণু আৰু তেওঁৰ অৱতাৰবোৰৰ বাহিৰে মানুহৰ সৈতে বিশেষ সম্পৰ্ক নাছিল, যদিও আৱশ্যক অনুসাৰে তেওঁলোকে মানুহক সহায় কৰি আহিছে ! যুগ যুগ ধৰি দেৱতাসকলে দৈত্যসকলৰ লগত যুঁজ কৰি আহিছে, যিসকল দেৱতা আৰু মানৱ উভয়ৰে কাল বৈৰী । ইন্দ্ৰ হল দেৱতাসকলৰ ৰজা । দেৱতাসকল কেতিয়াও নমৰে আৰু বুঢ়া নহয় ।

এবাৰ দুৰ্বাসা মুনিয়ে দেৱতাৰ ৰাজ্যত ভ্ৰমণ কৰিছিল । সেই ৰাজ্যৰ যুৱতী কন্যাবোৰে মুনিক আদৰ সাদৰকৈ মাতি নি আদৰ অভ্যৰ্থনা জনাই মুনিক এডাল আচৰিত ফুলৰ মালা উপহাৰ দিছিল । মালডাল দেখাত

সুন্দৰ আৰু সুগন্ধী আছিল ।

মুনিৰ মালাধাৰ খুব ভাল লাগিছিল যদিও এজন তপস্বী হিচাবে তেওঁ এইবোৰ বস্তুৰ প্ৰতি মোহিত হব বিচৰা নাছিল । যেতিয়া তেওঁ দেৱৰাজ ইন্দ্ৰৰ ৰাজসভাত উপস্থিত হৈছিল তেওঁ সেই মালাধাৰ ৰজাক উপহাৰ দিছিল । ইন্দ্ৰও খুব আনন্দিত হৈছিল ।

কিছুসময় পিছত মুনি মৰ্ত্তলৈ যাবলৈ সাজু হোৱাত দেৱৰাজ ইন্দ্ৰই গৈ তেওঁক দুৱাৰ মুখলৈ আগবঢ়াই থৈ আহিছিল । মুনিৰ প্ৰস্থানৰ পিছত ইন্দ্ৰই তেওঁৰ বাহন ঐৰাৱতৰ ওচৰলৈ গ'ল । হঠাতে ৰজাৰ মনত খেলালে, যদি এইডাল ঐৰাৱতক পিন্ধাই দিয়া হয়, তেতিয়াহলে ঐৰাৱতক দেখিবলৈ বৰ ধুনীয়া লাগিব । ইয়াকে ভাবি তেওঁ ঐৰাৱতক মালাডাল পিন্ধাই দিলে । সঁচাকৈ ঐৰাৱতক দেখিবলৈ ধুনীয়া লাগিল । ইন্দ্ৰই ঐৰাৱতৰ ৰূপৰ প্ৰশংসা কৰি পুনৰ ৰাজসভালৈ গ'ল ।

কিন্তু মালাধাৰৰ ফুলৰ সুগন্ধত আকৃষ্ট হৈ এজাক মৌ আহি মালাধাৰত পাৰিছিল । ঐৰাৱতে মৌবোৰৰ ওপৰত বিৰক্ত হৈ মালাধাৰ টুকুৰা-টুকুৰকৈ চিঙি পেলাইছিল, যাতে মৌবোৰৰ পৰা মুক্ত হব পাৰে ।

দুৰ্ভাগ্যবসতঃ কোনোবাই গৈ এই কথাটো দুৰ্বাসাৰ আগত ভুলকৈ লগাইছিল । তেওঁক কোৱা হৈছিল, তেওঁ ৰজাক দিয়া উপহাৰ ৰজাই তুচ্ছ বুলি জ্ঞান কৰি তেওঁৰ বাহন ঐৰাৱতক পিন্ধাই দিছিল আৰু হাতীটোৱেও ইয়াক খেলাৰ বস্তুৰ নিচিনাকৈ চিঙি টুকুৰা-টুকুৰকৈ পেলাই দিছিল । এই কথাত মুনিয়ে অপমান বোধ কৰিছিল ।

'দুৰাত্মা দেৱতাসকল ! তোমালোকে চিৰযৌৱনা হৈ থকা কাৰণে তোমালোকৰ ইমান অহঙ্কাৰ নহয়নে ? ঠিক আছে, আজিৰ

পৰা তোমালোকৰ এই গুণ নোহোৱা হব । মৰ্ত্তৰ মানুহৰ দৰে তোমালোকো বুঢ়া হবা !' ৰজাৰ ভুলৰ কাৰণে তেওঁ সকলো দেৱতাকে এই শাপ দিছিল ।

দুৰ্বাসাৰ অভিশাপৰ কথা শুনি বাকী মুনিসকলে উচপ খাই উঠি কলে, 'হে মুনিবৰ, এয়া আপুনি কি কৰিলে ?' খঙাল মুনি দুৰ্বাসাই নিজেও অনুভৱ কৰিলে এই শাপৰ দ্বাৰা পৃথিৱীত বিপদ হে হব । যদি মানুহৰ নিচিনাকৈ দেৱতাবোৰ বুঢ়া হয়, তেনেহলে দৈত্যসকলে তেওঁলোকক পৰাস্ত কৰিব, আৰু এবাৰ যদি দৈত্যসকল পৃথিৱীৰ ৰজা হব পাৰে তেতিয়াহলে মানুহৰ সকলো ধৰণৰ উন্নতিতে ব্যাঘাত ঘটিব । দৈত্যসকল হ'ল দাম্ভিক আৰু অত্যাচাৰী । সিহঁতে আধিপত্য পালে মানুহক সত্য পথত আৰু স্বাধীনভাবে থাকিবলৈ নিদিব ।

"দেৱতাসকলে যদি অমৃত খাব পাৰে তেনেহলে তেওঁলোক বুঢ়া নহব আৰু অমৰ হব । এই অমৃত, ক্ষীৰসাগৰ মন্থন কৰিলে ওলাব ।" মুনিসকলৰ আগত দুৰ্বাসাই কলে।

মুনিৰ শাপৰ কাৰণে যিসকল দেৱতা হতাশ হৈ পৰিছিল তেওঁলোকে এক আশাৰ ৰেঙনি দেখিবলৈ পালে । কিন্তু এতিয়া ক্ষীৰসাগৰ কেনেকৈ মন্থন কৰা যায় ! এই কামটো অকল দেৱতাসকলৰ দ্বাৰাতো সম্ভব নহব । ইয়াৰ বাবে দৈত্যসকলৰো সহযোগিতা লাগিব । দেৱতাসকলে গৈ দৈত্যসকলক এই কথা কোৱাত অমৃতৰ ভাগ পোৱাৰ আশাত সাগৰ মন্থনত অংশ গ্ৰহণ কৰিবলৈ সন্মত হ'ল। সেইটো অন্য এক কাহিনী ।

ঐৰাৱতে মুনিয়ে দিয়া মালাধাৰ চিঙি পেলোৱা কাৰণে দেৱতাসকলে শাপভ্ৰষ্ট হব লগা হৈছিল । এই কথাত ঐৰাৱতে অত্যন্ত লজ্জিত আৰু দুঃখিত হৈ দেৱতাসকলৰ আগত মুখ নেদেখুৱাও বুলি ক্ষীৰ সাগৰৰ তলিত গৈ লুকাই আছিল ।

কিন্তু সাগৰ মন্থনৰ সময়ত অন্যান্য বস্তুৰ লগতে ঐৰাৱতো সাগৰৰ তলিৰ পৰা উঠি আহিছিল । যিহেতু ইমান দিনে ক্ষীৰ সাগৰৰ তলিত আছিল সেয়েহে এইবাৰ ঐৰাৱতক দেখিবলৈ বগা দেখা হৈছিল । আৰু আগৰ নিচিনাকৈ ঐৰাৱত ইন্দ্ৰৰ বাহন হৈছিল ।

- বিন্দুসাৰ

পৃথিৱীখনেই এখন মঞ্চ

পি. পৱন কুমাৰ,
বেল্লেৰী

অৰ্চনা জগতাপ,
সঙ্গলী

সভাগৃহত মানুহবোৰ নিস্তব্ধ হৈ বহি আছিল। মৰুতনাডুৰ ৰজা মহেন্দ্ৰবৰ্মন, তেওঁৰ পুত্ৰ বিজয়াদিত্যন আৰু মন্ত্ৰী মতিৱনন সেই সভাত উপস্থিত আছিল। এই সভা আহ্বানৰ উদ্দেশ্য আছিল, ৰজা মহেন্দ্ৰবৰ্মনে তেওঁৰ পুত্ৰ, ৰাজকুমাৰ বিজয়াদিত্যনক তেওঁৰ ৰাজ্যৰ কাৰ্য্যভাৰ অৰ্পণ কৰিব। কিন্তু ৰাজকুমাৰে তেওঁৰ পিতৃৰ অনুৰোধ মানি লবলৈ অস্বীকাৰ কৰিছিল।

"তুমি কিয় এই ৰাজ্যৰ ৰজা হবলৈ নোখোজা?" মহেন্দ্ৰবৰ্মনে পুতেকক সুধিছিল।

তেতিয়া ৰাজকুমাৰে নিৰ্ভীকভাৱে উত্তৰ দি কৈছিল, "পিতা, মই ৰাজনীতিৰ মেৰপাকৰ মাজত সোমাব নিবিচাৰো। মই এজন বিখ্যাত অভিনেতা হব বিচাৰো।"

ৰজাই আৰু কোনো কথা নকলে। "তুমি তোমাৰ কৰ্ত্তব্য ত্যাগ কৰিব নোৱাৰা। ৰাজ্য শাসন কৰা ক্ষত্ৰিয়সকলৰ কৰ্ত্তব্য। মই এই কথা ভাবি আচৰিত হৈছো তুমি কিয় অভিনয়ৰ প্ৰতি ইমান আগ্ৰহী হৈছা।" মন্ত্ৰীয়ে কৈছিল।

"আঃ! অভিনয়ে মানুহক এক মধুৰ কাল্পনিক ৰাজ্যলৈ লৈ যায়। মোৰ অভিনয়ৰ দ্বাৰা মানুহক আনন্দদান কৰাতোৱে মোৰ জীৱনৰ একমাত্ৰ লক্ষ্য। 'কলামঙ্গল আৰ্ট গেলেৰী'য়ে পৰিচালনা কৰা নাট্য কৰ্মশালাত মই যোগদান কৰাৰ কথা ভাবিছো। গতিকে মোৰ ভ্ৰাতৃ জয়ন্তনকে ৰাজ্যৰ শাসন ভাৰ অৰ্পণ নকৰে কিয়?" বিজয়াদিত্যনে মন্ত্ৰীক কৈছিল।

পুতেকৰ কথা শুনি মহেন্দ্ৰবৰ্মাই ক্ৰোধান্বিত হৈ উঠিছিল। "মূৰ্খ কৰবাৰ! ৰাজ্য শাসন কৰিবলৈ তোমাক উপযুক্ত শিক্ষা দিয়া হৈছে।



অভিনয় কৰি সময় কটাবলৈ তুমি লাজ পোৱা নাইনে?"

মন্ত্ৰী মতিৱননে ৰজাক শান্ত হবলৈ অনুৰোধ কৰি কৈছিল, "মহাৰাজ,

ৰাজকুমাৰক এই বিষয়ে চিন্তা কৰিবলৈ কিছুদিন সময় দিয়া উচিত হব নেকি ?" ৰজাই মন্ত্ৰীৰ কথাত মান্তি হৈছিল ।

দুদিন পিছত তিনিওজনে সভাকক্ষত আকৌ লগ হৈছিল । ৰাজকুমাৰ তেওঁৰ মতত অলৰ আছিল । তেতিয়া মন্ত্ৰীয়ে কৈছিল, "ৰাজকুমাৰ বিজয়াদিত্যন, মহাৰাজে তোমাক নাট্য কৰ্মশালাত অংশগ্ৰহণ কৰাৰ কাৰণে অনুমতি দিবলৈ সন্মত হৈছে । ইয়াৰ পৰিবৰ্তে তোমাৰ পৰা তেখেতে এক অনুগ্ৰহ আশা কৰিছে ।"

এই কথা শুনি ৰাজকুমাৰ আনন্দত আত্মহাৰা হৈ উঠি কৈছিল যে তেওঁৰ পিতাকে যিহকে কয় তাকে কৰিবলৈ তেওঁ সম্মত আছে। তেতিয়া ৰজাই কৈছিল, "বাছা, কিছুদিনৰ কাৰণে তুমি কোত্তায়ুৰ প্ৰদেশৰ শাসনভাৰ গ্ৰহণ কৰাতো মই বিচাৰো ।"

ৰাজকুমাৰে এই কথাত সন্মত হৈ কোত্তায়ুৰ প্ৰদেশলৈ ৰাত্তনা হ'ল । পিছদিনা যেতিয়া তেওঁ ৰাজসভালৈ যাবলৈ সাজু হৈছিল সেই সময়তে এজন সৈনিকে আহি তেওঁক এখন চিঠি দি গৈছিল।

সেই চিঠিখন তেওঁৰ পিতাকে দিছিল আৰু তাত লিখা আছিল ৰাণীক সাপে কামুৰিছে । ৰাজকুমাৰে মনত বৰ দুখ অনুভৱ কৰিছিল, কিন্তু সেয়া কেইমুহূৰ্ত্তমানৰ কাৰণহে । এনেতে এজন বিষয়াই আহি ৰাজকুমাৰক খবৰ দিছিল যে কোত্তায়ুৰৰ সভাসদ সকলে ৰাজকুমাৰৰ কাৰণে অপেক্ষা কৰি আছে ।

ৰাজকুমাৰে হাঁহি মুখে গৈ ৰাজসভাত উপস্থিত হৈছিল । তেওঁ এনে ভাব দেখুৱাইছিল যেন সকলো ঠিকেই চলিছে । তেওঁ ৰাজ্যখনৰ বিভিন্ন সমস্যা সম্পৰ্কে আলোচনা কৰি গোটেই দিনটো কটাইছিল ।

পিছদিনা ৰাতিপুৱা বিজয়াদিত্যনে ৰাজউদ্যানত প্ৰাতঃভ্ৰমণ কৰি আছিল । এনেতে এজন বিষয়াই এখন নথি লৈ আহি তাত ৰাজকুমাৰৰ চহী বিচাৰিছিল । "ৰাজ্যৰ বিভিন্ন ঠাইত পুখুৰী খান্দিবলৈ ১০,০০০ স্বৰ্ণমুদ্ৰা ব্যায় কৰিবলৈ অনুমোদন জনাব লাগে ।" বিষয়াজনে আহি কৈছিল ।

"এই টকাৰে কিমান পুখুৰী খন্দাব পাৰিবা?" ৰাজকুমাৰে সুধিছিল ।

"ৰাজকুমাৰ ! চিন্তা নকৰিব । আমি নিয়মিতভাৱে আপোনাৰ দেউতাকক কৰ সোধাই আছো । এইখিনি টকাৰে আমি পাঁচটা পুখুৰী খন্দাব পাৰিম" বিষয়াজনে তৎক্ষণাত উত্তৰ দিছিল।

বিজয়াদিত্যনে উঠি অহা খংটো দমাই ৰাখি কৈছিল, "যোৱা বছৰ তোমালোকে ১০ লক্ষ

স্বৰ্ণমুদ্ৰা ঋণ লৈছিলা । এই কথাটো পাহৰি গ'লানেকি ?" বিষয়াজন নিমাত হৈ গ'ল ।

সেইদিনা ৰাতি বিজয়াদিত্যনে পিতাকৰ পৰা আৰু এখন চিঠি পাইছিল । তাত লিখা আছিল, ৰাণী এতিয়া বিপদমুক্ত আৰু সাপে কামোৰা বিষৰ পৰা লাহে লাহে সুস্থ হৈ উঠিবলৈ ধৰিছে। এই খবৰ পাই বিজয়াদিত্যনৰ মনটো ভাল লাগিছিল । তেওঁ শুবলৈ গ'ল । কিন্তু বিপদ সঙ্কেত বাজি উঠাত তেওঁ সাৰ পাই উঠিল । ওচৰৰ অৰণ্যৰ পৰা ডকাইত আহি চহৰ সোমাইছে । সিহঁতে টৰ্চ লৈ আহি মানুহবোৰক লুট-পাত কৰিবলৈ ধৰিছে বুলি ৰাজকুমাৰে খবৰ পালে ।

"এই পূৰ্ণিমাৰ নিশা, ডকাইতে টৰ্চলৈ ডকাইতি কৰিবলৈ আহিছে! নিশ্চই সিহঁত মূৰ্খ ডকাইত ।" ৰাজকুমাৰে কৈছিল । এঘন্টাৰ ভিতৰতে তেওঁ ডকাইতবোৰক ধৰি জেলত ভৰাই থৈছিল ।

পিছদিনা ৰাতিপুৱা বিজয়াদিত্যনে ৰজাৰ পৰা আৰু এখন চিঠি পাইছিল। তাত তেওঁক অতি সোনকালে মৰুতনাডুলৈ আহিবলৈ কোৱা হৈছিল।

মন্ত্ৰীয়ে বিজয়াদিত্যনৰ কাৰণেই অপেক্ষা কৰি আছিল । "ৰাজকুমাৰ, কলামঙ্গল আৰ্ট গেলেৰীলৈ যোৱাৰ কাৰণে তোমাৰ সকলো ব্যৱস্থা কৰা হৈছে ।" মন্ত্ৰীয়ে কৈছিল ।

ধন্যবাদ, মন্ত্ৰী মহাশয় । মই কোত্তায়ুৰত গৈ উপস্থিত হোৱাৰ লগে লগেই ৰজাৰ পোছাক পিন্ধিছিলো । মই কোনো সংলাপ, মেক-আপ, আখৰা আনকি এখন মঞ্চ নোহোৱাকৈয়ে সেই ভাৰত ভালদৰে অভিনয় কৰিবলৈ সক্ষম হৈছো। এতিয়াহে মই উপলব্ধি কৰিব পাৰিছো প্ৰতিজন মানুহেই, বিশেষকৈ ৰজাসকলে জীৱনৰ প্ৰতিটো মুহূৰ্ত্তে কিয় এখন মুখা পিন্ধি থাকে । মই ভাবো বাস্তৱ জীৱনৰ দৈনন্দিন অভিনয়ে মোৰ জীৱনৰ ইচ্ছা পূৰণ কৰিব পাৰিব ।

অভিনয়ৰ কাৰণে এতিয়া মোৰ প্ৰশিক্ষণৰ কোনো আৱশ্যক নাই । এখন মঞ্চতকৈ মোৰ পিতৃৰ ৰাজসভাখনেই পাৰদৰ্শিতা দেখুৱাৰ কাৰণে প্ৰকৃত ঠাই । পিতাৰ ইচ্ছা অনুসৰি মই দেশৰ শাসনভাৰ লবলৈ সাজু আছো ।" বিজয়াদিত্যনে কৈছিল ।

ৰজা মহেন্দ্ৰবৰ্মাই ওচৰৰ কোঠাৰ পৰা পুতেকৰ কথাবোৰ শুনি আছিল । ৰাজকুমাৰৰ মনৰ পৰিবৰ্তন হোৱা কাৰণে তেওঁৰ মনটো ভাল লাগিছিল । তেওঁ পুতেকক সাবতি ধৰি কৈছিল, "এসপ্তাহৰ ভিতৰতে তোমাৰ ৰাজ্যাভিষেক পতা হব ।"

ৰজা আৰু মন্ত্ৰীয়ে ৰাজকুমাৰে গম নোপোৱাকৈ এক তৃপ্তিৰ হাঁহি মাৰিছিল।

মাটিয়ে আকৌ কেনেকৈ হাঁহিলে

সোমনাথ বাৰিক,
জয়পুৰ

বিক্ৰমপুৰৰ ৰজা বিক্ৰমভানুৱে জীৱনৰ বেচিভাগ সময় হাঁহি-ধেমালি কৰিয়ে কটাই দিছিল। প্ৰজাসকলৰ অৱস্থা আৰু তেওঁলোকৰ সমস্যাৰ বিষয়ে ৰজাই একোকে নেজানিছিল।

এদিনাখন ৰজাই কেনেবাকৈ জানিব পাৰিলে যে তেওঁৰ ৰাজ্যৰ বহুতো প্ৰজা খাবলৈ নাপাই মৃত্যু মুখত পৰিছে। "খাদ্যবোৰ কি হ'ল ?" ৰজাই মন্ত্ৰীক সুধিলে।

"মহাৰাজ, আজি বহুদিন ধৰি আমাৰ ৰাজ্যত বৰষুণ হোৱা নাই, সেয়েহে কোনো শস্য উৎপাদন হোৱা নাই। সেই কাৰণে ৰাজ্যত অনাতন হৈছে।" মন্ত্ৰীয়ে ৰজাক কলে।

"কিন্তু মেঘবোৰৰ কি হ'ল ? কিয় বৰষুণ হোৱা নাই ? কি উপায়েৰে আমি বৰষুণ অনাব পাৰিম ?" ৰজাই সুধিলে। কিন্তু মন্ত্ৰীয়ে কোনো উত্তৰ দিব নোৱাৰিলে।

"ৰাজ্যত ঘোষণা কৰি দিয়ক যে, যিয়ে এই সমস্যা সমাধানৰ উপাই দিব পাৰিব আৰু বৰষুণ কেনেকৈ অনাব পাৰি সেই বিষয়ে কব পাৰিব তেওঁক এশ স্বৰ্ণমুদ্ৰা দিয়া হব।" ৰজাই কলে।

ৰজাৰ আদেশ মতে ৰাজ্যত ঘোষণা কৰি দিয়া হ'ল। কিন্তু কোনেনো কব কেনেকৈ বৰষুণ আহে ?

ৰামু নামৰ এজন খেতিয়কৰ এখন ফলৰ বাগিছা আছিল। তেওঁ খুব যত্ন কৰি এইখন পাতিছিল। তেওঁৰ বাগিছাৰ গছ-গছনিবোৰ ওচৰ কাষৰৰ অন্যান্য গছ-গছনিতকৈ বেচি সেউজীয়া আৰু জীৱন্ত আছিল।

এদিনাখন ৰামুৱে বাগিছাত কাম কৰি থাকোতে এহাল ভাটৌ চৰাই উৰি আহি তেওঁৰ ওচৰৰ ঘাঁহনিত পৰিছিল। চৰাই হালক খুব ভাগৰুৱা আৰু চিন্তিত যেন দেখা গৈছিল। ৰামুৱে চৰাই দুটাৰ ফালে চোৱাত এটা চৰায়ে কলে, "বন্ধু, আমাৰ বৰ পিয়াহ লাগিছে। আমাক তোমাৰ পুখুৰীত পানী খাবলৈ দিবানে ?

"হে কণমানি চৰাই, তোমালোকে যিমান



কিশোৰ কুমাৰ সিং,
ময়ূৰভঞ্জ

ইচ্ছা পানী খাই তৃষ্ণা দূৰ কৰা।" ৰামুৱে কলে। ভাটৌ দুটাই ৰামুক ধন্যবাদ জনাই পুখুৰীৰ পৰা পানী খাই গছৰ ডালত গৈ পৰিল।

"কি আচৰিত, আজি কালি পানীও দুৰ্লভ হৈ পৰিছে!" এটা ভাটৌৱে কলে।

"ইয়াত আচৰিত হব লগা কি আছে? আজি কালি বন জংগল নোহোৱা হৈছে। গাওঁবোৰতো গছ-বিৰিখ নোহোৱা হৈ গৈ আছে। গতিকে মেঘবোৰে কোনো আকৰ্ষণ বোধ নকৰি ওপৰেৰে পাৰ হৈ যায়। মাটিৰ তলতো পানীৰ লেভেল দিনে দিনে নামি গৈ আছে, কাৰণ মাটিৰ ৰসবোৰ ওপৰলৈ টানি আনিবলৈ গছৰ কোনো শিপা নাই।" আনটো ভাটৌৱে মন্তব্য দি কলে।

"সেইটোহে কথা নেকি?" সঙ্গী চৰাইটোৱে সুধিলে। "কথা সেইটোৱে। নহলে এই পৰিশ্ৰমী কৃষকজনৰ পুখুৰীটো কিয় শুকাই যোৱা নাই? কাৰণ, কৃষকজনে পুখুৰীৰ চাৰিওফালে থকা বাগিছাখন অতি যত্নেৰে পাতিছে। ভালদৰে প্ৰতিপালন কৰিছে!"

"তাৰমানে, যেতিয়ালৈ মানুহে গছ কটা বন্ধ নকৰিব আৰু নতুন নতুন গছপুলি ৰোপন নকৰিব তেতিয়ালৈকে এই অনাবৃষ্টিৰ সমস্যাৰ সমাধান নহব!" ভাটৌ চৰাইটোৱে কলে।

"ঠিক কৈছা," আনটো চৰায়ে কলে আৰু তাৰ পাছত দুয়োটা চৰাই তাৰপৰা উৰি গুচি গ'ল।

ৰামুৱে চৰাই দুটাৰ কথা শুনি আছিল। তেওঁ তৎক্ষণাত গৈ ৰজাক লগ ধৰিলে আৰু চৰাই দুটাৰ কথোপকথনৰ কথা ৰজাৰ আগত কলে।

ৰজাই ইয়াৰ প্ৰশংসা কৰিলে আৰু ঘোষণা কৰা মতে ৰজাই ৰামুক পুৰস্কাৰ দিলে। ৰজাই আইন কৰি জধেমধে গছ কটাতো বন্ধ কৰিলে। লগতে তেওঁ প্ৰতিজন প্ৰাপ্তবয়স্ক লোককে প্ৰতিদিন একোডাল গছ ৰোৱাতো বাধ্যতামূলক কৰি দিলে। যিয়ে এই বিধি অমান্য কৰিব তেওঁক উপযুক্ত শাস্তি দিয়া হব।

প্ৰজাসকলেও বুজিব পাৰিলে ৰজাই আচলতে তেওঁলোকৰ মঙ্গলৰ কাৰণেই এই আদেশ জাৰি কৰিছে। তেওঁলোকে আনন্দ চিত্তে এই আদেশ পালন কৰিলে। অতি কম দিনৰ ভিতৰতে অৱস্থাৰ পৰিবৰ্তন হ'ল। ৰাজ্যত ধাৰাসাৰে বৰষুণ হবলৈ ধৰিলে আৰু ৰাজ্যৰ চাৰিওফালে সেউজীয়া শস্যৰে ভৰি পৰিল।



অসন্তোষেই দুখৰ কাৰণ

পি. কবিতা,
মাদুৰাই

অজয় আৰু বিজয় নামৰ দুজন বন্ধু আছিল। সিহঁত দুয়ো একেখন স্কুলতে দ্বাদশ শ্ৰেণীত পঢ়িছিল । স্কুললৈ দুয়ো বন্ধুৱে একেলগে খোজকাঢ়ি গৈছিল । সিহঁতৰ আৰ্থিক অৱস্থা সিমান ভাল নাছিল । মাক দেউতাকে ভাবিছিল ল'ৰাই ভালদৰে পঢ়াশুনা কৰি ভাল চাকৰি কৰিব । তেতিয়াহে ঘৰৰ অৱস্থা কিছু ভাল হব ।

কিন্তু দুয়ো বন্ধুৰে স্বভাৱ বেলেগ বেলেগ আছিল । ঘৰত যিহকে মিলিছিল আজয়ে তাতে সন্তুষ্ট হৈছিল । কিন্তু বিজয়ে কোনো কথাতে



সহজে সন্তুষ্ট নহৈছিল । বিজয়ক ৰুটি খাব দিলে তাৰ লগত তৰকাৰী বিচাৰিছিল । তৰকাৰী দিলে, ৰুটিৰ লগত মাংস বিচাৰিছিল । মুঠতে কোনোমতে সন্তুষ্ট নহৈছিল ।

এদিনাখন স্কুললৈ গৈ থাকোতে বিজয়ে কৈছিল, "অজয়, আমি যদি স্কুললৈ আটোৰে যাওঁ কিমান মজা লাগিব ।"

"কিন্তু আমাৰ ঘৰৰ পৰাতো স্কুল বেচি দূৰত নহয় । গতিকে, অটোৰে যোৱাৰ আৱশ্যাক কি ?" অজয়ে উত্তৰ দিলে ।

"আমি অটোৰে স্কুললৈ গলে আমাৰ বন্ধুবোৰে আমাৰ ফালে ঘূৰি ঘূৰি চাব, তেতিয়া আমাৰ কিমান ভাল লাগিব ।" বিজয় কলে ।

"আমাৰ মা দেউতাৰ অৱস্থাৰ কথা ভাবাচোন । আমি সদায় অটোৰে স্কুললৈ গলে তেওঁলোকে টকা দিব পাৰিবনে ? অজয়ে সুধিলে । কিন্তু বিজয় অজয়ৰ লগত একমত নহল। তেওঁ মাক দেউতাকক কোনোমতে সৈমান কৰাই অটোৰে স্কুললৈ যাবলৈ ললে ।

অজয়ে মন কৰিলে অটোৰে যোৱা ল'ৰাবোৰৰ স্বাভাৱ সিমান ভাল নহয় । তেওঁ বন্ধুক সাৱধান কৰি দি কলে, "বিজয়, অটোৰে যোৱা ল'ৰাবোৰৰ স্বভাৱ ভাল নহয় । সিহঁতৰ সঙ্গ নলবা ।"

"মোৰ ওপৰত তোমাৰ ঈৰ্ষা হৈছে । সেয়েহে তুমি এইদৰে কৈছা ।" বিজয়ে অসন্তুষ্ট হৈ কলে ।

"নহয়, মই সিহঁতক ধুম পান কৰা আৰু মদ্য পান কৰা দেখিছো । সেয়েহে তোমাক সাৱধান কৰি দিছো । দয়া কৰি সিহঁতৰ পৰা দূৰত থাকিবা ।" অজয়ে বুজাই কলে ।

বিজয়ে বন্ধুৰ ওপৰত অসন্তুষ্ট হৈ কলে, "ধুম পান কৰা আৰু মদ খোৱাতো কিনো দোষৰ কাম । এইটোৱেই উপভোগ কৰাৰ সময় । মোক

কিশোৰ কুমাৰ সিং,
ময়ূৰভঞ্জ

জ্ঞান দিবলৈ নাহিবা। গুচি যোৱা।" বিজয়ে খঙেৰে কলে।

বিজয়ে নতুন বন্ধু সকলৰ সঙ্গ সম্পূৰ্ণৰূপে উপভোগ কৰিবলৈ ধৰিলে।

"আজি ৰাতি এটা পাৰ্টি আছে। আহিবলৈ নাপাহৰিবা।" বিজয়ৰ এজন বন্ধুয়ে কৈছিল।

অতি সোনকালে বিজয়ে তেওঁৰ নতুন বন্ধুসকলৰে সৈতে এই গোপন পাৰ্টিবোৰত উপস্থিত হবলৈ ললে। ক্ৰমে সি ড্ৰাগ খবলৈ ধৰিলে।

মাক দেউতাকে তাক স্কুলৰ পঢ়াশুনাৰ কথা সুধিলেই সি ফাকি দিছিল। সি পাহৰি গৈছিল যে তাক লৈ মাক দেউতাকৰ এক ডাঙৰ সপোন আছে। এইদৰে মাক দেউতাকক ঠগাই তাৰ মনত অনুশোচনাও হোৱা নাছিল।

এদিনাখন বিজয় আৰু তাৰ বন্ধুসকলে স্কুলৰ সন্মুখৰ বাছষ্টপত যথাৰীতি থিয় হৈ আছিল। সিহঁতে বাছৰ যাত্ৰীসকলৰ পকেট মাৰিছিল। বাছৰ যাত্ৰীৰ যাবে যি বস্তু পাই সুবিধা বুজি সেইবোৰ লৈ আহিছিল, যাতে সেই টকাৰে ড্ৰাগ কিনিব পাৰে।

সেইদিনাও, সিহঁতে এজনী বুঢ়ীৰ মানি বেগৰ পৰা টকা লৈ গৈছিল। সিহঁতকেইজনে বুঢ়ীক এইদৰে চাৰিওফালৰ পৰা আগুৰি ধৰাত বুঢ়ীয়ে ভয় খাই বাছৰ পৰা জাঁপ মাৰি দিয়াত-মাটিত পাৰি গৈ বুঢ়ী আহত হৈছিল।

পৰিস্থিতি দেখি বিজয় আৰু তাৰ সঙ্গীসকল তাৰ পৰা দৌৰি পলাই গৈছিল। বাটৰুৱাবোৰে সিহঁতক খেদি গৈ ধৰি আনি ধুম পিটন দিছিল। বিজয়ৰ মাক দেউতাকে পুতেকৰ কাণ্ড-কাৰখানৰ কথা শুনি মনত বৰ বেজাৰ পাইছিল।

অজয়ে এই কথা শুনি তাৰ বন্ধুৰ ওচৰলৈ দৌৰি গৈছিল। অজয়ক দেখি বিজয়ে কান্দোনত ভাগি পৰিছিল। "মই তোমাৰ কথা নুশুনিলো। এতিয়া মই এজন চোৰ, বদমাছ আৰু ড্ৰাগ-সেৱনকাৰী। মোৰ এতিয়া কি হব? মোৰ কাৰণে মোৰ মা দেউতাইও লাজ পাব লগা হৈছে। বিজয়ে কান্দি কান্দি কৈছিল।

অজয়ে তাক শান্ত হবলৈ দি কৈছিল, "বিজয়, এতিয়াও তোমাৰ পথ পৰিৱৰ্তনৰ সময় আছে। এতিয়া তুমি তোমাৰ ভুলৰ কথা অনুভৱ কৰিব পাৰিছা। ভাল পথলৈ আহা। মই তোমাৰ মা দেউতাৰাক বুজাই বঢ়াই শান্ত কৰিম।



অসন্তোষ আৰু লোভে তাক কলৈ লৈ গৈছিল বিজয় বুজিব পাৰিছিল। ইয়াৰ পাছত সি যিহকে পায় তাতে সন্তুষ্ট থকাৰ সিদ্ধান্ত কৰিছিল। বিজয় এতিয়া সম্পূৰ্ণ বেলেগ ল'ৰা। কোন তাৰ প্ৰকৃত বন্ধু এতিয়াহে সি উপলব্ধি কৰিব পাৰিলে।

কথমপি ৰক্ষা

অৰুন্ধতী চৰকাৰ,
ক'লকাতা

"পোংগো ! এয়া তই মোৰ গৱেষণাৰ অৱস্থা কি কৰিলি ? দুষ্ট, অঘাইটং কুকুৰ কৰবাৰ! গুচি যা ইয়াৰ পৰা ।" ৰিয়াই চিঞৰি উঠিল । ৰিয়াৰ খং দেখি পোংগো দৌৰি পলাল। "হে হৰি, মোৰ মূল্যবান গৱেষণাৰ অৱস্থা এই হ'ল! পোংগোৱে এই অৱস্থা কৰিলে । এতিয়া মই কি কৰো ? পোংগো তইতো নাজান তই কিমান বেয়া কাম কৰিছ ।" ৰিয়াই কান্দি দিলে ।

ৰিয়াই এক গৱেষণা কাৰ্য্যৰ মধ্য অৱস্থাত উপনিত হৈছিল । তাই কিছুমান ৰাসায়নিক মিশ্ৰণৰ দ্বাৰা মহ, মাখি আৰু অন্যান্য পোক-পৰুৱাৰ ওপৰত পৰীক্ষা-নিৰীক্ষা চলাই আছিল। তাই নিজৰ ঘৰতে এক প্ৰয়োগশলাত এই গৱেষণা কৰিছিল আৰু কোনো লোককে তাত সোমাব নিদিছিল । কিন্তু তাইৰ ককায়েক ৰিজু আৰু তাইৰ পোহনীয়া কুকুৰ পোংগোৱে এই গৱেষণা কাৰ্য্য পণ্ড কৰি দিবলৈ সদায় চেষ্টা কৰি আছিল ।

ৰিয়াই বিজ্ঞান ভাল পাইছিল আৰু এজনী শিশু বিজ্ঞানী আছিল । তাই বিশেষভাবে বিদ্যুতৰ ওপৰত বেচি আগ্ৰহী আছিল ।

বাৰিষা কালত এদিন তাইৰ জন্মদিন পৰিছিল। জন্মদিন উপলক্ষে তাই তাইৰ বন্ধুসকলক নিমন্ত্ৰণ কৰিছিল । ৰিয়াই যেতিয়া বন্ধুসকলৰে সৈতে চিঞৰ-বাখৰ, দৌৰাদৌৰী কৰি আছিল সেই সময় তাইৰ মাকে টি.ভি.ত এখন চিৰিয়েল চাই আছিল। তাৰপাছত সিহঁতে কাৰ্টুনৰ বিষয়ে আলোচনা কৰিবলৈ ধৰিলে । কিছু সময় পাছত কেক কটা হ'ল । সকলোৰে হাতত কেকৰ টুকুৰা আৰু ঠাণ্ডা পানীয়ৰ গিলাচ আছিল । পোংগোৱেও সিহঁতৰ পিছে পিছে ঘূৰি ফুৰিছিল। কাৰোবাৰ হাতৰ পৰা কিবা বস্তু পৰি গলে পোংগোৱে তাকে বুটলি খাইছিল ।

জন্মদিনৰ পাৰ্টি যেতিয়া ধুমধামকৈ চলি আছিল হঠাতে এজাক বতাহ জোৰেৰে বলিছিল।

"আঃ ! কি জোৰে বতাহ বলিছে, বৰষুণ আহিব যেন পাইছো !" ৰীমাই চিঞৰি কলে ।

"তুমি ঠিকেই কৈছা !" ৰিয়াই কলে ।

তাৰ পাছতেই জোৰে বৰষুণ পৰিবলৈ ধৰিলে ।

কে. শ্ৰীৰাম, ৰাজামুন্দ্ৰি

"আমি এতিয়া কেনেকৈ ঘৰলৈ যাম ?" অমৃতাই সুধিলে।

"বৰষুণ যদি বেচি সময় দি থাকে, তেনেহলে ৰাস্তাৰ ওপৰত পানী উঠিব।" ৰীমাই বিষন্ন মনে কলে।

"মাম্মী ! মাম্মী ! টি ভিটো বন্ধ কৰি দিয়া। বৰষুণ দি থাকিলে টি ভি চলোৱা অতি বিপদজনক," ৰিয়াই চিঞৰি কলে।



তাইৰ মাকে তাইৰ কথালৈ মন-কাণেই নিদিলে। হঠাতে জোৰেৰে বিজুলী ঢেৰেকনী হ'ল। ৰিয়াই আকৌ চিঞৰি কলে, "মাম্মী ! কেবল লাইনটো টি ভিৰ পৰা কাটি দিয়া, নহলে ইয়াৰ পৰা দুৰ্ঘটনা হব পাৰে।

মুহূৰ্তৰ ভিতৰতে এক কাণ তাল মৰা শব্দ হ'ল। কোনোবাই জোৰে চিঞৰি উঠিল। সকলোৱে ৰিয়াৰ মাকে টি ভি চাই থকা কোঠাটোলৈ গ'ল। সিহঁতে তাৰ দৃশ্য দেখি হতভম্ব হ'ল। বজ্ৰপাত এই দুৰ্ঘটনাৰ কাৰণ আছিল। ৰিয়াৰ মাক টি ভি-ৰ প্লাগটোত লাগি আছিল। তেওঁ কেবল লাইনটো টিভিৰ পৰা খুলি দিবলৈ চেষ্টা কৰিছিল, সেই সময়তে বজ্ৰপাত হোৱাত তেওঁৰ শৰীৰত বিদ্যুত সঞ্চাৰিত হৈছিল।"

"দেউতা ! মাক স্পৰ্শ নকৰিবা !" ৰিয়াৰ দেউতাকে মাকক সহায় কৰিবলৈ মাকৰ ফালে আগবাঢ়ি যোৱাত ৰিয়াই জোৰেৰে চিঞৰি উঠিছিল। ৰিয়াই এডাল কাঠৰ লাঠি লৈ আহি মাকৰ হাতত জোৰেৰে কোব মাৰি দিছিল। তাইৰ মাকৰ হাতখন প্লাগৰ পৰা এৰা দিয়াত মাক মজিয়াত পৰি গৈছিল। ৰিজুই তৎক্ষণাত পাম্পহাউচৰ ফালে দৌৰি গৈ নৰ ইলেকট্ৰিচিয়ানক মাতি আনিছিল।

ইতিমধ্যে ৰিয়াৰ মাকক বিচনালৈ নি শুৱাই দিয়া হৈছিল। কিছু সময় পিছত তেওঁ অলপ সুস্থ অনুভৱ কৰিছিল।

নৰই আহি প্লাগৰ সংযোগ কাটি দিছিল, যাতে আৰু কোনো অসুবিধা নহয়।

নৰই ৰিয়াৰ প্ৰশংসা কৰি কলে, 'ধন্যবাদ ৰিয়া, তোমাৰ উপস্থিত বুদ্ধিৰ কাৰণে এক ডাঙৰ দুৰ্ঘটনাৰ হাত সাৰিব পৰা গ'ল। নহলে তোমাৰ মায়েৰাৰ মৃত্যু হ'লহেতেন।

"মই জানিছিলো বজ্ৰপাতে টি ভি নষ্ট কৰি দিব পাৰে আৰু টি ভি চাই থকা লোকৰো মৃত্যু হব পাৰে।" ৰিয়াই কলে।

"তুমি ঠিক কথাই কৈছা," নৰই ৰিয়াৰ কথা সমৰ্থন কৰি কলে।

ৰিয়াৰ বিজ্ঞানৰ জ্ঞানৰ কাৰণে সকলোৱে হাত চাপৰি বজাই ৰিয়াক প্ৰশংসা কৰিলে।

যেনে কুকুৰ তেনে টাঙোন

ভি.অপৰ্ণা,
চিকেন্দ্ৰাবাদ

আমিৰচন্দ এজন চহকী জমিদাৰ আছিল। তেওঁ গাঁৱৰ অশিক্ষিত, হোজা আৰু দুখীয়া মানুহবোৰক ঠগাই সিহঁতৰ ধন সম্পত্তি আত্মসাৎ কৰিছিল। তেওঁ মানুহবোৰক প্ৰতাৰণা কৰাৰ সুযোগ বিচাৰি ফুৰিছিল।

এদিনাখন চম্পক নামৰ এজন বুধিয়ক মানুহ সেই গাঁৱাত বাস কৰাৰ উদ্দেশ্যে তালৈ আহিছিল। তেওঁ অলপ খেতিৰ মাটি কিনিব বিচাৰিছিল। তেওঁ আমিৰচন্দক অনুৰোধ কৰি কৈছিল, "আপুনি মোৰ ওচৰত এহালিচা খেতিৰ মাটি বিক্ৰী কৰিবনে?"

আমিৰচন্দে ভাবিছিল, "মানুহজন দেখাত মূৰ্খ যেন দেখি, কিন্তু তাৰ টকা আছে। গাঁৱৰ উত্তৰ ফালে থকা অসাৰুৱা মাটি হালিচাই তাৰ তাত বিক্ৰী কৰা যাওক।"

চম্পকে খেতিৰ মাটি কিনিবলৈ পাই খুব আনন্দ অনুভৱ কৰিছিল। তেওঁ তাত খেতি কৰিবলৈ দেহে-কেহে লাগি গৈছিল। কিছুদিন পিছত চম্পকে বুজিব পাৰিছিল যে আমিৰচন্দে তেওঁক ঠগিছে। তেওঁৰ খুব খং উঠিছিল।

চম্পকে আমিৰচন্দৰ ঘৰলৈ গৈ কৈছিল, "আপুনি মোক প্ৰতাৰণা কৰিছে। এটুকুৰা অসাৰুৱা, খেতি নোহোৱা মাটি মোৰ ওচৰত বিক্ৰী কৰিছে। মোৰ টকা মোক ঘূৰাই দিয়ক।"

কিন্তু আমিৰচন্দে চম্পকৰ কথা শুনিবলৈ অস্বীকাৰ কৰি কৈছিল, "তুমি মাটি টুকুৰা কিনাৰ আগতে ভালদৰে চাই লব লাগিছিল। মই কিয় টকা ঘূৰাই দিম।" চম্পকে বিমৰ্ষ মনে ঘৰলৈ উভতি গৈছিল।

তেওঁ আমিৰচন্দক এক উচিত শিক্ষা দিয়াৰ সিদ্ধান্ত কৰিছিল। চম্পকে জানিব পাৰিছিল আমিৰচন্দে প্ৰতি মাহৰ প্ৰথম মঙ্গলবোৰে তেওঁৰ মাটিবোৰ এবাৰ চাবলৈ যায়। গতিকে পিছৰ মাহৰ প্ৰথম মঙ্গলবাৰে চম্পকে পথাৰলৈ গৈ খুব কঠোৰ পৰিশ্ৰম কৰাৰ ভাও জুৰিছিল। আমিৰচন্দে চম্পকৰ ফালে চাই আচৰিত হৈছিল, এই অসাৰুৱা মাটি খণ্ডত ইমান পৰিশ্ৰম কৰি তেওঁনো কি কৰিব।

ইয়াৰ পিছৰ মাহৰ প্ৰথম সোমবাৰে চম্পকে চহৰলৈ গৈ বহুতো কুঁহিয়াৰ কিনি লৈ আহিছিল। তেওঁ পথাৰলৈ গৈ অসাৰুৱা মাটিতে কিছুমান গাঁত খান্দি কুঁহিয়াৰবোৰ পোনভাবে ৰুই থৈ

বৈশাখী পাল,
উত্তৰ ২৪ পৰগণা

আহিছিল।

পিছদিনা খুব ৰাতিপুৱাতে আৰু কিছুমান কুঁহিয়াৰৰ বোজা লৈ গৈ পথাৰত পেলাই থৈ দিছিল। তেওঁ সেই কুঁহিয়াৰবোৰ যেন তেওঁৰ পথাৰৰ পৰাই কাটিছে এনে ভাও ধৰিছিল। আমিৰচন্দে ঘূৰি ঘূৰি আহি চম্পকৰ মাটিৰ ওচৰ পালে। তেওঁ দেখি আচৰিত হৈছিল যে চম্পকে এই অসাৰুৱা মাটিতে ইমান ডাঙৰ ডাঙৰ কুঁহিয়াৰ উৎপন্ন কৰিছে। মাটিত পৰি থকা কুঁহিয়াৰৰ দ'মবোৰ দেখি তেওঁ চমকখাই উঠিছিল।

চম্পকে আমিৰ চন্দৰ ওচৰলৈ গৈ কৈছিল, "ডাঙৰীয়া, মই আপোনাৰ পৰা কিনা মাটি খণ্ডত এইবাৰ খুব ভাল কুঁহিয়াৰ হৈছে। আগতে আপোনা-ৰেইতো মাটি আছিল, আপুনিও কেইডালমান কুঁহিয়াৰ লৈ যাওঁক।" এইবুলি কৈ চম্পকে আমিৰচন্দক এবোজা কুঁহিয়াৰ দিলে।

আমিৰচন্দে এডাল কুঁহিয়াৰ খাই চাই দেখিলে কুঁহিয়াৰবোৰ বৰ মিঠা। তেওঁৰ লোভৰ কোনো সীমা নাছিল। তেওঁ মাটি টুকুৰা ঘূৰাই পাব বিচাৰিছিল। চম্পকে মাটি টুকুৰা তেওঁৰ ওচৰত পুনৰ বিক্ৰী কৰিব নেকি বুলি আমিৰে চম্পকক সুধিছিল। চম্পকে বিক্ৰী কৰিবলৈ অস্বীকাৰ কৰিছিল।

তেতিয়া আমিৰচন্দে এক আকৰ্ষণীয় প্ৰস্তাৱ আগবঢ়াইছিল, "তুমি যদি মাটি টুকুৰা মোৰ ওচৰত বিক্ৰী কৰা, তুমি যিমান দামত কিনিছিলা মই তাৰ দুগুণ দাম দিম।"

চম্পকে তাতো মান্তি নহৈ কৈছিল, "মই এনে সাৰুৱা মাটি এটুকুৰা কিয় বিক্ৰী কৰিম। এই কিছুদিনৰ পৰা ভাল শস্য উৎপাদন কৰিবলৈ আৰম্ভ কৰিছোহে মাথোঁ।"

তেতিয়া আমিৰ-চন্দে আৰু এখোপ আগবাঢ়ি গৈ কৈছিল যে তেওঁ চম্পকক অকল দুগুণ দামে নিদিয়ে, লগতে তেওঁ এটুকুৰা সাৰুৱা মাটিও চম্পকক বিনামূল্যে দিব। চম্পকে অনিচ্ছুকভাবে সেই প্ৰস্তাৱ গ্ৰহণ কৰিছিল। তেওঁ আনন্দ মনে ঘৰলৈ উভতি আহিছিল। তেওঁ এইবাৰ অনায়াসে লুভীয়া জমিদাৰক ঠগিব পাৰিলে।

আমিৰচন্দে যেতিয়া জানিব পাৰিছিল, তেওঁক প্ৰতাৰণা কৰা হৈছে তেতিয়া তেওঁৰ খুব খং উঠিছিল। কিন্তু তেওঁ অনুভৱ কৰিব পাৰিছিল তেওঁৰ ঔষধেৰেই তেওঁক এপালি দিয়া হৈছে। সেইদিনাৰ পৰা তেওঁ হোজা গাঁৱলীয়া লোকসকলক ঠগিবলৈ এৰি দিছিল।

চফ্‌টিৰ অভিযান

পি.কাৰ্তিকেয়,
বিজয়ৱাড়া

এসময়ত চফ্ টি নামৰ এটা শহা পোৱালীয়ে মাকৰ সৈতে এটা গাঁতত বাস কৰিছিল। এদিন চফটিয়ে হাবিৰ মাজলৈ যোৱাৰ ইচ্ছা প্ৰকাশ কৰিলে। তেতিয়া তাৰ মাকে কৈছিল, “তুমি হাবিৰ মাজলৈ অকলে নাযাবা। তুমি এতিয়া বহুত সৰু হৈ আছা, ডাঙৰ জন্তুবোৰে তোমাক খাই পেলাব।” কিন্তু চফ্ টিয়ে মাকৰ কথা নুশুনিলে।

পিছদিনা ৰাতিপুৱা চফ্‌টিয়ে হাবিৰ মাজলৈ অকলেই গ’ল। অলপ দূৰ যোৱাৰ পাছতে সি এটা আচৰিত শব্দ শুনিবলৈ পালে। সি পিছলৈ ঘূৰি চাই দেখিলে এটা ভালুক তাৰ ফালে আগবাঢ়ি আহি আছে। ভালুকটোক দেখি সি ভয় খাই গ’ল। হঠাতে গছৰ শুকান ডাল এটা তাৰ ভৰিৰ ওচৰতে আহি পৰিল। তেতিয়া তাৰ মনত এটা বুদ্ধি খেলালে। চফ্ টিয়ে সেই ডালটো ভালুকৰ গালৈকে মাৰি পঠালে। সেইটো ভালুকৰ গাত লগাত ভালুকটো পৰি গ’ল আৰু সি উঠাৰ আগতে চফ্‌টিয়ে তাৰপৰা দৌৰি পলাল। সি ঘৰলৈ ঘূৰি যাবলৈ আগবাঢ়িছিল। কিন্তু তাৰ বৰ ভাগৰ লাগিছিল।

চফ্ টিয়ে এজোপো জোপোহা গছ দেখি তাৰ তলত জিৰণি ললে। এটা শিয়ালে গছৰ তলত শহা পোৱালিটো দেখি তাৰ ফালে আগবাঢ়ি আহিবলৈ ধৰিলে। চফ্‌টিয়ে শিয়ালটো দেখা পাই ভিৰাই লৰ মাৰিলে।

চফ্‌টিয়ে দৌৰি যাওঁতে গছৰ ডালত ওলমি থকা এখন মৌবাহ দেখিবলৈ পালে। সি শিলগুটি এটা বুটলি লৈ মৌবাহখনত মাৰি দি দৌৰি পলাল। মৌবাহত শিলটো পৰা কাৰণে মৌবোৰৰ খং উঠিল। এইটো ওচৰতে থকা শিয়ালটোৱে দলিওৱা বুলি ভাবি মৌবোৰে শিয়ালটোক আক্ৰমণ কৰিলে।

বৈশাখী পাল,
উত্তৰ ২৪ পৰগণা

কিছুদূৰ গৈ চফ্টি এডাল গছৰ তলত শুই পৰিল । সি টোপনিৰ পৰা উঠি তাৰ সন্মুখত কিছুমান গাজৰ পৰি থকা দেখিবলৈ পালে । তাৰ খুব ভোক লাগিছিল । সি গাজৰবোৰ খাবলৈ ধৰিলে । সি খাই থাকোতে এটা হাতী পোৱালিয়ে তাৰ ফালে চাই থকা দেখিবলৈ পালে । সি ভয় খাই দৌৰি পলাবলৈ খুজিলে । তেতিয়া হাতী পোৱালিটোৱে তাক ৰবলৈ কলে । "তুমি মোক দেখি ভয় খাব নালাগে । মই তোমাৰ বন্ধু । মই তোমাক তোমাৰ ঘৰলৈ লৈ যাম ।" হাতী পাৱালিটোৱে কলে ।

চফ্টিয়ে আনন্দ মনে হাতীৰ পিঠিত উঠি বহিল। হাতী পোৱালিটোৱে চফটিক তাৰ ঘৰলৈ লৈ গ'ল । চফ্টি নিৰাপদে উভতি অহা কাৰণে তাৰ মাক খুব আনন্দিত হ'ল । চফ্টি আৰু মাকে হাতী পোৱালিটোক ধন্যবাদ জনালে । চফটিয়ে মাকৰ ওচৰত বহি লৈ হাবিত কি কি ঘটিছিল সকলো কথা মাকক কলে । তেতিয়া মাকে কলে, "এইবাৰলৈ তুমি ৰক্ষা পৰিলা, কি প্ৰত্যেকবাৰে তুমি পলাই সাৰিব নোৱাৰিবা ।" "মা, মই সদায় তোমাৰ কথা শুনিম, ডাঙৰ নোহোৱালৈকে মই আৰু হাবিৰ মাজলৈ নাযাওঁ ।" এইবুলি কৈ চফটিয়ে মাকৰ কোলাত শুই পৰিল।

যেতিয়া তেওঁ সৰু আছিল চ্যৱন

সম্ভৱতঃ চ্যৱনেই পৌৰাণিক উপাখ্যানৰ কণিষ্ঠতম নায়ক । পুলমা আছিল ভৃগু মুনিৰ পত্নী । এদিনাখন এজন দৈত্যাই তেওঁক অপহৰণ কৰি নিবলৈ চেষ্টা কৰিছিল । পুলমাই সহায়ৰ কাৰণে চিঞৰি মাতিছিল। কিন্তু তেওঁক সহায় কৰিবলৈ সেই সময়ত তাত কোনো নাছিল । চ্যৱন সেই সময়ত মাকৰ গৰ্ভতে আছিল । দৈত্যটোৱে অহঙ্কাৰ কৰি কৈছিল, "তোমাক সহায় কৰিবলৈ এতিয়া ইয়াত কোনো নাই, কোনে বাৰু মোৰ সন্মুখীন হবলৈ সাহস কৰিব ?"

হঠাতে এক পোহৰৰ চিক্মিকনি হ'ল । মুহূৰ্ত্তৰ কাৰণে দৈত্যটোৱে একো নেদেখা হ'ল । যেতিয়া সি পুনৰ চকুমেলি চাবলৈ সক্ষম হ'ল সি দেখিবলৈ পালে তাৰ সন্মুখত এজন বালক থিয় হৈ আছে । সেই বালকজনেই আছিল পুলমাৰ পুত্ৰ চ্যৱন । দৈত্যৰ প্ৰত্যাহ্বানৰ সন্মুখীন হবলৈ বালকজন মাকৰ গৰ্ভৰ পৰা ওলাই আহিছিল । চ্যৱনে দৈত্যটোক এটা চৰ মাৰি দিয়াত সি মাটিত পাৰি গৈছিল আৰু তাতেই তাৰ মৃত্যু হৈছিল !

মহাকাশত ৰোমাঞ্চকৰ এটা মাহ

পি কার্তিক ৰামস্বামী,
চেন্নাই

এইটো এক ফৰকাল ৰাতিপুৱা আছিল । সকলোবোৰ স্বাভাৱিক ভাবেই চলিছিল । কিন্তু মোৰ কাৰণে এইটো আছিল এক বিশেষ দিন, কাৰণ মই মহাকাশ যাত্ৰাৰ কাৰণে নাচা (NASA) মহাকাশ ষ্টেচনলৈ যাবলৈ ওলাইছো !

মই মোৰ খুৰাৰ সৈতে যাত্ৰা কৰিছিলো ।



তেওঁ এজন মহাকাশচাৰী । তেওঁ মহাকাশযান চলোৱা আৰু ইয়াক নিয়ন্ত্ৰণ কৰা আদি সকলোবোৰ বিষয়ে জানিছিল । আমি 'স্পেচ কুইণ' নামৰ এখন মহাকাশ যানত উঠিছিলো । মই এক কৌতুহলপূৰ্ণ দৃষ্টিৰে যানখনৰ চাৰিওফালে এবাৰ চাইছিলো ।

খুৰাই অফিচৰ বিষয়া কেইজনমানৰ সৈতে কিবা-কিবি কথা পাতিছিল। কিছুসময় পিছত তেওঁলোক গুচি গৈছিল । আমাৰ যানখন মহাকাশলৈ যাবলৈ সাজু হৈছিল ।

কাউন্ট ডাউন আৰম্ভ হোৱাত মই এক উত্তেজনা অনুভৱ কৰিছিলো । কাউন্ট ডাউন শেষ হোৱাৰ লগে লগে আমাৰ যানখন মহাকাশৰ ফালে গতি কৰিছিল ।

অতি সোনকালে আমি পৃথিৱীৰ পৰিমণ্ডল পাৰ হৈ গৈছিলো । মহাকাশ যানৰ আইনাৰ খিৰিকীৰে মই সূৰ্য্য আৰু চন্দ্ৰ স্পষ্টকৈ দেখিবলৈ পাইছিলো । আকাশত তৰাবোৰে তিৰবিৰাই থকাও মই দেখিছিলো ।

মই মোৰ ঘড়ী চালো । গ্ৰীণউইচ মান সময় মতে তেতিয়া ঘড়ীত আবেলি ৬.৩০ বাজিছিল। খুৰাই মোক মহাকাশ যানখনৰ চাৰিওফলটো এবাৰ দেখুৱাইছিল । তেওঁ আনকি জৰুৰী অৱস্থাৰ সময়ত যানখন কেনেকৈ নিয়ন্ত্ৰণ কৰিব লাগে তাকো মোক শিকাইছিল ।

লাহে লাহে মই ভোক অনুভৱ কৰিবলৈ ধৰিলো । মোৰ খুৰাৰো বোধহয় ভোক লাগিছিল। তেওঁ এটা খাদ্যৰ পেকেট খুলিলে । সেই পেকেটৰ ভিতৰত বহুতো চেণ্ডউইচ আছিল। অলপো সময় পলম নকৰি আমি সেইবোৰ খাই শেষ কৰিলো ।

মোৰ চকুত টোপনি লগাত মই শুই পৰিছিলো, কিন্তু মোৰ টোপনি নাহিল । মহাকাশ যাত্ৰাৰ উত্তেজনা তেতিয়াও মোৰ মনত লাগি আছিল । কিন্তু খুৰাই সোনকালে টোপনি গ'ল ।

পিছদিনা আমি কি কৰিম এইবোৰ চিন্তা কৰি থাকোতে মোৰ কেতিয়া টোপনি আহিল কবই নোৱাৰিলো।

মই খুব ৰাতিপুৱাতে শুই উঠিছিলো। পৃথিৱীৰ সময় মতে মোৰ ঘড়ীত তেতিয়া ৰাতিপুৱা ৫.৩০ বাজিছিল। খুৰাই ইতিমধ্যে টোপনিৰ পৰা উঠি পৃথিৱীৰ মহাকাশ কেন্দ্ৰৰ সৈতে যোগাযোগ কৰিছিল।

আমি ব্ৰেকফাষ্ট খাই কিছুসময় গল্প কৰিছিলো। খুৰাই কৈছিল ইন্টাৰনেচনেল স্পেচ হাউচ গৈ পাবলৈ আমাৰ আৰু ছয় দিন সময় লাগিব। তালৈ গৈ আমি তাত এমাহ সময় থকাৰ কথা। এইদৰে পাঁচদিন পাৰ হৈ গৈছিল। ষষ্ঠ দিনা ৰাতিপুৱা খুৰাই মোক কৈছিল যে আৰু কেইমিনিট মানৰ ভিতৰতে আমি ইন্টাৰনেচনেল স্পেচ হাউচত গৈ উপস্থিত হম। মই শৰীৰ ভিতৰত এক শিহৰণ অনুভৱ কৰিছিলো।

আমাৰ যানখনে গৈ ইন্টাৰনেচনেল স্পেচ হাউচৰ লেণ্ডিং এৰিয়াত অৱতৰণ কৰিলে। আমি আই এচ এইচত প্ৰৱেশ কৰিলো। মই দেখি আচৰিত হৈছিলো, এইটো আমাৰ ঘৰৰ নিচিনাই। এই ঘৰটো কম্পিউটাৰ, টি ভি, আচবাব আদিৰে সুসজ্জিতকৈ সজাই ৰখা আছে।

খুৰাই, যোৱা ছদিন ধৰি মহাকাশ যানখন চলাই অহা কাৰণে স্বাভাৱিকতে তেওঁৰ খুব ভাগৰ লাগিছিল। তেওঁ সোনকালে শুবলৈ গ'ল। মই টি ভি চাবলৈ বহিলো। হঠাতে মই বাহিৰত এক গুড় গুড় শব্দ শুনিবলৈ পাইছিলো। প্ৰথমতে শব্দটো মই অৱজ্ঞা কৰিছিলো, কিন্তু শব্দটো লাহে লাহে ডাঙৰ হবলৈ ধৰাত মই স্পেচ চুটযোৰ পিন্ধি লগতে বিশেষ স্পেচ চছমাযোৰ পিন্ধি লৈছিলো, যাতে মহাকাশত কি ঘটিছে দেখিবলৈ পাওঁ। বাহিৰত কি ঘটিছে তাকে চাবলৈ মই বাহিৰলৈ ওলাই গলো।

এইটো এটা উল্কা আছিল। মই এন্ধাৰতে তাক চিনিব পাৰিছিলো। মোৰ এনে লাগিছিল উল্কাটোৱে যেন চেকেণ্ডৰ ভিতৰতে আহি আই এচ এইচৰ ওচৰ পাব। মোৰ বৰ ভয় লাগিছিল। মই তৎক্ষণাত খুৰাক টোপনিৰ পৰা জগাই দি কি ঘটিছিল সকলো কলো।

প্ৰথমতে তেওঁকো চিন্তিত যেন দেখা গৈছিল। তেওঁ তৎক্ষণাত উঠি গৈ টেলিস্কোপৰ নিচিনা যন্ত্ৰ এটাৰে মই দেখুৱাই দিয়া দিশৰ ফালে জুমি

চাইছিল। অলপ পিছত তেওঁ মোৰ ফালে চাই হাঁহিছিল। খুৰাই মোৰ ফালে চাই কিয় হাঁহিছে মই একো বুজিব পৰা নাছিলো। উল্কাটো স্পেচ হাউচৰ ফালে আগবাঢ়ি অহা নাছিল নেকি বাৰু?

মই তেওঁক হঁহাৰ কাৰণে সোধাত তেওঁ কৈছিল যে উল্কাটো আমাৰ ফালৰ পৰা বিপৰীত দিশলৈ গৈছেহে। তেওঁ মোক মাতি নি টেলিস্কোপত চাবলৈ কোৱাত দেখিলো খুৰাই ঠিকেই কৈছে। মোৰ ভয় দূৰ হ'ল।

এইদৰে তিনি সপ্তাহ পাৰ হৈ গৈছিল। বিশেষ একো ঘটনা ঘটা নাছিল। শেষত আমি স্পেচ হাউচ এৰাৰ সময় অহাত মোৰ মনটো খুব বেয়া লাগিছিল।

স্পেচ হাউচক গুডবাই জনাই আমি পৃথিৱীলৈ যাত্ৰা আৰম্ভ কৰিছিলো। লাহে লাহে স্পেচ হাউচ আমাৰ দৃষ্টিৰ অগোচৰ হৈ গৈছিল। আমাৰ খুব টোপনি ধৰিছিল। এইদৰে মহাকাশত আমাৰ ছয়দিন সময় আতিবাহিত হৈ গৈছিল।

শেষৰ দিনাখন আমি অলপ পলমকৈ সাৰ পাইছিলো। আমি ব্ৰেকফাষ্ট খাই থাকোতে ককপিটৰ পৰা ধোঁৱা ওলোৱা দেখিবলৈ পালো। আমি কিবা পোৰাৰ গোন্ধ পাই ছিলো। আমি তৎক্ষণাত ককপিটলৈ দৌৰি গলো।

আমি যি দেখিছিলো আমৰ নিজৰে অবিশ্বাস্য যেন লাগিছিল। প্ৰধান নিয়ন্ত্ৰণ চুইচটো জ্বলি গৈছে। কেনেকৈ এইটো ঘটিল আমি কব্ইনোৱাৰিলো। এনেতে পৃথিৱীৰ মহাকাশ কেন্দ্ৰৰ পৰা খবৰ পাঠালে যে আমাৰ যানখনত এটা সৰু উল্কাই খুন্দা মাৰিছিল। জুই লগাৰ এইটোও কাৰণ হব পাৰে। পৃথিৱীৰ কেন্দ্ৰৰ পৰা আমাক সাৱধান কৰি দি কৈছিল যে সম্ভবতঃ গোটেই যানখনত জুই লাগিব পাৰে।

আমি আতঙ্কিত হৈ পৰিছিলো। খুৰাই কৈছিল সাধাৰণ গতিৰে গলে পৃথিৱী পাবলৈ আমাক আৰু আঢ়ৈ ঘন্টা সময় লাগিব। তাৰ আগতে আমাক জুয়ে গ্ৰাস কৰিব নেকি ? জুই নুমুৱা যন্ত্ৰেৰে আমি জুই নুমাবলৈ চেষ্টা কৰিছিলো। কিন্তু কোনো কামত নাহিল। আমি নানা ধৰণে চেষ্টা কৰিও সফল হব নোৱাৰিলো। লাহে লাহে গোটেই যানখনকেই জুয়ে গ্ৰাস কৰি আহিছিল। হঠাতে মোৰ মনত এটা বুদ্ধি খেলাইছিল। মই খুৰাৰ আগত মোৰ বুদ্ধিৰ কথাটো কোৱাত তেওঁ অলপ সকাহ পালে। তেওঁ তীব্ৰ গতিৰে যানখন পৃথিৱীৰ ফালে চলাই নিছিল।

পৃথিৱী স্পৰ্শ কৰিবলৈ তেতিয়াও আধা ঘন্টা বাকী আছিল। ইতিমধ্যে যানখনৰ আধামান ঠাইলৈ জুই বিয়পি পৰিছিল। মহাকাশ যানৰ ভিতৰখন গৰম হৈ গৈছিল। কিন্তু নিৰ্দ্ধাৰিত সময়ৰ আগতে আমি পৃথিৱীৰ পৰিমণ্ডলত প্ৰৱেশ কৰিছিলো। পৃথিৱীৰ পৰিমণ্ডলত প্ৰৱেশ কৰাৰ লগে লগে আমি পেৰাচুটৰ পেটি বান্ধিলৈ মহাকাশ যানখনৰ পৰা বাহিৰলৈ জঁপিয়াই ওলাই আহিছিলো।

মহাকাশ যানখন এটা ডাঙৰ শব্দ কৰি প্ৰশান্ত মহাসাগৰত ভাঙি পৰিছিল। ইতিমধ্যে আমি উৰি গৈ বহু দূৰ পাইছিলো। আমি চিডনিত অৱতৰণ কৰিছিলো। আমাক প্ৰাথমিক চিকিৎসা কৰাৰ পাছত নিউ ইয়ৰ্কলৈ লৈ যোৱা হৈছিল।

নাচাৰ (NASA) বিষয়াবৰ্গই আমাক দেখা কৰিছিল। খুৰাই তেওঁলোকক সবিশেষ ঘটনা বিৱৰি কৈছিল। মোৰ বুদ্ধিমতে আমাৰ জীৱন ৰক্ষা পৰাত তেওঁলোকে মোৰ বুদ্ধিক প্ৰশংসা কৰিছিল আৰু মোক সাহসীকতাৰ পুৰস্কাৰ দিছিল।

সংবাদ শিৰোনামাত শিশু

পাঠ্য পুথিত তেওঁৰ নিজৰ প্ৰবন্ধ

মেথিউৰ বয়স ১৩ বছৰ। তেওঁ ৰোমৰ স্কুল এখনত পঢ়ে। মেথিউৰ মাক দেউতাক কেৰালাৰ মানুহ । দেউতাকৰ ৰোমত এখন ৰেষ্টোৰা আছে আৰু মাকে আয়ুৰ্বেদ প্ৰেকটিচ কৰে । সপ্তম শ্ৰেণীত পঢ়োতে মেথিউৰ এক অনন্য অভিজ্ঞতা হয় । সেই শ্ৰেণীৰ চিভিকচৰ পাঠ্য কিতাপত 'দি ষ্টৰি অফ মেথিউ নামৰ' এটা পাঠ তেওঁ পঢ়িবলৈ পায় । তেওঁ চতুৰ্থ শ্ৰেণীত পঢ়ি থাকোতে শিশু আলোচনীত তেওঁ এটা প্ৰবন্ধ লিখিছিল । সেই প্ৰবন্ধটো তাৰ শিক্ষা বিভাগে পাঠ্য পুথিত অন্তৰ্ভূক্ত কৰিছে । তেওঁ সেইটো ইটালিয়ান ভাষাত লিখিছিল । মেথিউৱে ইংৰাজী, ফৰাচী, লেটিন আৰু স্পেনিচ ভাষা জানে । বৰ্ত্তমানে তেওঁ গ্ৰীক ভাষাও শিকিছে । যদিও তেওঁ তেওঁৰ মাতৃভাষা মালয়ালম কব পাৰে, তেওঁ সেই ভাষা লিখিব আৰু পঢ়িব নোৱাৰে ! কি দুখৰ কথা ! স্কুলৰ বন্ধুসকলৰ বাহিৰেও বাটিষ্টুতাৰ নিচিনা বিখ্যাত ফুটবলাৰবোৰ তেওঁৰ বন্ধু । তেওঁলোক মেথিউৰ দেউতাক ডঃ থমাচৰ ৰেষ্টোৰালৈ প্ৰায়ে আহে ।

আই টি প্ৰতিভা



ইংলেণ্ডৰ মেইডষ্টোনৰ ছয়-বছৰীয়া গীতা থানিনাথনে জি চি এচ ই পৰীক্ষা পাছ কৰিছে, যিটো চেকেণ্ডাৰী স্কুল চাৰ্টিফিকেটৰ সমান । তেওঁৰ বিশেষ বিষয় আছিল ইনফৰমেশ্যন টেকনোলজি । তেওঁ জি চি এচ ই পৰীক্ষাত বহাৰ আগতে ওৱাটফোৰ্ডৰ ওচৰৰ কলেজ এখনত ন মাহ ধৰি একেৰাহে শনিবাৰে শনিবাৰে চাৰি ঘন্টাকৈ ক্লাচ কৰিছিল । তামিলনাডুৰ পৰা ইয়ালৈকে অহা তেওঁৰ দেউতাক কন্দস্বামীয়ে সোঁৱৰণ কৰি কয় যে গীতাৰ যেতিয়া দুবছৰ বয়স আছিল তেতিয়াৰ পৰাই তাই কম্পিউটাৰৰ প্ৰতি আকৃষ্ট হয় আৰু কোনে আগতে কম্পিউটাৰ ব্যৱহাৰ কৰিব এই লৈ দুয়ো বাপেক জীয়েকৰ মাজত কাজিয়া লাগে ।

ভাৰতৰ বিষয়ে জানি লোৱা

এই নৱেম্বৰ মাহত দুজন প্ৰধান মন্ত্ৰীৰ জন্ম দিন পৰিছে--তাৰে এটা দিন হ'ল ১৪ নৱেম্বৰ, ভাৰতৰ প্ৰথম প্ৰধান মন্ত্ৰীৰ জন্ম দিন আৰু আনটো হ'ল ১৯ নৱেম্বৰ, ভাৰতৰ প্ৰথম মহিলা প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ জন্ম দিন । এই মাহৰ প্ৰশ্নাৱলীত তেওঁলোক দুজনৰ বিষয়ে সোধা হব ।

১. পণ্ডিত নেহৰুৱে শিশুসকলৰ কাৰণে লিখা পুথিখনৰ নাম কি ?

২. "বহু বছৰ আগতে আমি ভাগ্যক লগ ধৰাৰ চেষ্টা কৰিছিলো আৰু আজি আমাৰ প্ৰতিজ্ঞা পূৰণৰ সময় আহি পাৰিছে ।" এইটো পণ্ডিতজীৰ ভাষণৰ এটা বাক্য । এই ভাষণ ক'ত আৰু কেতিয়া দিছিল ? ইয়াৰ উপলক্ষ্য কি আছিল ?

৩. পণ্ডিত নেহৰুৰ দুজনী ভনীয়েক আছিল ; তাৰে এজনী ভাৰতৰ প্ৰথম মহিলা মন্ত্ৰী আছিল । সেই ভনীয়েকজনী কোন আছিল, আৰু কোন ৰাজ্যৰ মন্ত্ৰী আছিল ।

৪. ভাৰত স্বাধীন হোৱাৰ সময়ত পণ্ডিত নেহৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভাপতি আছিল । কথাটো সঁচা নে মিছা ?

৫. বাল্যকালত ইন্দিৰা গান্ধী কিশোৰসকলৰ এটা দলৰ নেত্ৰী আছিল, যিয়ে স্বাধীনতাৰ কাৰণে যুদ্ধ কৰাত ডাঙৰসকলক সহায় কৰিছিল । সেই কিশোৰ বাহিনীটোৰ নাম কি আছিল ? তেওঁলোকৰ প্ৰধান কাম কি আছিল ?

৬. ১৯৭১ চনত ইন্দিৰা গান্ধী জনপ্ৰিয়তাৰ উচ্চ শিখৰত উঠিছিল । কিহৰ কাৰণে তেওঁ ইমান জনপ্ৰিয় হৈছিল ?

(উত্তৰ অহা সংখ্যাত)

অক্টোবৰ সংখ্যাৰ প্ৰশ্নাৱলীৰ উত্তৰ

১. মহীশূৰ, য'ত ১০ দিনীয়া উৎসৱ শেষ হৈছিল এক বিৰাত শোভাযাত্ৰাৰে আৰু এক সুসজ্জিত হাতীত উঠি মহাৰাজাই ইয়াৰ নেতৃত্ব দিছিল ।

২. উৰিষ্যাৰ পুৰীৰ ৰথ যাত্ৰা । প্ৰভু জগন্নাথ, বলভদ্ৰ আৰু সুভদ্ৰাৰ মূৰ্তি সুসজ্জিত ৰথত তুলি শোভাযাত্ৰা কৰি লৈ যোৱা হয় । এই ৰথ টানিবলৈ ভক্তসকলৰ মাজত হেঁতাওপৰা লাগে ।

৩. জানুৱাৰী মাহত হোৱা মকৰ সংক্ৰান্তি । গুজৰাটত ইয়াক চিলা উৰুৱা উৎসৱ আৰু তামিল নাডুত ইয়াক চাউল সিজোৱা (পোঙ্গল) উৎসৱ হিচাবে পালন কৰা হয়।

৪. ইদ-উল-জোহা

৫. খোৰদাদ শাল

৬. মাদুৰাইৰ চিত্ৰাই উৎসৱ । ইয়াক মিনাক্ষী মন্দিৰৰ প্ৰধান দেৱতা প্ৰভু সুন্দৰেশ্বৰৰ বিবাহ হিচাবে পালন কৰা হয় ।

৭. মাইলাপুৰৰ কপালেশ্বৰৰ মন্দিৰ । ভগবান শিৱৰ আন এটা নাম কপালেশ্বৰ।

৮. শিমগো ।

গণেশ

এসময়ত লক্ষ্মীয়ে মানস সৰোবৰত জলক্ৰীড়া কৰি থাকোঁতে পাৰ্বতীয়ে বিষ্ণুৰ ৰূপ ধাৰণ কৰি লক্ষ্মীৰ কাষ চাপিল। লক্ষ্মীয়ে নাৰায়ণৰূপী পাৰ্বতীক দেখি মুগ্ধ হ'ল। পৰস্পৰে পৰস্পৰলৈ অপলক দৃষ্টিৰে চালে। এই দৃষ্টি বিনিময়ৰ ফলত মানস সৰোবৰত এটি পদুম ফুলিল। পদুমটি আছিল সোণৰ পদুম অৰু পদুমটিৰ বুকুত আছিল ধুনীয়া এটি শিশু। লক্ষ্মীয়ে নাৰায়ণৰ কাষ চাপি আহি নিবিড়ভাৱে আলিংগন কৰিলে। তেতিয়া পাৰ্বতীয়ে হাঁহি মাৰি লক্ষ্মীক কলে, "চিনি পোৱা নাই, নহয়? মই পাৰ্বতীহে।" এই বুলি কৈ পাৰ্বতীয়ে নিজৰ ৰূপ ধৰণ কৰিলে।

লক্ষ্মী অলপো অপ্ৰস্তুত নহ'ল। তেওঁ ক'লে, "যেনে ককায়েক, তেনে ভনীয়েক।"

পাৰ্বতীয়ে ক'লে, "বিষ্ণুৱে এবাৰ মোহিনীৰূপ ধাৰণ কৰি শিৱক ভাঁৰিছিল। তাৰ সৈতে মোৰ ঘটনাৰ সমিল-মিল আছেনে? আছে যদি-- ভালেই?"

তাৰ পাছত সোণৰ পদুমৰ বুকুত বহি থকা শিশুটিলৈ চাই তেওঁলোক দুয়ো আদৰ-সাদৰ কৰিবলৈ ধৰিলে। এনেতে তাত বিঘ্নেশ্বৰ আহি উপস্থিত হ'লহি, আৰু বিঘ্নেশ্বৰে ক'লে, "হে মাতৃদ্বয়, তোমালোকৰ সন্মিলিত সৃষ্টি হ'ল এই শিশুটি। এওঁৰ নাম হ'ল শ্ৰীকলসী জয়শ্ৰী। পাৰ্বতীৰ অংশ হ'ল 'জয়' আৰু লক্ষ্মীদেৱীৰ অংশ শ্ৰীকলসী। এই কেঁচুৱা ছোৱালীজনীৰ স্বামীও ইতিমধ্যেই শিৱ কেশৰৰ অংশৰপৰা জন্মগ্ৰহণ কৰিলে।" এই বুলি কৈ বিঘ্নেশ্বৰে



বায়ুদেৱতাক ক'লে, "তুমি এই ছোবালী-জনীক কাবেৰী নৈৰ বুকুত থৈ আহাগৈ যোৱা।"

দক্ষিণাঞ্চলৰ ৰজাৰ হাতত পৰিল সোণৰ পদুমৰে সৈতে সেই ছোৱালীজনী। জয়শ্ৰী ৰাজপ্ৰাসাদত ডাঙৰ-দীঘল হ'বলৈ ধৰিলে। কিন্তু ৰাজপ্ৰাসাদ তাইৰ ভাল নলগা হ'ল। বনৰ পশু বিলাকৰ সৈতে তাই খেল ধেমালি কৰিছিল।

হৰিহৰৰ অংশজাত দেৱতাই কৈলাসলৈ গৈ গণেশ আৰু কাৰ্তিকৰ সৈতে সাক্ষাৎ কৰাত গণেশে সেই দেৱতাক ক'লে, "এই মানস সৰোবৰত সোণৰ পদুমৰ বুকুত লক্ষ্মী আৰু পাৰ্বতীৰ অংশজাত এজনী ছোৱালীক মই দেখিছোঁ।"

হৰিহৰৰ অংশজাত দেৱতাই গণেশৰ কথা শুনি কৌতূহলী হ'ল ; কিন্তু মুখেৰে একো নক'লে। তাত তেওঁ আৰু কেইদিনমান থাকিল। তাৰ পাছত, এদিন উভতি যোৱাৰ আগে আগে গণেশে সেই দেৱতাক কলে, "হে দেৱতা, হে ঠাকুৰ, তুমি সকলোফালৰেপৰাই আমাতকৈ শ্ৰেষ্ঠ। তুমি বিবাহ নকৰোৱাকৈ ব্ৰহ্মাচাৰীৰ জীৱন যাপন কৰাটো আমি বাঞ্ছা নকৰোঁ।

তাৰপৰা বিদায় লৈ অহাৰ পাছত হৰিহৰৰ অংশজাত সেই দেৱতাই গভীৰ অৰণ্যৰ মাজত অনাই-বনাই ফুৰিছিল। হঠাৎ তেওঁ দেখিলে যে এটা বাঘ অতি অসহায় অৱস্থাত পৰিছে। বাঘটোলৈ টোঁৱাই চাৰিওফালৰপৰা কোনোবাই শৰ মাৰিছে। দেৱতাৰ খং উঠিল আৰু তেওঁ চাৰিওফালে খঙাল দৃষ্টিৰে চাই পঠালে। তেতিয়া তেওঁ হাঁহিমুখীয়া এজনী গাভৰুক অলপ আতৰত থিয় হৈ থকা দেখা পালে। এই গাভৰুগৰাকীয়েই আছিল জয়শ্ৰী। জয়শ্ৰীৰ হাঁহিয়ে দেৱতাৰ বুকুত শৰে বিন্ধাদি বিন্ধিলে। লগে লগে সেই দেৱতা তাৰপৰা অদৃশ্য হ'ল।

এই দেৱতাৰ কথা জয়শ্ৰীয়ে আগতেই গণেশৰপৰা শুনিছিল। এই দেৱতাৰ সৈতে গভীৰ অৰণ্যৰ মাজত সাক্ষাৎ হ'ব বুলিও জয়শ্ৰীয়ে আগতেই জানিছিল।

ইপিনে দক্ষিণাঞ্চলৰ ৰজাক নাৰদে পৰামৰ্শ দিলে জয়শ্ৰীৰ বিবাহৰ বাবে স্বয়ম্বৰ সভা পাতিবলৈ আৰু ৰজায়ো স্বয়ম্বৰ সভা পাতিলে। বিভিন্ন দেশৰ ৰজা, আনকি

দেৱতাসকলো ছদ্মবেশ ধাৰণ কৰি সেই স্বয়ম্বৰ সভালৈ আহিল। আহিল হৰিহৰৰ অংশজাত সেই দেৱতাগৰাকীও। তেওঁ 'ঠাকুৰ' নামেৰেহে জনাজাত আছিল। 'ঠাকুৰ'ৰ পিন্ধনত আছিল অতি সাধাৰণ সাজপাৰ। হাতত আছিল ধনুকাঁড়। আৰু লগত আছিল এটা ডাঙৰ আকৃতিৰ ক'লা কুকুৰ। 'ঠাকুৰ'ৰ এই সাজপাৰ আৰু আওভাওলৈ লক্ষ্য কৰি ৰাজকোঁৱৰহঁতে বিদ্রূপাত্মকভাৱে হাঁহিবলৈ ধৰিলে আৰু তেওঁলোকে কুকুৰটোক স্বয়ম্বৰ সভাৰপৰা আঁতৰাই নিবলৈ ক'লে।

তেতিয়া 'ঠাকুৰ' কুকুৰটোৰ পিঠিৰ ওপৰত প্ৰধান তোৰণৰ দুৱাৰমুখত বহিলগৈ। এনেকৈ বহিলগৈ যে- সেই দুৱাৰেদি কাৰো পক্ষে ওলোৱা-সোমোৱা সম্ভৱ নাছিল। চাওঁতে চাওঁতে কুকুৰটো বিৰাট বাঘলৈ ৰূপান্তৰিত হ'ল। হঠাৎ বাঘটো গৰ্জন কৰি উঠিল আৰু বাঘৰ হাওৰণি শুনি সকলোৱে ধাবৰ নল কঁপাদি কঁপিবলৈ ধৰিলে। তেতিয়া কোনেও পলাবও নোৱৰা হ'ল। জয়শ্ৰীয়ে খৰধৰকৈ 'ঠাকুৰ'ৰ ডিঙিত বৰমাল্য পিন্ধাই দিলে। লগে লগে 'ঠাকুৰে' জয়শ্ৰীকো বাঘৰ পিঠিত বহুৱাই ল'লে। মানুহৰ ৰূপ ধৰি যিসকল দেৱতা তালৈ আহিছিল-- উঠিল তেওঁলোকৰ উগ্ৰ খং। তেওঁলোকে অস্ত্ৰ দাঙি লৈ ঠাকুৰক আক্ৰমণ কৰিবলৈ খেদি গ'ল। কিন্তু ঠাকুৰৰ ধনু-কাঁড়ৰ আগত কোনেও তিষ্ঠিব নোৱাৰিলে। দেৱতাসকলে নিজৰ পৰাজয় ইমান সহজতে মানি ল'ব নোৱাৰিলে। সেয়েহে, তেওঁলোকে নিজমূৰ্তি ধাৰণ কৰি ৰণংদেহি মূৰ্তিৰে আকৌ ঠাকুৰৰ ওপৰত জঁপাই পৰিল। ইন্দ্ৰই তেওঁৰ মাৰাত্মক অস্ত্ৰ বজ্ৰায়ূধ প্ৰয়োগকৰিলে। কিন্তু তথাপি ঠাকুৰক দমন কৰা নগ'ল। আৰু ঠাকুৰেও তেতিয়া নিজৰ আচল ৰূপ প্ৰদৰ্শন কৰিলে। সেই ৰূপ হ'ল হৰিহৰৰ ৰূপ। দেৱতাসকলে তৎক্ষণাৎ হাতযোৰ কৰি ক'লে, "হে ঠাকুৰ! আমি আপোনাৰ অধীন।"

ত্ৰেতাযুগত আৰ্য্যাৱৰ্তত কোশল, কৈকেয় আৰু বসুমিত্ৰ নামৰ তিনিগৰাকী ৰজা আছিল। তেওঁলোকৰ যথাক্ৰমে কৌশল্যা, কৈকেয়ী আৰু সুমিত্ৰা নামৰ ছোৱালী আছিল। তেওঁলোকৰ মাজত



সিফালে নাৰদে লংকেশ্বৰ ৰাৱণক ক'লেগৈ, "হে লংকেশ্বৰ ! দশৰথে বিয়া কৰাবলৈ ওলাইছে । এই দশৰথৰ পুত্ৰই তোমাক নিশ্চয় হত্যা কৰিব ।"

লগে লগে ৰাৱণে সেই কন্যা তিনিওজনীক অপহৰণ কৰি লৈ আহিবলৈ মহোদৰ নামৰ বিৰাট আকৃতিৰ ৰাক্ষস এটা পঠালে । মহোদৰে বাকচৰে সৈতে তিনিওজনীক গিলি লৈ আকাশপথেদি সাগৰ পাৰ হৈ লংকালৈ গৈ থাকোঁতে তাৰ পেটৰ বিষ উঠিল । অসহ্য পেটৰ বিষ সহিব নোৱাৰি মহোদৰে বমি কৰাৰ লগে লগেই তাৰ পেটৰপৰা বাকচ তিনিটা সাগৰৰ পানীত পৰিল আৰু সাগৰৰ বিৰাট ঢৌৱে বাকচ তিনিটাৰে সৈতে তিনিওজনীক উটুৱাই লৈ যাবলৈ ধৰিলে ।

বন্ধুত্বৰ সুসম্পৰ্ক স্থাপিত হৈছিল । অযোধ্যাৰ ৰজা দশৰথক তিনিও ৰজাই তেওঁলোকৰ জীয়েকৰ বাবে পাত্ৰ হিচাপে পচন্দ কৰিলে। দশৰথে তিনিও গৰাকী ছোৱালীক বিয়া কৰাবলৈ মান্তি হ'ল।

তিনিও গৰাকী ৰজাই মহৰ্ষি জৈমিনিক মতাই অনাই বিবাহৰ লগ্ন স্থিৰ কৰি দিবলৈ ক'লে । জৈমিনিয়ে গম্ভীৰভাৱে ক'লে, "মই যি লগ্ন স্থিৰ কৰি দিম, সেই লগ্নত, গণেশৰ উপস্থিতিত বিবাহ দিব লাগিব । তিনিও কইনাৰেই ৰাক্ষস-মৃত্যু যোগ আছে । গতিকে সাৱধান হ'ব লাগিব । গণেশ হ'ব এই বিবাহৰ সাক্ষী ।"

জৈমিনিৰ কথা শুনি তিনিও ৰজাই তেওঁলোকৰ ছোৱালীক এটাকৈ বিৰাট বাকচৰ ভিতৰত সুমুৱাই থ'লে ।

ঠিক তেতিয়াই দশৰথ বহু দূৰৰ পৰা সাগৰপথেৰে উভতি আহি আছিল অযোধ্যালৈ । দশৰথৰ জাহাজৰ লগত বাকচ বিলাকৰ খুন্দিয়াখুন্দি লাগিল আৰু মাজত সেই বাকচ তিনিটাৰ সাঁফৰ খোল খাই পৰিল। লগে লগে সেই ৰাজকুঁৱৰীকেইজনীক দেখা পাই তৎক্ষণাৎ জাহাজত উঠাই হ'ল । সোধ-পোছ কৰাৰ পাছত দশৰথে বুজি পালে যে, এই তিনিজনীকে তেওঁ বিয়া কৰাব বুলি স্থিৰ কৰিছিল । যি-লগ্নত বিয়া পতাৰ কথা আছিল, সেই লগ্নও তেতিয়া সমুপস্থিত । হঠাৎ ক'ৰবাৰপৰা গণেশ আৱিৰ্ভূত হ'ল আৰু দশৰথৰ সৈতে ৰাজকুঁৱৰী তিনিওগৰাকীৰ বিবাহ সম্পাদন কৰি অদৃশ্য হ'ল ।

পাছত, দশৰথৰ চাৰিজন পুত্ৰ উপজিল। জ্যেষ্ঠপুত্ৰৰ নাম ৰামচন্দ্ৰ । কৈকেয়ীৰ কাৰণেই ৰামচন্দ্ৰ বনবাসলৈ যাবলগীয়া হৈছিল, লগত আছিল পত্নী সীতা আৰু ভায়েক লক্ষ্মণ । এছেগত ৰাৱণে সীতাক অপহৰণ কৰি লৈ গ'ল । পাছত ৰামে হনুমন্ত, সুগ্ৰীৱ আদি বীৰ বান্দৰহঁতৰ সহায়ত ৰাৱণক বধ কৰি সীতাক উদ্ধাৰ কৰিছিল । তাৰ পাছত, অযোধ্যালৈ উভতি যোৱাৰ আগতে শিৱৰ প্ৰতীক হিচাপে উপযুক্ত লিংগ লৈ আহিবলৈ ৰামচন্দ্ৰই হনুমানক কৈলাসলৈ প্ৰেৰণ কৰিলে । হনুমানে কৈলাসত থকা আটাইতকৈ ডাঙৰ লিংগটো লৈ আহিবলৈ চেষ্টা কৰিও ব্যৰ্থ হ'ল। কিয়নো, লিংগটোক হনুমন্তই চুলি পৰিমাণেও লৰাব নোৱাৰিলে। তেতিয়া আটাইতকৈ সৰুটোকে লৈ যাব বুলি ভাবিলে । কিন্তু সেইটোও লৰাব নোৱাৰিলে । হনুমন্ত গভীৰ চিন্তাত পৰিল ।

তেতিয়া ক'ৰবাৰপৰা সৰু ল'ৰা এজনে হনুমন্ত ক'লেহি, "তুমিনো কোন ? তোমাক দেখাত হনুমন্ত যেনহে লাগিছে দেখোন । কিন্তু আচলতে হনুমন্ত যে তুমি নহয়-- তাকো বুজি পাইছোঁ ।"

"কিয় মোক ইমান প্ৰশ্ন কৰিছা ? মই হনুমন্ত । ৰামচন্দ্ৰই মোক এটি শিৱলিংগ লৈ যাবলৈ ইয়ালৈ পঠিয়াইছে ।" হনুমানে সৰু ল'ৰাটিক কলে ।

"শুনিছিলোঁ- হনুমন্তৰ আন এক নাম হেনো পঞ্চমুখাজেয় । ক'তা-তোমাৰ পাঁচখনমুখ দেখুৱাচোন ।" ল'ৰাটিয়ে কলে।

তেতিয়া হনুমন্তই গড়ুৰ, বৰাহ, সিংহ আৰু অশ্বৰ মুখৰে সৈতে পঞ্চমুখ প্ৰদৰ্শন



কৰিলে আৰু হাঁহি মাৰি কলে, "হে বিঘ্নেশ্বৰ, এতিয়া অনুগ্ৰহ কৰি তুমি তোমাৰ পঞ্চমুখ মোক প্ৰদৰ্শন কৰাঁ।"

গণেশে নিজৰ দেহক বিৰাটাকাৰ কৰি হনুমন্তক বিশ্বৰূপ প্ৰদৰ্শন কৰিলে।

হনুমানে বিঘ্নেশ্বৰক প্ৰণাম কৰি কলে, "বালকৰ ৰূপত যেতিয়া আহিছিলা তেতিয়াই মই তোমাক চিনি পাইছিলো বিঘ্নেশ্বৰ বুলি। এতিয়া বুজিছোঁ যে তোমাৰ কাৰচাজিৰ ফলতহে মই শিৱলিংগ দাঙিব পৰা নাছিলোঁ। মোৰ অনুৰোধ, তুমি মোক এটি শিৱলিংগ প্ৰদান কৰাঁ।"

"হনুমান, তোমাৰ পঞ্চমুখ দৰ্শনৰ বাবেহে মই অতবোৰ কাণ্ড কৰিলোঁ। তুমি শিৱৰ অংশ, তোমাৰ অসাধ্য কাম ত্ৰিজগতত নাই।" এই বুলি কৈ গণেশে এটি শিৱলিংগ হনুমানৰ হাতত দিলে।

ইপিনে সময় পাৰ হৈ যাওঁ যাওঁ হ'ল। নিৰ্দিষ্ট সময়ৰ ভিতৰত পূজা নকৰিলেই নহ'ব। সেয়েহে, সীতাদেৱীয়ে বালিৰে এটা শিৱলিংগ সাজিলে। সেই বালিৰে সজা শিৱলিংগক পূজাৰ আয়োজন কৰোঁতেই ধুমুহাৰ গতিৰে হনুমান তালৈ উপস্থিত হ'লহি। বালিৰে সজা শিৱলিংগক পূজিবলৈ আয়োজন কৰা দেখি হনুমানে তাৰ দীঘল নেজডালেৰে সেই শিৱলিংগক গুচাবলৈ চেষ্টা কৰিলে। কিন্তু শিৱলিংগ চুলি পৰিমাণে নললিল।

তেতিয়া ৰামদন্দ্ৰই হনুমানক ক'লে, "হনুমন্ত, বুদ্ধিমন্তহঁতেও কেতিয়াবা কেতিয়াবা বুদ্ধি নথকাহঁতৰ দৰে আচৰণ কৰে। বালিৰেই সজা হওক, বা আন কিহবাৰেই সজা হওক, শিৱলিংগ মানে শিৱলিংগ। এবাৰ সজা হৈ গ'ল যেতিয়া-- ইয়াৰ মাজতে শিৱশক্তি সঞ্চাৰিত হ'ল। যি কি নহওক, তুমি লিংগ লৈ আহিলাই যেতিয়া, মই এই শিৱলিংগকো প্ৰতিষ্ঠা কৰি পূজিম।"

হনুমানে নিজৰ ভুল বুজি পাই লজ্জিত হ'ল। ৰামচন্দ্ৰৰ কথাৰ একো প্ৰতিবাদ নকৰিলে। তাৰ পাছত, ৰামচন্দ্ৰই শিৱপূজাৰ অন্তত, পুষ্পকৰথত আৰোহণ কৰি অযোধ্যালৈ ৰাওণা হ'ল।



উপযুক্ত যোৰা

বহুদিন আগৰ কথা । সাহপুৰ গাঁৱত গৌৰৱ নামৰ এজন কৃষকে বাস কৰিছিল । তেওঁৰ এজন পুত্ৰ আছিল । পুতেক যৌৱনপ্ৰাপ্ত হোৱাতে গৌৰৱে পুতেকৰ বিয়া পাতি দিলে । দেৰ বছৰৰ ভিতৰত তেওঁৰ নাতিয়েকো হ'ল । সেয়েহে গৌৰৱ দম্পতিৰ মনত খুব আনন্দ ।

এদিন সৰু কেচুৱাটোক ককাক আইতাকৰ লগত থৈ গৌৰৱৰ পুতেক বোৱাৰীয়েক ওচৰৰে গাওঁ এখনলৈ গৈছিল। বাটতে এখন নৈ পাৰ হব লাগে । নাৱত উঠি নৈ পাৰ হওতে নাও ডুবি দুয়োজনৰে মৃত্যু হৈছিল ।

এই দুৰ্ঘটনাৰ কথা শুনি গৌৰৱ দম্পতি দুখতে ভাগি পৰিছিল । খোৱা-বোৱা এৰি দুয়ো দুখ কৰি কান্দি থাকে । দুয়োৰে এই অৱস্থা দেখি ওচৰ চুবুৰীয়াই আহি তেওঁলোকক বুজালে, "যি হ'ল, হৈ গ'ল । এইদৰে কান্দি থাকিলে কি লাভ হব । অন্ততঃ এই নাতিয়েৰাৰ বাবেতো তোমালোকে জীয়াই থাকিব লাগিব । ইয়াক ডাঙৰ-দীঘল কৰাতো এতিয়া তোমালোকৰ দায়িত্ব । লাহে লাহে গৌৰৱ আৰু তেওঁৰ পত্নী শান্ত হ'ল । চুবুৰিয়াৰ কথাই ঠিক বুলি তেওঁলোকে মানি ললে । কেইদিনমান পিছত নাতিয়েকক লৈ দুয়ো নীলকণ্ঠ মন্দিৰলৈ গ'ল । পুজাৰী গঙ্গাধৰ শাস্ত্ৰীৰ পৰামৰ্শ অনুসাৰে তেওঁলোকে নাতিয়েকৰ নাম ৰাখিলে শিৱ । তেওঁলোকে ভগবানক এইবুলি প্ৰাৰ্থনা জনালে- নাতিয়েকে ডাঙৰ মানুহ হৈ যেন সুনাম অৰ্জন কৰে ।

লাহে লাহে শিৱ যৌৱন প্ৰাপ্ত হ'ল । সকলোৱে তাৰ ৰূপ গুণৰ প্ৰশংসাত পঞ্চমুখ। বৃদ্ধ পূজাৰী গঙ্গাধৰেও তাক খুব ভাল পায় । ককাকৰ লগত সদায় সি মন্দিৰলৈ যায় । পূজাৰীয়েও তাৰ লগত কথা কৈ খুব ভাল পায়।

লক্ষ্মী গায়ত্ৰী

কৰকচোন । মই ইয়াৰ বিয়াখন পাতিব বিচাৰো, কিন্তু ই কোনোমতে সম্মত নহয় । আজি মই ইয়াক খুব বকিছো । কিন্তু ই মিছা ওজৰ দেখুৱাই বিয়া পাতিবলৈ অস্বীকাৰ কৰি থাকে । এতিয়া আপুনিও ইয়াৰ কথা শুনি আপুনিয়ে ইয়াৰ কিবা এটা সিদ্ধান্ত কৰক ।

পূজাৰীয়ে শিৱৰ ফালে ঘূৰি চোৱাত শিৱই কলে, "ককাই এজনী এজনী কৈ ছোৱালী দেখুৱাই আছে আৰু তাৰে যিকোনো এজনীৰ সৈতে বিয়া পাতিবলৈ জোৰ দি আছে । কিন্তু কোনোবাজনী যদি দেখাত ধুনীয়া, কাম-কাজ ভালদৰে নাজানে । আকৌ কোনোবাজনী যদি দেখাতো ধুনীয়া, জ্ঞানী, কাম কাজতো পাকৈত তাই আকৌ খুব অহঙ্কাৰী । এনে ছোৱালীৰ সৈতে যদি বিয়া পাতো তেনেহলে সেইজনীয়ে ককা আৰু আইতাক ভালদৰে সেৱা শুশ্ৰূষা নকৰিব । এই বয়সত তেওঁলোকে কষ্ট পোৱাতো মই নিবিচাৰো । এইবোৰ কথা কলেই ককা মোৰ ওপৰত অসন্তুষ্ট হয় ।"

শিৱৰ কথাৰ সৈতে সহমত প্ৰকাশ কৰি পূজাৰীয়ে কলে, "তোমাৰ নাতিয়েৰাইতো ঠিক কথাই কৈছে ।"

গৌৰৱে ইয়াৰ কিবা উত্তৰ দিব বিচাৰিছিল এনেতে সেই গাঁৱৰে খেতিয়ক চান্দৰাম তাত আহি উপস্থিত হ'ল । তেওঁৰ লগত এজনী ধুনীয়া ছোৱালীও আছিল । চান্দৰামে পূজাৰীক প্ৰণাম জনাই কঠাল এটা পূজাৰীক দিলে ।

পূজাৰীয়ে চান্দৰামক আশীৰ্বাদ দি সুধিলে, "এইজনী কাৰ ছোৱালী ?" চান্দৰামে কলে, "এইজনী মোৰ খুলশালীৰ ছোৱালী । নাম

এদিনা সন্ধিয়া ককা আৰু নাতি দুয়ো মন্দিৰলৈ গৈছিল । ভগবানক দৰ্শন কৰাৰ পিছত মন্দিৰতে বিশ্ৰাম লৈ থকা পূজাৰীৰ লগতে দেখা কৰিলে ।

পূজাৰীয়ে দুয়োকে বহিবলৈ দি সুধিলে, "শিৱ, আজি কালি তোমাৰ ককা দেউতাৰক খুব চিন্তিত যেন দেখা গৈছে । তেওঁৰ মুখত এক উদাস উদাস ভাব । সৰু কথাতো খং খাই উঠে । কাৰণ কি বাৰু ?"

তেতিয়া শিৱই হাঁহিমাৰি কলে, "ককা মোৰ ওপৰত অসন্তুষ্ট ।"

"কি কৈছা তুমি ? ককাৰা তোমাৰ ওপৰত অসন্তুষ্ট ? কি কাৰণে অসন্তুষ্ট ?" আচৰিত হৈ পূজাৰীয়ে সুধিলে । তেতিয়া কথাৰ ওপৰতে মাত দি গৌৰৱে কলে, "কিয় অসন্তুষ্ট নহম আপুনিয়েই বাৰু বিচাৰ

গৌৰী । টাউনত থাকে যদিও কাম বনত খুব পটু । যিটো কাম কৰিবলৈ মোৰ পত্নীৰ এ'টা সময় লাগে এই জনীয়ে সেই কাম আধাঘন্টাতে কৰি দিয়ে ।"

এনেতে গৌৰীয়ে আগবাঢ়ি আহি পূজাৰীক প্ৰণাম জনালে ।

"শীঘ্ৰমেৰ কল্যাণমস্তু !" বুলি কৈ পূজাৰীয়ে আশীৰ্বাদ দিলে । তাৰ পাছত তেওঁ শিৱৰ মুখৰ ফালে চালে । শিৱৰ মুখত এক আনন্দিত ভাব দেখা গৈছিল ।

তাৰ পাছত পূজাৰীয়ে চান্দৰামক কলে, "তুমি কোৱা মতে এই ছোৱালীজনী অতি উৎসাহী, কৰ্মী আৰু জ্ঞানী । তুমিতো জানাই এই শিৱও ধুনীয়া আৰু বুদ্ধিমান । এতিয়া ইহঁত দুয়োৰে মাজত কোন অধিক যোগ্য এই কথাটো জানিবলৈ মোৰ উৎকণ্ঠা হৈছে । গৌৰীৰ কোনো আপত্তি নাইতো ?"

গৌৰীয়ে মূৰটো লৰাই আপত্তি নাই বুলি জনালে । তেতিয়া পূজাৰীয়ে শিৱক কলে, "এতিয়া গৌৰীক তুমি যি সুধিব বিচৰা সুধিব পাৰা ।"

তেতিয়া শিৱই অতি উৎসাহিত হৈ গৌৰীৰ ধুনীয়া মুখখনলৈ চাই সুধিলে, "তোমালোকৰ ঘৰৰ সকলো দুৱাৰেই সৰু নে ডাঙৰ দুৱাৰো আছে ?"

শিৱৰ এই প্ৰশ্ন শুনি পূজাৰীয়ে হাঁহি দিলে, কিন্তু চান্দৰামে ভাবিলে ইও এটা প্ৰশ্ন হ'ল নে?

গৌৰীয়ে হৃষ্ট-পুষ্ট শিৱৰ ফালে এবাৰ চাই কলে, "আমাৰ পৰিয়াল কৃষকৰ পৰিয়াল । আমি পৰিশ্ৰম কৰা মানুহ । সাধাৰণতে ঘৰৰ দুৱাৰ সৰুই হয় । আমাৰ ঘৰ তোমালোকৰ ঘৰতকৈ সৰুয়ে হব ।



সৰুৰে পৰা শিৱই ককাক আৰু আইতাকৰ মৰমৰ মাজতে ডাঙৰ দীঘল হৈছে। গৌৰীৰ উত্তৰ শুনি সি অসন্তুষ্ট হৈ কলে, "ঠিক আছে, ঠিক আছে । বাৰু এইটো কোৱাচোন পানীৰে ভৰা কলহ এটা যদি ৰাতিপুৱাতে তোমাক দিয়া হয়, সন্ধিয়ালৈকে সেইটো খালী হৈ যাব নে ভৰা হৈয়ে থাকিব।"

এই প্ৰশ্নৰ উত্তৰ হিচাবে গৌৰীয়ে যি কলে তাৰদ্বাৰা শিৱই বুজিব পাৰিলে তাই মিতব্যয়ী আৰু সকলো বস্তুৰে মূল্য বুজে । তাৰ পাছত সি আনন্দিত হৈ কলে, "বাৰু, বাৰু, বুজি পাইছো । এতিয়া ইয়াকে কোৱাচোন বুঢ়া আৰু অসমৰ্থ লোকক কি কৰিব লাগে ?

"সকলো প্ৰাণীয়ে এদিন বুঢ়া হবই । আমি এইটো মনত ৰাখিব লাগিব কৰ্মঠ অৱস্থাত তেওঁলোকে আমাক কিমানযে লালন-

পালন, মৰম-স্নেহ কৰিছিল। সেয়েহে আমিও তেওঁলোকক লালন-পালন আৰু আদৰ যত্ন কৰা উচিত।" গৌৰীয়ে কলে।

গৌৰীৰ উত্তৰ শুনি শিৱৰ মনত বিশ্বাস হ'ল যে, যদি এই ছোৱালীজনীক বিয়া কৰোৱা হয় তেনেহলে তাই বুঢ়া ককাক আৰু আইতাকক চোৱা-চিতা কৰিব।

ইয়াতো ক্ষান্ত নহৈ শিৱই পুনৰ সুধিলে, "বাৰু, একৰ লগত এক যোগ কৰিব লাগে নে ইয়াতকৈ বেছি যোগ কৰিব লাগে ? নে একো যোগ কৰাৰ আৱশ্যকেই নাই ?"

শিৱৰ এই প্ৰশ্ন শুনি অলপ অসন্তুষ্ট হৈ গৌৰীয়ে কলে, "যদি সেই একটো ডাঙৰ হয় তেনেহলে কোনো যোগ কৰাৰ আৱশ্যক নাই। আকৌ যদি সেইটো ভগবানৰ হয় তেনেহলে সেই একৰ সৈতে দহো যোগ কৰিব পাৰি।"

পূজাৰী গঙ্গাধৰ শাস্ত্ৰীয়ে ইমানপৰে দুয়োৰে মাজত হোৱা কথোপকথন শুনি আছিল। এই উত্তৰ শুনি তেওঁ ঢেকঢেকাই হাঁহি দিলে, কিন্তু শিৱ গম্ভীৰ হৈ গ'ল।

গৌৰৱ আৰু চান্দৰামে একোকে বুজি পোৱা নাই। তেওঁলোকে শাস্ত্ৰীৰ মুখৰ ফালে চাই থাকিল।

গঙ্গাধৰ শাস্ত্ৰীয়ে কলে, "শিৱৰ অন্তিম প্ৰশ্ন আৰু গৌৰীৰ অন্তিম উত্তৰৰ বাহিৰে বাকী উত্তৰবোৰ তোমালোকে বুজিবই পাৰিছা কিজানি। এতিয়া আহো অন্তিম প্ৰশ্নৰ উত্তৰলৈ। শিৱৰ প্ৰশ্ন আছিল, যদি কোনোবাই এটা কথা কয়, তেনেহলে তাৰ উত্তৰত দহটা কথা কব নেকি ?

এই কথাত গৌৰীয়ে অলপ অসন্তুষ্ট হৈ কৈছিল, 'পৰিয়ালৰ কোনো মান্য ব্যক্তিয়ে যদি কোনো এটা অপ্ৰিয় কথাও কয়, তেনেহলে মনে মনে থাকিব লাগে। যদি পতিয়ে এনে অপ্ৰিয় কথা কয় তেনেহলে এটাৰ উত্তৰ দহটাও হব পাৰে। ইয়াৰ দ্বাৰা গৌৰীয়ে প্ৰমাণিত কৰিলে যে পতি-পত্নীৰ মাজত লগা কাজিয়া তেনেই সামান্য। পৰস্পৰে পৰস্পৰক আদৰ মৰম কৰিব লাগে। গৌৰী নিঃসন্দেহে শিৱৰ কাৰণে উপযুক্ত হব। শুভমস্তু। সোনকালে দুয়োৰে বিয়া পাতিব লাগে, এইবুলি কৈ শাস্ত্ৰীয়ে শিৱ আৰু গৌৰীক আশীৰ্বাদ দিলে।

শিৱ আৰু গৌৰীয়ে দুয়ো দুয়োৰে ফালে এবাৰ চালে তাৰ পাছত শাস্ত্ৰীক প্ৰণাম কৰিলে।

ঘৰৰে চোৰ

এদিন দুপৰীয়া কমলাৰ স্বামী মাধৱে খোৱা-লোৱা শেষ কৰি কিবা এটা জৰুৰী কামত বাহিৰলৈ ওলাই গ'ল । কমলায়ো আজৰি হৈ ৰান্ধনীঘৰৰ ওচৰতে থকা আন এটা কোঠতে শুবলৈ গ'ল । কমলাই কিবা বস্তু লৰচৰ কৰাৰ শব্দ শুনিবলৈ পাই ঘূৰি চালে আৰু সেই দৃশ্য দেখি তাই অবাক হ'ল। কমলাৰ ননদৰ গিৰীয়েক শৰতে তাইৰ বাকচ খুলিব ধৰিছে ।

তথাপিও কমলা মনে মনে থাকিল । তাই দেখিলে শৰতে বাকচটো খুলি কাপোৰৰ তলত ৰখা দহতোলা ওজনৰ সোণৰ হাৰডাল লৈ তাৰ পৰা গুচি গ'ল । কমলাই আচৰিতহৈ চাই থাকিলে ।

লক্ষ্মী কমলাৰ ননদ আছিল । তাইৰ বাহিৰে নিজৰ বুলিবলৈ মাধৱৰ আন কোনো নাছিল । লক্ষ্মীৰ স্বামী শৰতে কাছাৰীত কাম কৰিছিল । তেওঁ সহজ-সৰল আৰু শান্ত স্বভাৱৰ আছিল ।

কমলাই শৰতৰ বিষয়ে নিজকে নিজে কবলৈ ধৰিলে, "শৰতটো খুব ভাল স্বভাৱৰ আছিল । তেওঁৰ কোনো ধৰণৰ বেয়া স্বভাৱ নাছিল । কিন্তু তেওঁ এনেকুৱা কৰিলে কিয়? তেওঁ এনে কাম কিয় কৰিলে ইয়াক জানিবই লাগিব ?"

কমলাই এই কথাটো গুপুতে ৰাখিলে তাই এনেকুৱা ভাব দেখুৱালে যেন ঘৰত একো হোৱাই নাই । সন্ধিয়া যেতিয়া মাধৱ ঘৰলৈ আহিলে কমলাই গিৰীয়েকৰ চকুৰ আগতেই বাকচটো খুলিলে । তাৰ পিছতেই তাই চিঞৰি চিঞৰি হাৰডাল হেৰোৱা বুলি কান্দিব ধৰিলে ।

কমলাৰ কান্দোন শুনি ঘৰৰ আটাইবোৰ মানুহ আহি তাত গোট খালে । সকলোৱে হাৰডাল বিচাৰিব ধৰিলে । কমলাই বিতত

লক্ষ্মী গায়ত্রী



এনেতে শৰত তালৈ আহিলে আৰু সাধুজনে শৰতৰ ফালে একেথৰে চাবলৈ ধৰিলে। তাৰ পাছত কমলাক দেখি হাঁহিমাৰি সুধিলে, "কি খবৰ আইজনী, ভগবানৰ কৃপাত মই আজি তোমালোকৰ ঘৰলৈ আহিলো। তোমাৰ মাহঁতে দিয়া গহনা হঠাত নোহোৱাহৈ গৈছে নহয় ?"

কমলাই হয় বুলি মূৰ দুপিয়ালে। তেতিয়া সাধুজনে আশ্বাস দি কলে, "চিন্তা নকৰিবা। যি গহনা তোমাৰ হেৰাইছে সেই গহনা দুই এদিনতে তুমি পাবা। পৰহি ৰাতিপুৱা মই আকৌ আহিম। ইয়াত মোৰ এটা দৰকাৰী কাম আছে। সেইটো শেষ কৰিহে এৰিম।" তাৰপাছত তেওঁ শৰতৰ পিনে ঘূৰি চাই কলে, " বাচা, মোৰ লগত তুমি আহিবলৈ অলপ কষ্ট কৰিবানে ?"

সাধুৰ কথাবোৰ শুনি আগৰেপৰা ভয় লাগি থকা শৰতে যাম বুলি কলে। তেওঁ সাধুৰ পাছে পাছে গৈ থাকিল। কিছুসময় পাছত যেতিয়া শৰত উলতি আহিল তেওঁৰ চেহেৰাত শান্তি বিৰাজ কৰিছিল। দুদিন ধৰি তেওঁৰ চেহেৰাত যি বিবৰ্ণতা আৰু অশান্তি দেখা গৈছিল সেইটো এতিয়া আৰু নাই।

সেইদিনা আবেলি যেতিয়া কমলাই কাপোৰ এযেৰে উলিয়াবলৈ বাকচটো খুলিলে ভিতৰত তাই হেৰোৱা হাৰডাল দেখিবলৈ পালে। তাই আনন্দতে চিঞৰিব ধৰিলে, "মই হাৰডাল পালো।"

কমলাই হাৰডাল পোৱাত আটায়ে আনন্দিত হ'ল। তৃতীয়দিনা যেতিয়া সেই

হোৱা যেন দেখুৱাই কবলৈ ধৰিলে, "যেতিয়াই মই কিবা সমস্যাৰ সন্মুখীন হও তেতিয়াই সকলো ভাৰ ভগবানৰ ওপৰত এৰি দিও। এইবাৰো তাকেই কৰিম। ইয়াত বাহিৰে অন্য উপায় নাই।" এইবুলি কৈ তাই ওচৰৰে মন্দিৰ এটালৈ গৈ একান্ত মনে প্ৰাৰ্থনা কৰিবলৈ ধৰিলে।

এই ঘটনাৰ দহদিন পাছত সিহঁতৰ ঘৰৰ দুৱাৰত কোনোৱাই খটখটোৱা শব্দ শুনিবলৈ পালে। মাধৱে দুৱাৰখন খুলি দিয়াত দেখিবলৈ পালে এজন বুঢ়া সাধু থিয় হৈ আছে। সাধুজনে কলে, "মোক ভিতৰলৈ আহিবলৈ দিবানে নে যি কবলগা আছে বাহিৰতে কৈ যাম। কোৱা মাধৱ।"

মাধৱে কি উত্তৰ দিব ভাবিব ধৰিলে,

সাধুজন তেওঁলোকৰ ঘৰলৈ আহিল সকলোৱে তেওঁৰ খুব সেৱা যত্ন কৰিলে । সাধুজনে পদ্মসন কৰি ঢাৰি এখনত বহি ললে আৰু কলে, "আপোনালোক সকলোৱে ভালদৰে মনত ৰাখিব যে পৰিয়ালৰ সুখ শান্তি, ভাল-বেয়া, সৌভাগ্য দুৰ্ভাগ্য আদি সকলো কথা বোৱাৰীৰ ওপৰতহে নিৰ্ভৰ কৰে।" এইবুলি কৈ কোনোবাই কিবা প্ৰশ্ন কৰিব বুলি বা সন্দেহ কৰিব বুলি ভাবি তাৰ পৰা গুচি গ'ল ।

সেইদিনা ৰাতি মাধৱে কমলাক কলে, "সেই সাধুজন সঁচাকৈয়ে কোনো দেৱতা ।" সেই সাধুজনৰ কথা মনত কৰি তেওঁ হাতযোৰ কৰিলে ।

কমলাই হাঁহিমাৰি কলে, "মই বিয়াৰ পিছৰ পৰাই মন কৰিছো লক্ষ্মী অসন্তুষ্ট আছিল । সেই অসন্তুষ্টিৰ বাবেই নিশ্চয় শৰতেচুৰি কৰিবলৈ বাধ্য হৈছে । সেই সাধুজন আন কোনো নাছিল, মোৰ মামা বিশ্বনাথ আছিল। তেওঁৰ সহায়তে মই এই হাৰডাল পালো ।" কমলাৰ কথা শুনি মাধৱে কলে, "তুমিতো খুব ভাল বুদ্ধি কৰিছিলা । মই তোমালোকৰ গাঁৱলৈ যাওঁতে মামাক বহুবাৰ দেখিছো । কিন্তু সাধুৰ বেশত তেওঁক চিনিবয়ে নোৱাৰা হৈছে।"

কমলাই কলে, "তেওঁ পৌৰাণিক নাটকত অভিনয় কৰিছিল । আপুনি জানে, শৰতক বাহিৰলৈ মাতিনি তেওঁ কি কৈছিল? তেওঁ কৈছিল, "মই জানিব পাৰিছো যে তুমিয়ে সেই হাৰডাল চোৰ কৰিছা । তুমি ইমান বেয়া কাম কিয় কৰিলা? তেতিয়া শৰতে কান্দি কান্দি কৈছিল যে লক্ষ্মীয়ে হেনো তেওঁক সদায় আমনি কৰি থাকে। তেওঁৰ কথাত অসহ্য হৈ তেওঁ চুৰি কৰিবলৈ বাধ্য হৈছিল । তেওঁ মামাক আশ্বাস দিছে যে আগলৈ আৰু কেতিয়াও এনে কাম নকৰে । তাৰ পাছত তেওঁ হাৰডাল মনে মনে মোৰ বাকচত থৈ দিছে ।"

কমলাৰ পিনে মৰমৰ দৃষ্টিৰে চাই মাধৱে কলে, "ঘৰৰ সম্মানো ৰক্ষা হওঁক, জোৱাইৰো কোনো বদনাম নহওক, ইয়াৰ বাবে তুমি খুব ভাল পৰিকল্পনা কৰিছা । সেই বোৱাৰী সঁচাকৈয়ে ধন্য, যিয়ে শহুৰৰ ঘৰৰ সম্মান সদায় বজাই ৰাখে । ইয়াতকৈ সুন্দৰ অলঙ্কাৰ আৰু একো নাই ।

স্বৰ্গপ্ৰাপ্তি

এজন মানুহে সাংসাৰিক জীৱনৰ সম্পূৰ্ণ সুখ ভোগ কৰি উঠি স্বৰ্গ প্ৰাপ্তিৰ উদ্দেশ্যে অৰণ্যত গৈ তপস্যা কৰিবলৈ ধৰিলে ।

অন্য এজন মানুহে সাংসাৰিক জীৱনৰ ওপৰত বিৰক্ত হৈ অৰণ্যলৈ গ'ল । তালৈ গৈ তেওঁ দেখিবলৈ পালে আগৰে পৰা তাত এজন মানুহে তপস্যা কৰি আছে ।

তপস্বীজনক দেখি দ্বিতীয় ব্যক্তিজনে ভাবিলে এই তপস্বীজনৰ যদি সেৱা শুশ্ৰূষা কৰা যায় তেতিয়া তেওঁও স্বৰ্গ লাভ কৰিব পাৰিব । ইয়াকে ভাবি দ্বিতীয় ব্যক্তিজনে প্ৰথমজনক কলে, "হে তপস্বী, আপুনি মোক শিষ্য কৰি লওঁক ।"

"মোৰ কাৰো সেৱাৰ প্ৰয়োজন নাই, দয়া কৰি মোৰ ধ্যান ভঙ্গ নকৰিবা ।" এইবুলি কৈ তপস্বীজনে পুনৰ ধ্যানত নিমগ্ন হ'ল । তেতিয়া দ্বিতীয় ব্যক্তিজনে ভাবিলে-"এই তপস্বীজনক কোনো বিঘিনি নঘটাকৈ তপস্যা কৰিব দিব পাৰিলেই পুণ্য হব। ইয়াকে ভাবি তেওঁও ওচৰতে তপস্যাত বহিল ।

দ্বিতীয় ব্যক্তিজনে তপস্যা কৰি থকাৰ মাজতো কোনো পশু আহি যাতে তপস্যাত বিঘ্ন নঘটায় তাৰ ওপৰত মনোযোগ দিছিল । কোনো জন্তু আহিলেই দূৰলৈ খেদি দিছিল । আনহাতে প্ৰথমজন তপস্বীয়ে কাৰো কথা চিন্তা নকৰাকৈ তপস্যাত লীন হৈ গৈছিল ।

এদিনাখন এজন ধোবা আহি তপস্বীৰ ওচৰতে থকা পুখুৰীটোত কাপোৰ ধুবলৈ ধৰিলে ।

ধোবাৰ কাপোৰ ধোৱাৰ শব্দত দুয়ো তপস্বীৰে তপস্যাত বিঘ্ন ঘটিল । প্ৰথম তপস্বীজনে চকু মেলি ধোবাৰ ফালে চালে আৰু মনে মনে ধোবাৰ ওপৰত খং উঠিল । কিন্তু পিছ মূহুৰ্ত্ততে তেওঁ চকুমুদি পুনৰ ধ্যানত মগ্ন হ'ল ।

আনহাতে দ্বিতীয় তপস্বীজনে অতি ক্ৰোধিত হৈ ধোবাক কলে, "হেই মূৰ্খ ! তোমাৰ কাণ্ডজ্ঞান নাই নেকি ? তুমি ইয়াতে

চম্পত ৰায়

কাপোৰ ধুই আমাৰ তপস্যাত বিঘ্ন ঘটাইছা। তৎক্ষণাত ইয়াৰ পৰা আঁতৰি যোৱা।"

"মহাশয়, আপোনাৰ তপস্যাৰ দ্বাৰা মোৰ পৰিয়ালৰ ক'ত পেট ভৰিব ! যাওঁক, মোক মোৰ কাম কৰিবলৈ দিয়ক।" এইদৰে দ্বিতীয় তপস্বীজনক কৈ ধোবাই কাপোৰ ধুবলৈ ধৰিলে।

ধোবাৰ সৈতে দ্বিতীয়জন তপস্বীৰ সদায় কাজিয়া লাগে, কিন্তু ধোবাই সেই পুখুৰীটোৰ বাহিৰে আন কলৈকো নাযায়।

কিছুদিন পিছত ধোবাৰ মৃত্যু হ'ল। দ্বিতীয় তপস্বীজনেও ইহলীলা সম্বৰণ কৰিলে। তাৰ কিছুদিন পিছত প্ৰথম তপস্বীজনে দেহত্যাগ কৰি যেতিয়া স্বৰ্গলৈ গৈ আছিল, তেওঁ দ্বিতীয় তপস্বীজনে নৰকত যাতনা ভোগী থকা দেখিবলৈ পালে।

তেতিয়া দ্বিতীয়জনে প্ৰথমজন তপস্বীক কলে, "মহাশয়, মোকো আপোনাৰ সৈতে স্বৰ্গলৈ লৈ নাযায় কিয় ? মই আপোনাৰ সেৱা কৰিছিলো নহয় ?" ইয়াৰ পিছত প্ৰথম তপস্বীজন স্বৰ্গ গৈ পালে। স্বৰ্গত গৈ তেওঁ ধোবাক দেখিবলৈ পালে। তাকে দেখি প্ৰথম তপস্বীজনে তেওঁৰ লগত যোৱা দেৱদূতক সুধিলে, "মোৰ সৈতে তপস্যা কৰি থকা ব্যক্তিজন কিয় নৰকলৈ যাব লগা হ'ল ? আৰু আমাৰ তপস্যাত বিঘিনি ঘটোৱা এই ধোবাটোৱে কেনেকৈ স্বৰ্গলৈ আহিবলৈ পালে?"

তেতিয়া দেৱদূতে কলে, "এই ধোবাই তোমাৰ তপস্যা সফল হোৱাত সহায়হে কৰিছে। তেওঁ কাপোৰ ধোতে যি শব্দ হৈছিল, তাৰ দ্বাৰা তপস্যাত তোমাৰ একাগ্ৰতা বাঢ়ি গৈছিল। এই ধোবাই কোনো পাপ কৰা নাই। তেওঁ পৰিশ্ৰম কৰি নিজৰ পৰিয়ালক ভৰণ-পোষণ দি নিজ কৰ্ত্তব্য পালন কৰিছে। এই বাবে তেওঁ স্বৰ্গ লাভ কৰিছে। কিন্তু তোমাৰ সঙ্গীজনে মনোযোগেৰে তপস্যা কৰা নাই, তেওঁৰ মনটো চঞ্চল। তোমাৰ তপস্যা ভঙ্গ হব বুলি ভাবি তেওঁ পশু পক্ষীবোৰক মাৰি খেদি দিছিল আৰু ধোবাৰ লগত কাজিয়া কৰিছিল। তেওঁ মনক নিয়ন্ত্ৰণ কৰিব পৰা নাই আৰু মনৰ একাগ্ৰতাও বঢ়াব পৰা নাই। ইচ্ছা শক্তি দমন কৰি একান্ত চিত্তে ঈশ্বৰৰ ধ্যানত মগ্ন হব পৰা নাই। সেয়েহে তেওঁৰ স্বৰ্গপ্ৰাপ্তিৰ পৰিবৰ্তে নৰক প্ৰাপ্তি ঘটিছে।"

চান্দমামাৰ নিবেদন
19
অজেয় গৰুড়
চিত্ৰ : পাণি
তান্ত্ৰিক নাগবন্ধুৰ সাৱধানবাণী অনুসাৰে সেনাপতি নৰেন্দ্ৰদেৱ গুহাৰ মন্দিৰতে থাকে । আপু পুৰুষে চান্দনী নদীৰ তীৰত থকা ৰবীন্দ্ৰদেৱৰ শিৱিৰলৈ গ'ল । তেওঁ যুৱৰাজক আদিত্যই বিচৰা কাৰণে নিজৰ সুৰক্ষাৰ কাৰণে গুহাৰ মন্দিৰলৈ পিতাকৰ ওচৰলৈ যাবলৈ পৰামৰ্শ দিলে চন্দ্ৰপুৰীলৈ ঘূৰি আহি আদিত্য আৰু তেওঁৰ লগৰীয়াসকলে ৰাজপ্ৰাসাদ তেওঁলোকৰ অধীনলৈ আনিলে ।

আদিত্যই লগৰীয়াসকলৰ সৈতে দুৰ্গত প্ৰৱেশ কৰিলে।
তোমালোকৰ প্ৰথম কাম হব ৰবীন্দ্ৰদেৱৰ দ্বাৰা বন্দী কৰি ৰখা প্ৰভুভক্ত পহৰাদাৰসকলক মুক্ত কৰি পুনৰ নিজৰ নিজৰ কামত বাহাল ৰখা ।

আদিত্যই প্ৰাসাদৰ নিজৰ কক্ষলৈ গৈ গৰুড়ৰ মূৰ্তিৰ সম্মুখত ধ্যানত বহি গ'ল। তেতিয়া....
তেওঁ নিজৰ অৰ্ন্তদৃষ্টিৰে তান্ত্ৰিক নাগবন্ধুক পৰ্বতীয়া গুহাত দেখিবলৈ পালে । নাগবন্ধুয়ে নৰেন্দ্ৰদেৱ আৰু ৰবীন্দ্ৰদেৱৰ উপস্থিতিত কিবা অনুষ্ঠান কৰি আছে ।

আদিত্য প্ৰাসাদৰ প্ৰৱেশ দ্বাৰলৈ শীঘ্ৰে আগবাঢ়ি গ'ল ।
প্ৰাসাদৰ বাহিৰৰ ঢোল আৰু পেঁপাৰ শব্দত আদিত্যৰ ধ্যান ভঙ্গ হৈ গ'ল আৰু ৰজাৰ আগমনৰ কথা অনুমান কৰিলে ।
ৰথ ঠিক মোৰ পিছতে আছে, মহানুভৱ ।
অকণা, প্ৰথমতে তুমি যোৱা ।
এক আনন্দত উৎফুল্লিত জনসমাবেশে ৰজাৰ কথা শুনিবলৈ প্ৰতীক্ষা কৰি আছে।
মই নৰেন্দ্ৰদেৱ আৰু ৰবীন্দ্ৰদেৱক দেশদ্ৰোহী বুলি ঘোষণা কৰিলো । তেওঁলোকে চন্দ্ৰপুৰীৰ পৰা পলাই গৈছে । জীৱিত বা মৃত অৱস্থাত তেওঁলোকক ইয়ালৈকে লৈ অনাতো বিচাৰো ।
তান্ত্ৰিকৰ গুহাত আপ্ত পুৰুষে আশ্বাস দিছে ।
ভয়ৰ কোনো কাৰণ নাই ।
যুৱৰাজ, তুমি ইয়াত সম্পূৰ্ণ সুৰক্ষিত । এই ঠাইৰ চাৰিওফালে পহৰাদাৰে আগুৰি আছে ।
...আৰু তেওঁ আদিত্যক বশ কৰি লব ।
....আৰু মহানুভৱ ! ৰাজৰ্ষি পাশঙ্কৰৰ আত্মাক আহ্বান কৰাৰ কাৰণে বিশেষ অনুষ্ঠান কৰা হৈছে ।
তান্ত্ৰিকৰ সম্মুখত থকা অগ্নিকুণ্ডৰ ধোঁৱাৰ পৰা ওলোৱা বিচিত্ৰ আকৃতিৰ ভয়ানক শব্দই আপ্ত পুৰুষৰ কথাত ব্যাঘাত ঘটালে ।

হে বন্ধু পাশন্তৰ ! এয়া আমাৰ সকলোৰে প্ৰভুৰ প্ৰতি কৰ্তব্য এই যে, আমি সেই অঙ্কুৰ উভালি পেলাই দিও, যাৰ দ্বাৰা আমাৰ শত্ৰুই আশীৰ্বা প্ৰাপ্ত হৈছে ।
তেওঁ চন্দ্ৰপুৰীত থাকে । অহা পূৰ্ণিমাৰ আগতে তেওঁক মোৰ ওচৰলৈ লৈ আহা । তেতিয়াহে মই মোৰ যজ্ঞ সম্পূৰ্ণ কৰিব পাৰিম ।
গুৰুদেৱ ! মই কৰিম ! কিন্তু প্ৰথমতে তেওঁৰ অধিকাৰত থকা পাখিৰ ওচৰলৈ মই যাব পাৰিব লাগিব ।
তেওঁক সম্মোহিত কৰি দিয়া । তোমাক নাশ কৰাৰ আগতে তুমি পাখি দুখন নষ্ট কৰি দিয়া ।
মই যুৱককেই শেষ কৰি দিম ।
ংকাৰী ৰবীন্দ্ৰদেৱে নিজকে নিয়ন্ত্ৰ
বিব পৰা নাই ।
এজন সাধাৰণ ব্যক্তিৰ কাৰণে মই নিজৰ শক্তিক নষ্ট কৰিম ? মোক আশীৰ্বাদ দিয়ক, মুহূৰ্তৰ ভিতৰতে মই আদিত্যক আপোনাৰ ওচৰত আনি হাজিৰ কৰি দিম ।
তান্ত্ৰিকৰ ৰবীন্দ্ৰদেৱক ধূৰ্ত বুলি বিবেচিত হ'ল ।
নিজৰ প্ৰভুভক্ত লোকসকলক একত্ৰিত কৰা আৰু যেতিয়াই পাশন্তৰে আদিত্যক যাদু কৰিব, তৎক্ষণাত ৰজাৰ সৈন্যৰ ওপৰত জঁপিয়াই পৰিবলৈ সাজু থাকিবা ।

তান্ত্ৰিকে নিজৰ গুহালৈ যোৱাৰ আগতে আপ্ত পুৰুষৰ সৈতে আলোচনা কৰিলে ।
যুৱৰাজক সাৱধান কৰি দিবা যে তেওঁ যেন নিজৰ বাস্তৱিক শক্তিৰ বাহিৰত কথা নকয়, নহলে বিপদত পৰিব ।
চন্দ্ৰপুৰীত.....
হয় আদিত্য ! এতিয়া ইয়াৰ পিছৰ পদক্ষেপ কি হব ?
আদিত্যই সঙ্গীসকলৰ আগত কৈ আছে ।
আমি দুয়ো ৰাজদ্ৰোহীকে ধৰিব লাগিব । অনুমান হয় তেওঁলোকে ওচৰৰে সৰ্পদেশৰ গুহাত লুকাই আছে, আৰু তেওঁলোকে স্থানীয় বন্যজাতিৰ নেতাৰ সুৰক্ষা প্ৰাপ্ত হৈ আছে ।
ৰজা আচৰিত হ'ল ।
আঃ ! সৰ্পদেশ ? য'ত দুষ্ট তান্ত্ৰিকে বন্য জাতিসকলক নিজৰ বশ কৰি ৰাখিছে ।
এইটো এটা বিপদজনক অভিযান হব !
কিন্তু দুষ্ট শক্তিক মূৰদাঙি উঠিবলৈ দিয়াতো আৰু অধিক বিপদজনক হব । মহাৰাজ, আপুনি আশীৰ্বাদ দিয়ক ।
আমি তান্ত্ৰিকৰ মুখ বন্ধ কৰি দিম আৰু নৱেন্দ্ৰদেৱ আৰু ৰবীন্দ্ৰদেৱকো জীয়াই জীয়াই ওলাই আহিব নিদিওঁ । আমাৰ মানুহে সকলোবোৰ দুৱাৰ মুখতে পহৰা দি থাকিব ।
ক্ৰমশঃ

এটা ভেড়া তৈয়াৰ কৰা

শাক-পাচলিৰ টুকুৰাৰে বস্তু বনোৱা এক অতি আকৰ্ষণীয় কাৰ্য্য । তুমিও চেষ্টা কৰি চোৱা ।

আৱশ্যকীয় সামগ্ৰী : এখন মাটি থকা ট্ৰে, সৰিয়হ, বগা মূলা, ফুলকবি, জালুক, শক্তিশালী শলা, চুৰি কটাৰি আৰু আঠা ।

পাচলিৰে ভেড়া ছাগলী বনোৱাৰ কেইদিনমান আগতে মাটি থকা ট্ৰেখনত সৰিয়হবোৰ সিঁচি দিবা আৰু প্ৰতিদিন পানী দিবা । তিনি-চাৰিদিন পিছত সৰিয়হবোৰ গজি উঠিব । সেইখন হব ভেড়াৰ চৰণীয়া পথাৰ । ফুলকবিৰ ডাঙৰ টুকুৰা এটা হব চৰণীয়া পথাৰৰ মাজত থকা গছ ।

ভেড়াটো কেনেকৈ তৈয়াৰ কৰিবা : মূলাৰ জোঙা অংশটো কাটি লোৱা । সেইটো হব ভেড়া ছাগলীৰ মূৰ । জোঙা অংশটোৰ ফালে অলপ খাজ কাটি দিবা । সেয়া হব ভেড়াৰ মুখ । দুফালে দুটা জালুক চকু কৰি আঠা লগাই দিবা ।

মূলাৰ মাজৰ ডাঙৰ অংশ ভেড়াৰ গা অংশৰ বাবে কাটি উলিয়াবা । ডিঙি আৰু ঠেংৰ কাৰণে সমান জোখৰ শলা কাটি লবা আৰু সেইবোৰ গাৰ অংশটোত ঠেং আৰু ডিঙি কৰি ফুটাই থবা । খান খানকৈ কটা মূলাৰ টুকুৰাবোৰ ভেড়াৰ গাটোত আঠা লগাই দিবা। সেইবোৰ হব ভেড়াৰ নোম । খুব পাতলকৈ কটা কেইটুকুৰমান মূলা ভেড়াৰ কাণ হিচাবে আঠা লগাই দিবা । এতিয়া ভেড়াটো চৰণীয়া পথাৰত থৈ দিয়া ।

অমিলবোৰ চিনাক্ত কৰা !

এই চিত্ৰ দুখন দেখাত একে হব পাৰে, কিন্তু চিত্ৰ দুখনৰ মাজত আঠটা অমিল আছে । সেইবোৰ চিনাক্ত কৰা !



বেচেৰা ৰোহিতক অলপ সহায় কৰা

বেচেৰা ৰোহিত শহাটোৰ বেমাৰ হৈছে । তাৰ পিল আৰু কেপচুলবোৰ কোঠাটোৰ চাৰিওফালে সিঁচৰিতহৈ পৰি আছে । সেইবোৰ বুটলাত তাক অলপ সহায় কৰিব পাৰিবানে ? পিল আৰু কেপচুলৰ সংখ্যাবোৰ গণি লবা ।

(উত্তৰ ৬৬ পৃষ্ঠাত)

বাক্যত প্ৰকাশ কৰা

ফটো নামকৰণ প্ৰতিযোগিতা

কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা।

ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা, ৮২, ডিফেন্স অফিচাৰ্চ কলোনী, একাডুথাঙ্গাল, চেন্নাই - ৬০০ ০৯৭.

এই মাহৰ ২০ তাৰিখ ৰ ভিতৰত উত্তৰ পাব লাগিব। বিজয়ী প্ৰতিযোগিক ১০০ টকা পুৰস্কাৰ দিয়া হব। পুৰস্কাৰ পাওঁতা জনৰ নাম অহা সংখ্যাত প্ৰকাশ কৰা হব!

বিজয়ী বাক্য

পুষ্প প্ৰেমিক
শিশু শ্ৰমিক

অভিনন্দন
চেপ্তেম্বৰ সংখ্যাৰ পুৰস্কাৰ বিজয়ী
লুকুমণি বুজৰবৰুৱা,
মাৰফৎ- চন্দন বুজৰবৰুৱা
পোঃ, গাওঁ-চান্দকুছি, নলবাৰী (অসম)

অমিলবোৰ চিনাক্ত কৰা!

খেলিমেলি ধেমালিৰ উত্তৰ (৬৪ পৃষ্ঠা)

১. টুপীৰ পিছফালে থকা তুলাৰ বল।
২. টুপীৰ ওপৰৰ ডিজাইন
৩. শিঙৰ ওপৰৰ আঁচ
৪. ছাগলীৰ চতুৰ্থ ঠেংখন
৫. ছাগলীৰ দাড়ি
৬. ধূলিৰ মেঘ
৭. ল'ৰা দুজনৰ পকেট
৮. জোতাৰ ডিজাইন

বেচেৰা ৰোহিতক সহায় কৰা

৩৮টা পিল আৰু কেপচুল।

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 600 026 on behalf of Chandamama India Limited, No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097. Editor : Viswam

Good news for young bookworms!

When **Skippy Squirrel** cheated **Willy Fox**, **Annie Ant** stepped in. Then **Donkey Dadha** ate a wild red berry, and horror of horrors! **Goli Otter**'s kids were badly injured and it was all **Kiran Deer**'s fault. But the fox did not dare laugh because its broken teeth would be revealed. At last, much to the relief of all the animals, the terrible **Ghaun Ghaun** died. **Anansi Spider** had won the day!

Hiya! What has hit the animal world?

Listen hard and look keenly.

D'you hear the **jingle** of the **jungle**?

JUNGLE JINGLES

A set of five story books with the whackiest and most interesting collection of animal stories ever written.

From CHANDAMAMA and Popular Prakashan

Watch out for a festival offer just for you in our next issue.

CHANDAMAMA (Assamese) **NOVEMBER 2002** Registered No. TN/CPMG-870/2002
Regd. with Registrar of Newspaper for India No. 30278/76 Licensed to post without prepayment. WPP No. 537/02